শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

www.asombarta.in | www.epaper.asombarta.in | www.twitter.com/asom-barta | www.instagram.com/asom_barta/ | www.facebook.com/asombarta

ষষ্ঠ বছৰ, সংখ্যা - ১২২ | ১০ জুন ২০২৫, ২৬ জেঠ, ১৯৪৭ মঙ্গলবাৰ | VOL - 6, NO.- 122, 10th June, 2025 | মূল্য ঃ ১০.০০ টকা, মুঠ পৃষ্ঠা ঃ ৮ | RNI REGD. NO. (Title) ASSASS01389

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

## অসম বিধানসভাত এদিনীয়া বিশেষ অধিৱেশন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ৯ জুন ঃ** আজি অসম বিধানসভাত অনুষ্ঠিত বিশেষ একদিনীয়া অধিবেশনত কিছুমান বিষয়ত যথেষ্ট হুলস্থুল হয়। আজিৰ এই অধিবেশন মূলত ডিব্ৰুগড় বিমানবন্দৰৰ নাম সলনি কৰি ভূপেন হাজৰিকাৰ নামেৰে ৰাখিবলৈ প্ৰস্তাৱ ৰখাৰ উদ্দেশ্যে আহ্বান কৰা হৈছিল। অধিবেশন চলাকালত হোৱা হুলস্থুলৰ পাছত ইয়াক ৩০ মিনিটৰ বাবে স্থগিত কৰা হয়। বিধানসভাত চৰকাৰে এই উদ্দেশ্যে এটা ■ ৬ পৃষ্ঠাত

## পত্নীয়ে ভাৰাতীয়া খুনীৰ সহযোগত হত্যা কৰিলে ৰাজা ৰঘুবংশীক

# মধুচন্দ্ৰিকাৰ নামত মৰণফান্দ

### ১৭ দিনৰ ভিতৰতে ৰাজা হত্যাকাণ্ডৰ গোচৰত মেঘালয় আৰক্ষীৰ সফলতা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ জুন ঃ** অৱশেষত ৰাজা ৰঘুবংশী হত্যাকাণ্ডৰ চাঞ্চল্য অৱকাশ ঘটিল। মেঘালয় আৰক্ষীয়ে স্বামীক হত্যাৰ অভিযোগত উত্তৰ প্ৰদেশৰ গাজীপুৰৰপৰা গ্ৰেপ্তাৰ কৰে পত্নী সোনম ৰঘুবংশীক। মেঘালয় আৰক্ষীয়ে ইন্দোৰৰ ব্যৱসায়ী ৰাজা ৰঘুবংশী হত্যাকাণ্ডত এইপৰ্যন্ত ৰাজাৰ পত্নীসহ ৫জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইন্দোৰৰ বাসিন্দা ৰাজা ৰঘুবংশীক মেঘালয়ত হানিমুনৰ সময়ত পত্নীয়ে নিযুক্তি দিয়া আক্ৰমণকাৰীয়ে হত্যা কৰে বুলি ■ ৬ পৃষ্ঠাত



**পত্নী সোণমৰ আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ; ভিন্ন স্থানৰ পৰা আন ৫জন লোকক গ্ৰেপ্তাৰ**

## বঙাইগাঁও কানাড়া বেংকত ১০০০ কোটি টকাৰ লোন কেলেংকাৰী



**অসম বাৰ্তা, বঙাইগাঁও, ৯ জুন ঃ** কানাড়া বেংক বঙাইগাঁও শাখাত প্ৰায় ১০০০ কোটি টকাৰ লোন কেলেংকাৰীৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা সভাপতি নন্দন দেবনাথে। এই সন্দৰ্ভত ■ ৬ পৃষ্ঠাত

## এসপ্তাহৰ ভিতৰত পদত্যাগ কৰিব লাগিব মহম্মদ ইউনুছে

**ইণ্টাৰনেশ্যনেল ডেস্ক, ঢাকা, ৯ জুন ঃ** তদাৰকী চৰকাৰৰ মুখ্য উপদেষ্টা পদৰ পৰা অপসাৰিত হ'ব মহম্মদ ইউনুছ। সামৰিক বাহিনীয়ে পূৰ্বে নিযুক্ত ইউনুছে এসপ্তাহৰ ভিতৰতে পদত্যাগ কৰিবই লাগিব। ইতিমধ্যে ছাত্ৰ আন্দোলনৰ নেতৃত্বয়ো ইউনুছক প্ৰস্থানৰ বাবে হেঁচা দিছে। লগতে সম্প্ৰতি সেনাধ্যক্ষ বাকাৰ-উজ-জামানেও সংগ ত্যাগ কৰিছে ইউনুছৰ। ম্যানমাৰৰ ■ ৬ পৃষ্ঠাত

### গণ প্ৰহাৰত হত্যাকাৰী স্বামীৰো মৃত্যু

## ডুমডুমাত নৃশংস ঘটনা; স্বামীৰ দাৰ ঘাপত নিহত পত্নী

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ জুন ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত বিছাকপি চাহ বাগিচাৰ ফটিকজান ডিভিজনত আজি পুৱা সংঘটিত এক নৃশংস ঘটনাই সমগ্ৰ ডুমডুমা অঞ্চলতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, বিছাকপি চাহ বাগিচাৰ ৩৭ নং ■ ৬ পৃষ্ঠাত

## অসম বিধানসভাৰ এদিনীয়া অধিৱেশনৰ অধ্যক্ষৰ অতিথি গেলাৰীত গৌৰৱ গগৈ, সৰ্বানন্দ সোণোৱাল



**অসম বাৰ্তা, গুৱাহাটী, ৯ জুন ঃ** আজি অসম বিধানসভাৰ এদিনীয়া অধিৱেশনৰ অধ্যক্ষৰ অতিথি গেলাৰীত লোকসভা এৰি বিধানসভা চাবলৈ আহিল কেন্দ্ৰীয় মন্ত্ৰী সহ লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ। অসম বিধানসভাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সন্মানাৰ্থে চলিছে বিশেষ অধিৱেশন।তাৰ মাজতেই আহিল বিধানসভাৰ অধিৱেশন চাবলৈ কিছু সময়ৰ বাবে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক দেখা গ'ল অধ্যক্ষৰ অতিথি গেলাৰীত। একেটা গেলাৰীত দেখা গ'ল ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো।প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণৰ পিছতেই ৰাজনৈতিক জীৱনত প্ৰথমবাৰৰ বাবে বিধানসভাত উপস্থিত হয় গৌৰৱ গগৈ। ■ ৬ পৃষ্ঠাত

### মধ্যাহ্ন ভোজনৰ কাম অক্ষয়পাত্ৰক দিবলৈ চৰকাৰৰ পদক্ষেপ

## মধ্যাহ্ন ভোজনৰ আইমাতৃ সকলক পেটে-ভাতে মৰাৰ চেষ্টা চৰকাৰৰ

### ক্ষুব্ধ ৰান্ধনী সহায়িকা সন্থা; ১ জুলাইৰ পৰা অনিদিষ্টকালীন আন্দোলনৰ হুমকি

**অসম বাৰ্তা, ডিমৌ, ৯ জুনঃ** সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ৰান্ধনী-সহায়িকা সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে অসম চৰকাৰৰ অক্ষয়পাত্ৰ নামৰ এন.জি.অ'ৰ জৰিয়তে স্কুলৰ খাদ্য যোগান ধৰা সিদ্ধান্তৰ তীব্ৰ প্ৰতিবাদ জনাইছে। এই সন্দৰ্ভত আজি (৮ জুন, ২০২৫) এখন প্ৰেছ বিজ্ঞপ্তি জাৰি কৰি সংস্থাটোৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ■ ৬ পৃষ্ঠাত

### একত্ৰত নুপূৰ শৰ্মাৰ বিস্ফোৰক প'ষ্ট

## সাংসদ গৌৰৱৰ পত্নীয়ে গোপনে ভাৰত ত্যাগ কৰিবলৈ চলাইছে প্ৰস্তুতি

**অসম বাৰ্তা, নতুন দিল্লী, ৯ জুন ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ পত্নীয়ে সন্তাসহ ভাৰত ত্যাগ কৰিব। অসমৰ নিৰ্বাচন সমাপ্ত হোৱাৰ পিছতহে ব্ৰিটেইনৰ পৰা উভতি ■ ৬ পৃষ্ঠাত

## মনোনয়ন পত্ৰ দাখিল কনাড পুৰকায়স্থ, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ



**নিউজ ডেস্ক, গুৱাহাটী, ৯ জুন ঃ** আগন্তুক ৰাজ্যসভা নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থীদ্বয় কনাড পুৰকায়স্থ আৰু বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল পৰ্বত অংশ লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, অসম গণ পৰিষদৰ সভাপতি অতুল বৰা। উল্লেখ্য যে, ৰাজ্যসভাৰ অসমৰ দুখন আসনৰ বাবে অহা ১৯ জুনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে আজি মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিনটোত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ দুয়োজন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। এখন আসনৰ বাবে বিজেপিয়ে প্ৰাৰ্থিত্ব দিয়া কণাদ পুৰকায়স্থ আৰু ■ ৬ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ বৰ্ষপূৰ্তি ; এলানি কাৰ্যসূচী ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ১১ টা বছৰ গৌৰৱপূৰ্ণ,সমৃদ্ধিশালীভাৱে আগবঢ়াই লৈ যোৱাৰ উপলক্ষত ৰাজ্যজুৰি এলানি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ৰাজ্যখনত অব্যাহত থকা ভয়াৱহ বান পৰিস্থিতিৰ পৰিৱেশিতত বানাক্ৰান্তসকলক প্ৰথমে সৰ্বতোপ্ৰকাৰৰ সহযোগ প্ৰদান কৰি বান নোহোৱা জিলাসমূহতে 'মোদী চৰকাৰৰ ১১ বছৰ-সংকল্পৰ ■ ৬ পৃষ্ঠাত

## ভাৰতীয় ভলীবল ফেডাৰেচনৰ উপ-সভাপতি পদত সুশান্ত বিশ্ব শৰ্মা

**অসম বাৰ্তা, চেঙা, ৯ জুন ঃ** অসমৰ ক্ৰীড়া জগতত আজি উজলি উঠিছে গৌৰৱৰ নতুন প্ৰভা। ভাৰতীয় ভলীবল ফেডাৰেচন (VFI)ৰ উপ-সভাপতি হিচাপে অসম আৰক্ষীৰ শ্ৰেষ্ঠ বিষয়া, বৰপেটাৰ আৰক্ষী অধীক্ষক তথা অসম ভলীবল সন্থাৰ সভাপতি সুশান্ত বিশ্ব শৰ্মা ■ ৬ পৃষ্ঠাত



### ডিব্ৰুগড় জিলাৰ মদাৰখাত বচাপথাৰত সত্ৰাধিকাৰৰ নিৰ্মালি প্ৰদান

# ড° প্ৰদীপ গোস্বামী সত্ৰাধিকাৰ আসনত অধিষ্ঠিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ৯ জুন ঃ** অসমীয়া জাতীয় জীৱনত সত্ৰ সমূহে এক বিশেষ স্থান অধিকাৰ কৰি থকাৰ লগতে এখন সমাজক সুসংবদ্ধ ভাবে আগুৱাই নিয়াত এক বিশেষ ভূমিকা অতি প্ৰাচীন কালৰে পৰা গ্ৰহণ কৰি আহিছে।অন্য সত্ৰ সমূহৰ দৰেই শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰৱৰ্তিত শ্ৰীশ্ৰী মায়ামৰা ধৰ্মৰ সত্ৰ সমূহৰ ভূমিকাও বিশেষ ভাবে তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈ আহিছে আৰু থাকিব ।অসমীয়া সমাজ আৰু সংস্কৃতিত সত্ৰ এক সামাজিক অনুষ্ঠান হিচাপে বিবেচিত। মহাপুৰুষ অনিৰুদ্ধদেৱে প্ৰতিষ্ঠা কৰা মায়ামৰা সত্ৰসমূহে ভক্তি আন্দোলনক এক অনন্যমাত্ৰা প্ৰদান কৰিছে। পৰৱৰ্ত্তী সময়ত তেখেতৰ অনুসৰীসকলে সত্ৰৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। এই সত্ৰসমূহৰ অধিকাৰৰ অভিষেক অনুষ্ঠান বা নিৰ্মালি প্ৰদান অসমৰ মায়ামৰা বৈষ্ণৱ ধৰ্মীয় ঐতিহ্যৰ এক অবিচ্ছেদ্য অংগ। এই অনুষ্ঠানৰ জৰিয়তে সত্ৰীয়া নীতি, ধৰ্ম, আদৰ্শ আৰু সমাজৰ সৈতে সংযুক্তিকৰণ নিশ্চিত কৰা হয়। উল্লেখ্য যে ''সত্ৰাধিকাৰৰ অভিষেক' হৈছে এক বিশেষ ধৰ্মীয় আচাৰ অনুষ্ঠান, যাৰ যোগেদি এখন সত্ৰৰ গোঁসাই, মহন্ত বা অধিকাৰীয়ে আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। ডিব্ৰুগড় জিলা মদাৰখাত মৌজাৰ অন্তৰ্গত বচাপথাৰৰ শ্ৰীশ্ৰী মায়ামৰা বচাপথাৰ মদাৰখাত সত্ৰৰ সত্ৰাধিকাৰ হিচাপে ড০ প্ৰদীপ গোস্বামীক গুৰুপদদত্ত শ্ৰীপুৰুযোত্তমদেৱে আনুষ্ঠানিক ভাবে সত্ৰাধিকাৰৰ আশীষ নিৰ্মালি গ্ৰহণ কৰে। যোৱা বৃহস্পতিবাৰে লাহোৱালৰ আলিমূৰ বচাপথাৰ গাঁৱৰ বৰনামঘৰত সত্ৰাধিকাৰ অভিষেক অনুষ্ঠানৰ জৰিয়তে সত্ৰাধিকাৰ গৰাকীক নিৰ্মালি প্ৰদান কৰে উজনি অসমৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ সকলে। নামঘৰৰ চৌদিশ এক আধ্যাত্মিক পৰিবেশে বিৰাজ কৰা লগতে মায়ামৰা ধৰ্মীয় গায়ন-বায়ন, ঘোষা, কীৰ্তন, ভাগৱত পাঠৰ ধ্বনিৰে মুখৰিত হৈ পৰে বৰনামঘৰভাগি। ইয়াৰ পূৰ্বে ধৰ্মীয় শোভাযাত্ৰাৰে অভিষেক হোৱা সত্ৰাধিকাৰ গৰাকীক বৰনামঘৰলৈ ভক্তপ্ৰাণ ৰাইজে আদৰি নিয়ে। পৰৱৰ্তী দিনা সত্ৰাধিকাৰ অভিষেক তথা নিৰ্মালি প্ৰদান অনুষ্ঠানত শ্ৰীশ্ৰীমায়ামৰা পুৰণিমাটি সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ গোস্বামী,দিনজয় সত্ৰ সত্ৰাধিকাৰ মুকুণ্ডানন্দ গোস্বামী, মদাৰখাত সত্ৰ বৈষ্ণৱানন্দ চন্দ্ৰ গোস্বামী, গড়পৰা সত্ৰ জগতানন্দ গোস্বামী, চলিহা বাৰেঘৰ সত্ৰ আৰু নাজিৰা সত্ৰ ইন্দুভূষণ মহন্তকে ধৰি বহু কেইখন সত্ৰৰ সত্ৰাধিকাৰসকলৰ উপৰিও ডেকা সত্ৰাধিকাৰ, অসমৰ বিভিন্ন প্ৰান্তৰৰ গাঁওবুঢ়া,বৰ গাঁওবুঢ়া, ভকত বৈষ্ণৱ আইসকল উপস্থিত থাকে। এই অনুষ্ঠানৰ জৰিয়তে মায়ামৰা নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ গুৰুজনাৰ মাৰ্গদৰ্শনেৰে সকলোকে আগবাঢ়ি যাবলৈ আহ্বান জনোৱা লগতে নিৰ্মালি গ্ৰহণ কৰা সত্ৰাধিকাৰ ড০ প্ৰদীপ গোস্বামীয়ে অনাগত দিনত মায়ামৰা ধৰ্মীয় সমাজ খনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলো ধৰ্মপ্ৰাণ ৰাইজ তথা জনসাধাৰণৰ সহায় সহযোগিতা আৰু দিহা পৰামৰ্শ কামনা কৰিছে।

## নিতাইপুখুৰীত ই-ৰিক্সা চলাচলত বাধাঃশতাধিক চালক আৰ্থিক সংকটত

**অসম বাৰ্তা ডিমৌ, ৯ জুন ঃ** নিতাই-পানীদিহিং অঞ্চলত ই-ৰিক্সা চলাই জীৱন-জীৱিকা চলাই থকা শতাধিক চালকে বৰ্তমান আৰ্থিক সংকটৰ সন্মুখীন হ'ব লগা হৈছে। ডিমৌ-নিতাই পথত নিয়মীয়াভাৱে ই-ৰিক্সা চলাই আহিছিল চালকসকলে। কিন্তু নিতাইপুখুৰী আৰক্ষীয়ে কোনোধৰণৰ আগতীয়া জাননী নিদিয়াকৈ এই চলাচল বন্ধ কৰি দিয়ে। ইয়াৰ ফলত ই-ৰিক্সা চালকসকল তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। চালকসকলৰ অভিযোগ, তেওঁলোকে সকলো বৈধ নথিপত্ৰ—যেনে লাইচেঞ্চ, আৰ.চি, ইন্সুৰেন্স ইত্যাদি সহ ই-ৰিক্সা চলাই আহিছে। আনহাতে ডিমৌৰ এখন টেম্পু ষ্টেণ্ডত বহু টেম্পু চালকৰ কোনো বৈধ কাগজপত্ৰ নথকাৰ পৰিস্ফুট তথ্য নথকাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে । এই ক্ষেত্ৰত আৰক্ষীয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰে। আনহাতে টেম্পু চালকসকলৰ একাংশই আৰক্ষীৰ লগত গোপন মিতিৰালিৰে ই-ৰিক্সা চলাচলত বাধা দি আহিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। চালকসকলৰ অভিযোগ অনুসৰি, ই-ৰিক্সাৰ ওপৰত এই একপক্ষীয় নিষেধাজ্ঞাৰ ফলত বহু পৰিয়াল উপাৰ্জনৰ পথ হেৰুৱাৰ লগতে দিনে দুবেলা ভাত খাব পৰা নাই। কিছুমান ই-ৰিক্সা চালক- মালিকে ষ্টলমেণ্টৰ ভিত্তিত গাড়ী কিনি কিস্তি দি আহিছে। এতিয়া আয়ৰ উৎস বন্ধ হোৱাৰ লগে লগে কিস্তি দিব নোৱাৰা অৱস্থাও সৃষ্টি হৈছে।ঞ্চ চালকসকলৰ একাংশই ডিমৌ বিধায়ক আৰু ৰাজহ চক্ৰ বিষয়া ওচৰত এখন লিখিত আবেদন দাখিল কৰি বিষয়টোক গভীৰভাৱে ল'বলৈ অনুৰোধ জনাইছে। প্ৰদান কৰা পত্ৰৰ যোগেদি তেওঁলোকে স্পষ্টকৈ উল্লেখ কৰিছে যে, এই ধৰণৰ অৱস্থাই যদি দীঘলীয়াকৈ চলি থাকে, তেন্তে বহু চালক আৰু মালিকে আত্মহত্যাৰ দৰে অমানৱিক পথ বাছি ল'বলৈ বাধ্য হ'ব। স্থানীয় ৰাইজেও এই কাৰ্যক শোচনীয় বুলি আখ্যা দিছে। জনসাধাৰণৰ দাবী, ই-ৰিক্সা যেন দৰিদ্ৰ ঘৰৰ লোকৰ জীৱন-জীৱিকাৰ একমাত্ৰ অৱলম্বন। সেইটো যদি বন্ধ কৰা হয়, তেন্তে এজন লোকৰ নহয়, বহু পৰিয়াল বিপদত পৰিব ।চালকসকলৰ একাংশই সংবাদমাধ্যমৰ যোগে প্ৰশাসনক সকীয়নী প্ৰদান কৰিছে যে, সদায় নিৰীহ লোকৰ ওপৰত নিৰ্যাতন চলাই ইমান দিনৰ পিছতো আৰক্ষীৰ ধৰণা সলনি হোৱা নাই। আনহাতে এই বিষয়টো সন্দৰ্ভত আগন্তুক দিনত ই-ৰিক্সা চলাচল পুনৰুদ্ধাৰৰ বাবে পত্ৰ তথা আবেদন দাখিলৰ পিছতো প্ৰশাসন তথা সমষ্টিবাসীৰ বিধায়কে সহানুভূতিশীল হৈ সমস্যাৰ সমাধান প্ৰদৰ্শন কৰে নে নকৰে সেয়া এক লক্ষণীয় বিষয় হৈ পৰিছে।

## মৰিগাৱঁত জিলা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আৰু অসম ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভা

**ষ্টাফ ৰিপৰ্ট মৰিগাঁও, ৯ জুন ঃ** ২০২৫ চনৰ সম্ভাব্য বান পৰিস্থিতিৰ প্ৰেক্ষাপটত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আৰু অসম ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ (ASDMA)-ৰ উচ্চপদস্থ বিষয়া সকলে মৰিগাঁও জিলাত বান প্ৰস্তুতিৰ পৰ্যালোচনাৰ উদ্দেশ্যে জিলাখন পৰিদৰ্শন কৰে।এই উদ্দেশ্যে আজি পুৱা ১১ বজাত মৰিগাঁও জিলা আয়ুক্ত সভাকক্ষত এক বিস্তৃত বৈঠক অনুষ্ঠিত হয়। বৈঠকখনৰ নেতৃত্ব দিয়ে জিলা আয়ুক্ত তথা জিলা দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰন (DDMA)-ৰ অধ্যক্ষ দেৱাশীষ শৰ্মায়ে। তেওঁ বান পৰিস্থিতিৰ প্ৰস্তুতি সন্দৰ্ভত সকলো বিভাগক সমন্বিতভাৱে কাম কৰাৰ বাবে আহ্বান জনায়।বৈঠকখনত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া অনুসূয়া শৰ্মা, লগতে স্বাস্থ্য, জনস্বাস্থ্য কাৰিকৰী , বিদ্যুৎ, জল সম্পদ, বন, পশুপালন, শিক্ষা, আৰক্ষী, অগ্নি নিৰ্বাপণ আদি বিভাগৰ জ্যেষ্ঠ বিষয়াসকলো উপস্থিত থাকে ।ৰাজ্যিক পৰ্যায়ৰ পৰা জিলা পৰিদৰ্শনত নিযুক্ত বিষয়া হিচাপে ডেভিড কুমাৰ চক্ৰৱৰ্ত্তী, উপ-সচিব, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগ, নৱ ডেকা, ইঞ্জিনিয়াৰিং পৰামৰ্শদাতা (Flood Mitigation), অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু ধনজিত গগৈ, প্ৰকল্প বিষয়া , লোক নিৰ্মাণ বিভাগ ,অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ অংশগ্ৰহণ কৰে।বৈঠকখনত সম্ভাব্য বানপানী, ভূমি ক্ষয়, নিৰাপদ আশ্ৰয়স্থলী, শিবিৰ স্থাপন, জল, বিদ্যুৎ যোগান, চিকিৎসা সেৱা, যোগাযোগ ব্যৱস্থা আদিৰ ওপৰত বিশেষ গুৰুত্ব দি আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে সকলো বিভাগক ২৪ ঘণ্টা সজাগ থাকি সহায় আৰু উদ্ধাৰ কাৰ্য্যৰ বাবে প্ৰস্তুত থকাৰ নিৰ্দেশ দিয়ে। ইয়াৰ পৰৱৰ্তী সময়ত পৰিদৰ্শন দলে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপিত কৰা সাহায্য শিবিৰ, বলিডোঙত ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ সংৰক্ষণৰ কাম আৰু ভুৰাগাঁও ৰাজহ চক্ৰত থকা ব্ৰহ্মপুত্ৰ নদীৰ বান্ধ নিৰীক্ষণৰ কামবোৰ পৰ্যবেক্ষণ কৰে।

## ড্ৰাগছৰ বিৰুদ্ধে বঙাইগাঁও আৰক্ষীৰ সচেতনতামূলক পদক্ষেপ

**বিশেষ প্ৰতিবেদন, বঙাইগাঁও, ৯ জুন ঃ** বঙাইগাঁও জিলাৰ ভোছামাৰী গাঁৱত ড্ৰাগছ আৰু নিচাজাত সামগ্ৰীৰ বিৰুদ্ধে এক গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সভাটো আয়োজন কৰা হয় বঙাইগাঁও আৰক্ষীৰ উদ্যোগত আৰু ভোছামাৰী গাঁও উন্নয়ন সমিতিৰ সহযোগত। সভাখনত বঙাইগাঁওৰ বিভিন্ন স্থানত ড্ৰাগছ ব্যৱসায় চলা সন্দৰ্ভত সচেতনতা সৃষ্টি কৰাৰ লগতে সমাজৰ ভিতৰত নিচাৰ বিৰুদ্ধে একতা গঢ়ি তোলাৰ আহ্বান জনোৱা হয়। সজাগতা সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকে বঙাইগাঁও জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক এন. চিংচন আৰু সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজয় সাহা। তেওঁলোকে নিজৰ ভাষণৰ জৰিয়তে ড্ৰাগছৰ কুপ্ৰভাৱ, ইয়াৰ অপৰাধমূলক জাল, আৰু কিশোৰ-যুৱ প্ৰজন্মৰ ওপৰত পৰাৰ ভয়ংকৰ প্ৰভাৱৰ বিষয়ে গভীৰভাৱে আলোচনা কৰে। ড্ৰাগছ কেনেদৰে সমাজৰ পৰা সমূলি উন্মূল কৰিব পাৰি, সেই বিষয়ে সভাত বিস্তৃতভাৱে দিশ-নিৰ্দেশ দিয়া হয়। অতিৰিক্ত আৰক্ষী অধীক্ষক গৰাকীয়ে কোৱাৰ মতে, "নিশাচ্ৰিত সমাজত ড্ৰাগছ এক গুপ্ত অস্ত্ৰৰ দৰে কাম কৰি আছে। ইয়াৰ বিৰুদ্ধে সকলোৰে সহযোগিতা প্ৰয়োজন। এই যুদ্ধই কেৱল আৰক্ষীৰ নহয়, ই এটা সামাজিক আন্দোলন হ'ব লাগিব।" সভাখনত ভোছামাৰী গাঁও উন্নয়ন সমিতিৰ বিশিষ্ট সদস্যসকল, চাপৰাকাটা অঞ্চলৰ বৌদ্ধিক সমাজ, কিশোৰ-কিশোৰী আৰু বহু ৰাইজৰ উপস্থিতি লক্ষ্য কৰা যায়। সঞ্চালনাৰে সৈতে আলোচনাত স্থানীয় ৰাইজেও অংশ লৈ নিজৰ মতামত আগবঢ়ায়। এই সভা গাঁওবাসীৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ দিশে এক অতি প্ৰশংসনীয় পদক্ষেপ হিচাপে বিবেচিত হৈছে। নিচা মুক্ত সমাজ গঠনৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচী বঙাইগাঁও আৰক্ষীৰ সমাজপৰায়ণ ভূমিকা আৰু দায়বদ্ধতাৰ এক উজ্জ্বল নিদৰ্শন।

## বঙাইগাওঁত ১০০৭ গৰাকী অংগনৱাড়ী কৰ্মীলৈ স্মাৰ্টফোন বিতৰণ

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৯ জুন ঃ** বঙাইগাঁও জিলাত আজি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মুঠ ১০০৭ গৰাকী অংগনৱাড়ী কৰ্মীক স্মাৰ্ট ফোন প্ৰদানৰ আজি শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে মহিলাসকলৰ উন্নতি হ'লেহে সমাজখন আগুৱাই যাব পাৰিব। অংগনৱাড়ী কৰ্মীসকলে আৰু শিশু বিকাশ বিভাগৰ অধীনত মহিলা আৰু শিশুৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে চৰকাৰে কাম কৰি আহিছে। অংগনবাড়ী কৰ্বমীসকলে এগৰাকী গৰ্ভৱতী মহিলাক আইৰন, ফলিক এচিডকে আদিকৰি প্ৰতিষেধক প্ৰদান কৰাৰ উপৰিও যি যতনৰ প্ৰয়োজন সেই আটাইখিনি কৰাৰ লগতে মহিলা আৰু শিশু বিকাশ বিভাগে জন্মৰ পিছৰ পৰাই শিশুৰ বাবে কৰিব লগা কাম যেনে মাতৃদুগ্ধ খুওৱাৰ প্ৰয়োজনীয়তা, বয়স অনুসৰি শিশুৰ বৃদ্ধিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । তথ্যবিলাক কৰ্মীসকলে সকলোবোৰ পঞ্জীয়নভুক্ত মহিলা আৰু শিশুৰ ৰেকৰ্ড ৰাখি চৰকাৰক অৱগত কৰি আহিছে । যিহেতু আজিৰ পৃথিৱীখন ইলেক্ট্ৰনিক কৌশলৰ পৃথিৱী, গতিকে ৰেকৰ্ড ৰখা, পঞ্জীয়ন কৰা সকলোবোৰ স্মাৰ্ট ফোনেৰেহে কৰা হয়। গতিকে প্ৰয়োজন বুলি ভাবিয়েই এতিয়া চৰকাৰে দ্বিতীয় পৰ্যায়ত অংগনৱাড়ী কৰ্মীসকলক স্মাৰ্ট ফোন প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। এটি শিশুই মাকৰ কোলাতেই কথা ক'বলৈ শিকে ।মাকৰ পৰাই শিশোৱে জীৱনৰ প্ৰথম শিক্ষা গ্ৰহণ কৰে। গতিকে মহিলাসকলক আগুৱাই নিয়াৰ বাবে চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ দিছে, উজ্জ্বলা যোজনাৰ গেছ দিছে, জল জীৱনৰ খোৱাপানী দিছে, ৰেচনৰ চাউল দিছে, আয়ুষ্মান কাৰ্ড দিছে চিকিৎসাৰ বাবে, অনাময় শৌচাগাৰ দিছে, ক্ষুদ্ৰ ঋণ মুক্ত কৰি দিছে চৰকাৰে। আজিৰ স্মাৰ্ট ফোন প্ৰদানৰ সভাত বঙাইগাঁও বিধান সভা সমষ্টিৰ বিধায়িকা দিপ্তীময়ী চৌধুৰীৰ উপস্থিতিত জিলা আয়ুক্ত নৱদ্বীপ পাঠকে আদৰণি ভাষণ দিয়ে। বঙাইগাঁও পৌৰসভাৰ অধ্যক্ষ সুবোধ চন্দ্ৰ দাসেও আজিৰ সভাত বক্তব্য ৰাখে। অনুষ্ঠানৰ আঁত ধৰে সহকাৰী আয়ুক্ত ৰাজেশ সিঙে। জিলা সমাজ কল্যাণ বিষয়া জয়ন্ত কুমাৰ দাসে শলাগৰ শৰাই যাঁচে।

## দৰাবিলৰ পাৰত ৰাইজৰ "বিশ্ব পৰিৱেশ দিৱস" উদ্‌যাপন

**অসম বাৰ্তা, মিৰ্জা, ৯ জুনঃ** দক্ষিণ কামৰূপ অঞ্চলৰ উল্লেখযোগ্য আৰ্দ্ৰভূমি দৰাবিলৰ পাৰত দৰাবিল গো-চৰণীয়া পথাৰ সুৰক্ষা সমিতিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে গছপুলি ৰোপণ কৰে ক্ৰমে দৰাবিল গো-চৰণীয়া পথাৰ সুৰক্ষা সমিতিৰ সভাপতি অশ্বিনী মজুমদাৰ, প্ৰাক্তন শিক্ষক মহেশ্বৰ ঠাকুৰীয়া আৰু দক্ষিণ কামৰূপ কুমাৰ সন্মিলনৰ সভাপতি যোগেন্দ্ৰ কুমাৰে। অনুষ্ঠানত উপস্থিত দৰাবিলৰ চাৰিওফালৰ গাওঁসমূহৰ ৰাইজক উদ্দেশ্যি ভাষণ প্ৰদান কৰে দৰাবিল গো-চৰণীয়া পথাৰ সুৰক্ষা সমিতিৰ সভাপতি অশ্বিনী মজুমদাৰ, সম্পাদক কনক চন্দ্ৰ দাস, নিজামুদ্দিন আহমেদ আৰু দক্ষিণ কামৰূপ কুমাৰ সন্মিলনৰ সভাপতি যোগেন্দ্ৰ কুমাৰে। বক্তাসকলে তেওঁলোকৰ ভাষণৰ জৰিয়তে উপস্থিত ৰাইজক পৰিৱেশ দিৱসৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ লগতে দক্ষিণ কামৰূপ অঞ্চলৰ জৈৱবৈচিত্ৰ্য আৰু খিলঞ্জীয়া ভূমিপুত্ৰ গো-পালক, কৃষক, মৎসজীৱী ৰাইজ, মৃতশিল্পী ৰাইজ তথা সৰ্বসাধাৰণ ৰাইজৰ সুস্থ ভৱিষ্যতৰ স্বাৰ্থত দৰাবিল আৰু ইয়াৰ সংলগ্ন গো-চৰণীয়া পথাৰ প্ৰাকৃতিকভাৱে জীয়াই ৰাখিব লাগিব বুলি কয়। বক্তাসকলে চৰকাৰ প্ৰশাসনে দৰাবিল আৰ্দ্ৰভূমিৰ এক গুৰুত্বপূৰ্ণ অংশ গো-চৰণীয়া পথাৰৰ ১৫০ বিঘা ভূমি সংৰক্ষণমুক্ত কৰি এ আই দি চি লিমিটেডৰ দ্বাৰা এম/এছ নিউ কলকাতা ইণ্টাৰণেশ্বনেল ডেভলপমেণ্ট প্ৰাইভেট লিমিটেডক ল'জিষ্টিক পাৰ্ক নিৰ্মাণৰ বাবে দিব বিচৰা প্ৰস্তুতিক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। উপস্থিত সচেতন ৰাইজেও কোনোপধ্যেই বিলৰ পথাৰত উদ্যোগ স্থাপন হ'বলৈ দিয়া নহব আৰু প্ৰয়োজনত সকলো ধৰণৰ প্ৰচেষ্টাৰে ৰাইজে ইয়াৰ প্ৰতিৰোধৰ বাবে আগবাঢ়িব বুলি মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানৰ শেষত উপস্থিত ৰাইজে হাতে হাতে পে-কাৰ্ড লৈ দৰাবিল ৰক্ষা কৰক, গো-চৰণীয়া পথাৰ ৰক্ষা কৰক, শিহুৰ বাসস্থান ৰক্ষা কৰক, শগুণৰ বাসস্থান ৰক্ষা কৰক, দৰাবিলৰ জৈৱবৈচিত্ৰ্য ৰক্ষা কৰক, গো-পালক ৰাইজক ৰক্ষা কৰক, মৎসজীৱী ৰাইজৰ জীৱিকা ৰক্ষা কৰক, মৃতশিল্পী ৰাইজৰ জীৱিকা ৰক্ষা কৰক, কৃষক ৰাইজক ৰক্ষা কৰক, দৰাবিল গো-চৰণীয়া পথাৰ সুৰক্ষা সমিতি জিন্দাবাদ আদি শেগান দিয়ে। দৰাবিল গো-চৰণীয়া পথাৰ সুৰক্ষা সমিতিৰ তৰফৰ পৰা দৰাবিলৰ চাৰিওফালে বাস কৰা প্ৰতিজন নাগৰিক তথা সচেতন ৰাইজে প্ৰকৃতি আৰু মানুহৰ সেউজ ভৱিষ্যতৰ স্বাৰ্থত দল, মত, ব্যক্তিস্বাৰ্থ পাহৰি একতাৰে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

## ডিব্ৰুগড়ত আড়ম্বৰপূৰ্ণভাৱে "আজিৰ সংবাদ"ৰ ৫ম বৰ্ষপূৰ্তি অনুষ্ঠান-উদ্‌যাপন বিশিষ্ট ব্যক্তিৰ অংশ গ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ জুন ঃ** পাঁচ বছৰৰ পূৰ্বে -৫ জুনৰ আজিৰ দিনটোতে যাত্ৰা আৰম্ভ হৈছিল ডিজিটেল সংবাদ মাধ্যম 'আজিৰ সংবাদ'। ৰাইজৰ সেৱাত উৎসৰ্গিত 'আজিৰ সংবাদ' মাধ্যমৰ পাঁচ বছৰ সম্পূৰ্ণ হোৱা শুভক্ষণত ডিব্ৰুগড়ত পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠান উদাপন কৰা হয় ।সুস্থ আৰু প্ৰগতিশীল সমাজ গঢ়ি তোলাৰ লগতে শান্তিকামী আৰু সচেতন জনসাধাৰণৰ কাষত অৱস্থান কৰি সত্যনিষ্ঠ তথ্য সংগ্ৰহ কৰি বিভিন্ন বা-বাতৰি পৰিৱেশনৰ জৰিয়তে 'আজিৰ সংবাদ" গোষ্ঠীয়ে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে । শিৱসাগৰত ৫ জুনত প্ৰতিষ্ঠা লাভকৰা ডিজিটেল মাধ্যমটিয়ে প্ৰতিষ্ঠাৰ দিনৰ পৰাই ক্ৰমাৎ স্ব-গৰিমাৰে উজলি উঠা "আজিৰ সংবাদে" পঞ্চম বৰ্ষ সফলতাৰে অতিক্ৰম কৰি ষষ্ঠ বৰ্ষত পদাৰ্পণ কৰিলে। বিগত বৰ্ষসমূহৰ দৰেই এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে পঞ্চম সংখ্যক প্ৰতিষ্ঠা দিৱসটি ৫ জুনত ডিব্ৰুগড় জীৱন ফুকন নগৰস্থিত চৰকাৰী পেন্সনাৰ ভৱনত অনুষ্ঠিত হয়। পুৱাৰ ভাগত বৃক্ষৰোপণ কৰে -জ্যেষ্ঠ নাগৰিক তথা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদুল শৰ্মাই । অন্যান্য কাৰ্যসূচী অনুসৰি 'আজিৰ সংবাদ' পৰিয়ালবৰ্গৰ সৈতে অন্তৰংগ মত-বিনিময় অনুষ্ঠান সম্পন্ন হয়। আজিৰ সংবাদৰ মুখ্য সম্পাদক অভিজিৎ দুৱৰাই আতঁধৰা অনুষ্ঠানত অসমৰ ভিন্ন প্ৰান্তত নিয়োজিত আজিৰ সংবাদৰ সাংবাদিকসকল উপস্থিত থাকে। দিনৰ ১২.৩০ বজাৰ পৰা আজিৰ সংবাদ মাধ্যমৰ আলোক যাত্ৰা মূল কাৰ্যসূচী - বন্তি প্ৰজ্বলনে শুভাৰম্ভণি হয়। অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰে ডিব্ৰুগড় পৌৰ-নিগমৰ মেয়ৰ ডা: চৈকত পাত্ৰ, অসম চিকিৎসা মহাবিদ্যালয় অধ্যক্ষ, ডাঃ সঞ্জীৱ কাকতি, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় পঞ্জীয়ক ডঃ পংকজ বৰঠাকুৰ আৰু অসম আদিত্য কাকতৰ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই। একেটা অনুষ্ঠানতে এখনি গুৰুত্বপূৰ্ণ মুকলি সভা অনুষ্ঠিত হ'য়। প্ৰশান্ত শইকীয়া আৰু গোবিন্দ ভূঞাই আঁতধৰা অনুষ্ঠানৰ মুকলি সভাত সাংস্কৃতিক কাৰ্যসূচীত বহু কেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে । সভাত আদৰণী ভাষণ আগবঢ়ায় আজিৰ সংবাদৰ পৰিচালন অংশীদাৰী অনন্ত ভূঞাই । সভাত বিশিষ্ট অতিথি ৰূপে , ডিব্ৰুগড় জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ সহ: সম্পাদক অনুপজ্যোতি ভূঞা,বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সম্পাদক, ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ মুখ্য-পত্ৰিকা সম্পাদক, গল্পকাৰ মিলন সভাৰ সম্পাদক,লোক নিৰ্মান বিভাগৰ অধীক্ষক অভিযন্তা প্ৰশান্ত শইকীয়া, ডিব্ৰুগড় লায়ন্স ক্লাবৰ সভাপতি ৰক্তিম গগৈ, কবি,লেখক সমাজসেৱক কুশল কোঁৱৰকে প্ৰমুখ্য কৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে । সভাৰ আৰম্ভণিতে জুলী দত্ত আৰু পৰিমল বৰাই এটি বৰগীত পৰিৱেশনৰে আৰম্ভ কৰা সাংস্কৃতিক শিতানত নৱ প্ৰজন্মৰ শিল্পী আকাংক্ষা প্ৰাপ্তি, ৰতন গগৈ প্ৰমুখ্যে আন ভালেকেইগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰাৰ লগতে মানকটা শাখা সাহিত্য সভাৰ সম্পাদক কুসুম সোনোৱালে কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত গৰিষ্ঠ সংখ্যক শুভাকাংশী ৰাইজ উপস্থিত থাকে।

## প্ৰাক্তন বৃটিছ সেনা বিষয়া, সমাজকৰ্মী, কৃষক মুক্তিৰ প্ৰতিষ্ঠাপক উপদেষ্টা টেপুৰাম শইকীয়াৰ পৰলোক

**অসম বাৰ্তা, আমগুৰি, ৯ জুন ঃ** অলপতে পুঁৱতি নিশা ১০৮ বছৰ বয়সত যোৰহাট জিলাৰ ভূঞাহাট দলৌ গাঁৱৰ বাসিন্দা, বিশিষ্ট সমাজকৰ্মী, স্বাধীনতাৰ পূৰ্বৰ বৃটিছ চৰকাৰৰ অধীনৰ সেনা বাহিনীৰ প্ৰাক্তন বিষয়া টেপুৰাম শইকীয়াৰ মৃত্যু হয় । প্ৰচুৰ অধ্যয়নশীল, স্পষ্টবাদী, ধৰ্মপ্ৰাণ ব্যক্তি টেপুৰাম শইকীয়াই বৃটিছৰ আমোলত আগতেই বৃটিছ সেনা বাহিনীৰ স্কাউট বাহিনীত স্বেচ্ছাসেৱক হিচাপে মকৰল হৈছিল। ইয়াৰ পিছতে ১৯৪৩ চনত টোকলাইত থকা বৃটিছৰ এজন বিষয়াৰ যোগেদি সেনা বাহিনীত যোগদান কৰে। বৃটিছ সেনাৰ বিষয়া টেপুৰাম শইকীয়াই পাকিস্তান, বেলুচিস্তান আদিত সেৱা আগবঢ়াই সেনাৰ চাকৰি কৰি অৱশেষত ১৯৬০ চনত সেনা বাহিনীৰপৰা অৱসৰ গ্ৰহণ কৰে। ইয়াৰ পিছত বাঙ্গালোৰত ভাৰত চৰকাৰৰ অধীনত মিলিটাৰী ইঞ্জিনিয়াৰিং চাৰ্ভিচত যোগদান কৰিছিল। অৱসৰৰ পিছত টেপুৰাম শইকীয়াই মৰিয়ণি সমষ্টিৰ অত্যন্ত পিছপৰা অঞ্চল জাঁজী নদীৰ কায়ৰীয়া হাতীমুৰীয়া, দলৌ গাঁৱৰ বিদ্যু যোগান ব্যৱস্থা, জলসিঞ্চন আঁচনি স্থাপন, গৰাখহনীয়া ৰোধ আদি উন্নয়নমূলক কাম সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। স্থানীয় নামঘৰ উন্নয়নৰ সৈতেও প্ৰয়াত শইকীয়া বিশেষভাৱে জড়িত আছিল। এজন সফল কৃষক হিচাপে ১৯৮২-৮৩ চনত ৰাইজৰ সহযোগত তোলা প্ৰৱল দাবীৰ বাবে সেই সময়ৰ মৰিয়নিৰ বিধায়ক গজেন তাঁতীয়ে অঞ্চলটোত জলসিঞ্চন আঁচনি স্থাপন কৰিবলৈ বাধ্য হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ এজন নিষ্ঠাৱান সেৱক তথা জিলাৰ বিষয়ববীয়া, কৃষক মুক্তিৰ প্ৰতিষ্ঠাপক উপদেষ্টা, আমগুৰি কলেজৰ পৰিচালনা সমিতিৰ সদস্য, লাহিং মৌজাৰ শ্ৰীমন্ত শঙ্কৰদেৱ জন্মোৎসৱ সমিতিৰ কাৰ্য্যনিৰ্বাহক আছিল। আমগুৰিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত সক্ৰিয়ভাৱে জড়িত শইকীয়া এজন প্ৰবল জাতীয়তাবাদী ব্যক্তি আছিল । তেখেতে কা বিৰোধী আন্দোলনকে ধৰি আমগুৰিৰ বিভিন্ন ৰাজহুৱা সমস্যাৰ বেলিকা ৰাইজ তথা দল-সংগঠনৰ সৈতে সহযোগ কৰাৰ লগতে সততে দৰিদ্ৰ লোকৰ প্ৰতি সহায়ৰ হাত আগবঢ়াইছিল। তেখেতৰ মৃত্যুত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ চেলেং আঞ্চলিক, লাহিং শ্ৰীমন্ত শঙ্কৰদেৱ জন্মোৎসৱ সমিতি, অৱসৰপ্ৰাপ্ত সেনা বিষয়াকে ধৰি স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অলেখ ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত টেপুৰাম শইকীয়াই তিনিজন পুত্ৰ, এগৰাকী বিবাহিতা কন্যা, বোৱাৰী ,জোঁৱাই, নাতি-নাতিনী সহ বহু আত্মীয় এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে ।

### অনুপমা অঞ্জলি মাহেকীয়া আলোচনীৰ প্ৰশংসনীয় পদক্ষেপ

## দুই ছাত্ৰক উৎসাহিত কৰাৰ প্ৰয়াস

**অসম বাৰ্তা, মিৰ্জা, ৯ জুন ঃ** বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি অনুপমা অঞ্জলি মাহেকীয়া আলোচনীৰ উদ্যোগত দক্ষিণ কামৰূপৰ মিৰ্জাত এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। বিশ্ব পৰিবেশ দিৱস উপলক্ষে প্ৰথমে বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰা হয় ।গছপুলি ৰোপণ কৰে ক্ৰমে নৱাৰুণ পাব্লিক বিদ্যালয়ৰ অধ্যক্ষ বিপুল মহন্ত,অনুপমাৰ মুখ্য সম্পাদক ডঃ শেৱালি দাস কলিতা ,আন্তঃ ৰাষ্ট্ৰীয় মহিলা ৰেফাৰী ৰূপা দাস ঠাকুৰীয়াৰ লগতে এই অঞ্চলৰ আন মহিলাসকলে ।ইয়াৰ পিছত ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ দুই ছাত্ৰৰ মাজত ইউনিফৰ্মৰ বাবে আৰ্থিক সাহায্য প্ৰদান কাৰ্যসূচী সমাপন কৰা হয় ।উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মিৰ্জা নৱাৰুণ পাব্লিক স্কুলৰ অধ্যক্ষ বিপুল মহন্ত,অনুপমা অঞ্জলি মাহেকীয়া আলোচনীৰ মুখ্য সম্পাদক ডঃ শেৱালি দাস কলিতা,ইনফোটেইণ্টমেন্ট ২৪ পোৰ্টেলৰ স্বত্বাধিকাৰ মিতু দাস,অনুপমাৰ সহঃ সম্পাদক তথা অংগনবাড়ী কৰ্মী ও আন্তঃৰাষ্ট্ৰীয় মহিলা ৰেফাৰী ৰূপা দাস ঠাকুৰীয়াৰ লগতে আন আন কেবাগৰাকীও বিশিষ্ট লোক ।হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ দুজনক সাহায্য প্ৰদান কৰে অনুপমা অঞ্জলি মাহেকীয়া আলোচনীৰ মুখ্য সম্পাদক ডঃ শেৱালি দাস কলিতাই। উক্ত অনুষ্ঠান অংশ লোৱা প্ৰতি গৰাকী বিশিষ্ট ব্যক্তিয়ে অনুপমা অঞ্জলি মাহেকীয়া আলোচনীৰ এইঞ্জ পদক্ষেপৰ ভূঁয়সী প্ৰশংসা কৰাৰ লগতে আলোচনী খনৰ মুখ্য সম্পাদক ডঃ শেৱালী দাস কলিতাক শুভ কামনা জ্ঞাপন কৰে।

## বঙাইগাঁও জিলাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ত বাণিজ্য দিৱস উদযাপন

**অসম বাৰ্তা, বঙাইগাঁও, ৯ জুন ঃ** বঙাইগাঁও জিলাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ কমাৰ্চ ফ'ৰামৰ উদ্যোগতযসদাগৰ ভোলানাথ বৰুৱাৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি বাণিজ্য দিৱস উদযাপন কৰা হয় । উক্ত অনুষ্ঠানত মুখ্য বক্তাৰূপে উপস্থিত থাকে বঙাইগাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ পি কে ধৰ ।অৱসৰপ্ৰাপ্ত অধ্যাপকগৰাকীয়ে "Act East Policy and Economic Development of North-East India" শীৰ্ষক বিষয়ৰ ওপৰত তথ্য সমৃদ্ধ বক্তব্য আগবঢ়ায়। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ফটিক চন্দ্ৰ কলিতাইও অনুষ্ঠানৰ লগত সংগতি বক্তব্য আগবঢ়ায় ।অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় ক'মাৰ্চ ফ'ৰামৰ সভাপতি ডঃ ৰাজু চুৰ্বাই । মহাবিদ্যালয়ৰ ষষ্ঠ সংখ্যক বাৰ্ষিক গৱেষণা পত্ৰিকা "PDUAMT Business Review" আৰু মহাবিদ্যালয়ৰ Prospectus খনো অনুষ্ঠানটিত উন্মোচন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বাণিজ্য)ৰ ছাত্ৰী প্ৰণামী ৰায়ে গীত পৰিৱেশন কৰাৰ পাচতে অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰে কুইজ প্ৰতিযোগিতা। প্ৰতিযোগিতাখনৰ আঁত ধৰে মহাবিদ্যালয়ৰ পৰিচালনা বিভাগৰ সহকাৰী অধ্যাপক ডঃ পৰাগ পাচনিয়ে। উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা বিভাগৰ প্ৰাচীৰ পত্ৰিকা "প্ৰৱন্ধন" খনৰো উন্মাচন কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সমন্বিতে প্ৰায় আশীৰো অধিক অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগৰ সহকাৰী অধ্যাপিকা অনন্যা দাসে আৰু শলাগৰ শৰাই আগবঢ়াই মহাবিদ্যালয়ৰ হিচাপ বিদ্যা বিভাগৰ সহকাৰী অধ্যাপিকা চয়নিকা দেৱীয়ে।

## কচুৱাত শান্তিপূৰ্ণভাৱে ঈদ-উল-জুহা উদযাপন

**অসম বাৰ্তা, কচুৱা, ৯ জুন ঃ** ইছলাম ধৰ্মালম্বী লোকে উলহ মালহৰে উদযাপন কৰে পবিত্ৰ ঈদ-উল-জুহা। দেশৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ নগাঁও জিলাৰ বৃহত্তৰ কচুৱা অঞ্চলৰ কচুৱাস্থিত ঈদগাহ ময়দানত পুৱা ৮.৩০ বজাত ,ৰজাআলি ঈদগাহ ময়দানত ৯ বজাত, বৰপানী জুৰিৰপাৰ ঈদগাহ ময়দানত ৮ বজাত সমূহীয়া ঈদৰ নামাজ সম্পন্ন কৰাৰ লগতে বিভিন্ন ঈদগাহ ময়দান আৰু মছজিদ সমূহত আটক ধুনীয়াকৈ ঈদগাহ ময়দান সজ্জিত কৰি উলহ মালহৰে উদযাপন কৰে ঈদ উল জোহাৰ সমূহীয়া নামাজ। নামাজৰ অন্তত প্ৰতিটো ঈদগাহ ময়দানঞ্জ সমূহত হাজাৰ হাজাৰ লোকৰ উপস্থিতিত বিশ্ব শান্তিৰ বাবে দোৱা অনুষ্ঠিত হয়। ইপিনে ঈদৰ দিনাই পুৱাই প্ৰতিজন ইছলাম ধৰ্মালম্বী লোকে ইজনে সিজনক ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে কচুৱা প্ৰেছ ক্লাবৰ সভাপতি বাহাৰুল ইছলাম, কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমান,সমাজ সেৱক জহুৰ আলী, উদীয়মান যুৱ নেতা মতিউৰ ৰহমানৰ লগতে বিভিন্ন জনে ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। ঈদৰ দিনা যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা, দুৰ্ঘটনাঞ্জঞ্জ সংঘটিত নহয় তাৰ প্ৰতি পুৱাই পৰা চোকা দৃষ্টি ৰাখিছে কচুৱা আৰক্ষীয়ে।

## বাক্সাৰ পমুৱা পথাৰত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভ

**অসম বাৰ্তা, বাগানপাৰা, ৯ জুন ঃ** কৃষকক কৃষি আৰু অনুসাংগিক ক্ষেত্ৰ খনক বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশত ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে আৰম্ভ কৰিছে বিকশিত কৃষি সংকল্প অভিযান । বাক্সা জিলাতো বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰ ই মে'ৰ পৰা জুনলৈ বাক্সা আৰু তামুলপুৰ জিলাত এই অভিযানৰ আৰম্ভ কৰিছে। বাক্সা জিলাৰ পমুৱা পথাৰত এই বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভ কৰা হয় । জিলা প্ৰসাশন, জিলা কৃষি বিজ্ঞান, পশু চিকিৎসা বিভাগ,মীন বিভাগ আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত আৰম্ভ কৰা এই অভিযান পতাকা জোঁকাৰি শুভাৰম্ভ কৰে বাক্সা জিলা কিষাণ মৰ্চাৰ সভাপতি শৈলেন স্বৰ্গীয়াৰীয়ে । বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° উৎপল জ্যোতি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত বাক্সা জিলা কৃষি বিষয়া ডাক্তৰ বি বি নাথ, বাক্সা জিলা মীন বিষয়া গোবিন্দ বসুমতাৰী,অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নলবাৰী উদ্যান শস্য মহাবিদ্যালয়ৰ অধ্যাপক ডঃ মনোজ ভূঞা আৰু শিখা ডেকা প্ৰমুখ্যে বাক্সা কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী সকলে অংশগ্ৰহণ কৰে ।অনুষ্ঠানটোত অঞ্চলৰ দুই শতাধিক কৃষক উপস্থিত থাকে। উল্লেখযোগ্য যে, এই অভিযানত ভাৰত চৰকাৰৰ অন্যান্য অভিলাষী আঁচনি সমূহৰ বিষয়ে অৱগত কৰোৱা, কৃষি খণ্ডৰ বিভিন্ন দিশৰ কৃষক সকলৰ মতামত সংগ্ৰহ কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। বাক্সা আৰু তামুলপুৰ জিলাৰ ছয়টা উন্নয়ন খণ্ডৰ ৫৬ খন গাঁৱক সামৰি লোৱা হ'ব।

## দ্বিতীয় বৈকুণ্ঠলৈ পৰিনত দেৰগাঁও টাউন চৰাই নামঘৰ

**অসম বাৰ্তা, দেৰগাঁও, ৯ জুন ঃ** ২৩ জেঠ শনিবাৰে দেৰগাঁও টাউন চৰাই নামঘৰত আধ্যাত্মিক পৰিৱেশৰ মাজেৰে ভক্তি ৰসৰ সৃষ্টি হয়। হৰি নামৰ অমিয়া সুৰেৰে জীপাল হোৱা দেৰগাঁৱৰ চৰাই গাঁৱৰ নামঘৰত অনুষ্ঠিত হৈছে কৃষিভিত্তিক ৰাইজৰ এক আধ্যাত্মিক উৎসৱ বাৰ্ষিক বৰসবাহ। পাঁচ কুৰীৰ ও অধিক ভকতে অংশ লৈছে এই বৰসবাহৰ নাম প্ৰসংগত ।গাঁও খনৰ প্ৰায় ৩০০ পৰিয়ালৰ সহযোগঞ্জত দ্বিতীয় বৈকুণ্ঠলৈ পৰিনত হৈছে এই সমগ্ৰ অঞ্চলটো। প্ৰায় দুই কুইন্টল পিঠাগুড়ি আৰু আঢ়ৈ কুইন্টল গুৰেৰে প্ৰস্তুত কৰা হৈছে পকা মিঠৈ। বৰসবাহৰ ধৰ্মীয় কাৰ্যসূচীৰ অন্তত স্থানীয় সমাজকৰ্মী দেৰগাঁও সাহিত্য সভাৰ সম্পাদক বিচিত্ৰ ভূষণ কলিতাই আঁতধৰা সম্বৰ্দ্ধনা অনুষ্ঠানত গাঁও খনৰ বিভিন্ন ক্ষেত্ৰত আগবঢ়া প্ৰায় ৩০ জন ছাত্ৰ-ছাত্ৰীক জনোৱা হয়। নামঘৰৰ প্ৰাঙ্গনত প্ৰায় ৮০০ ভকত বৈষ্ণৱে একেলগে বঢ়ি প্ৰসাদ গ্ৰহণ কৰে।

## শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত বিশ্ব ধঁপাত বিৰোধী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ৯ জুন ঃ** শিৱসাগৰ জিলাৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ নতুন আলোচনা কক্ষত আজি বিশ্ব ধপাঁত বিৰোধী দিৱস উপলক্ষে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। সজাগতা সভাৰ আৰম্ভণি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথে। অধ্যক্ষ নাথে ছাত্ৰ ছাত্ৰী সকলক ধপাঁতৰ অপকাৰিতাৰ ওপৰত চমু মন্তব্য আগবঢ়ায় লগতে ছাত্ৰ ছাত্ৰী সকলক ধপাঁত জাতীয় সামগ্ৰীৰ সেৱন কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক ৰফিসিং মৰাণে। সভাত ছাত্ৰ ছাত্ৰী সকলক এইবাৰৰ ধপাঁত বিৰোধী দিৱসৰ মূল বিষয়ৰ ওপৰত আলোচনা কৰে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া ড০ পাপু কুমাৰ ঙাটেই। "উজ্জ্বল সামগ্ৰী, অন্ধকাৰ উদ্দেশ্য" কিদৰে ধপাঁত জাতীয় প্ৰস্তুত কৰা বাণিজ্যিক উদ্যোগ সমূহে ক্ৰীড়া, চলচ্চিত্ৰ ক্ষেত্ৰৰ তাৰকা সকলৰ জৰিয়তে আকৰ্ষণীয় বিজ্ঞাপন প্ৰস্তুত কৰি যুৱ-যুৱতী সকলক কিদৰে প্ৰলোভিত কৰি, মাৰাত্মক দ্ৰব্য সমূহ বিক্ৰী কৰি আছে তাৰ ওপৰত বক্তব্য ৰাখে। নতুন নতুন ধপাঁত জাতীয় সামগ্ৰী প্ৰস্তুত কৰি, প্ৰচাৰৰ মাজেৰে কেনেকৈ নতুন প্ৰজন্মক অন্ধকাৰ ভৱিষ্যতলৈ লৈ গৈছে তাৰ ওপৰত বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্যৰ উদ্ধৃতিৰে আলোকপাত পাত কৰে। বক্তব্যৰ পাছত ছাত্ৰ ছাত্ৰী সকলৰ প্ৰশ্ন উত্থাপনৰ উত্তৰ প্ৰদান কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱক ৰঞ্জন কাকতিয়ে শলাগৰ শৰাইৰে সভাখনৰ সামৰণি পৰে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানৰ আঁত ধৰে স্বেচ্ছাসেৱক প্ৰাচুৰ্য গগৈয়ে।

### সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থা ধেমাজি জিলা সমিতিৰ সম্বৰ্ধনা অনুষ্ঠান

# বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীয়ে একবিংশ শতিকাৰ দক্ষতা আয়ত্ত কৰিব লাগিব ঃ ডাঃ ৰণোজ পেগু

**অসম বাৰ্তা, ধেমাজি, ৯ জুন ঃ** যোৱা শনিবাৰে সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ ধেমাজি জিলা সমিতিৰ উদ্যোগত ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এখনি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়।এই সম্বৰ্ধনা অনুষ্ঠানত ২০২৩-২০২৪ আৰু ২০২৪-২০২৫ বৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সোনোৱাল জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়।এই সম্বৰ্ধনা অনুষ্ঠানতে কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত বক্তব্য আগবঢ়ায় নৰ্থ বেংক কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডং লৱ ৰাম সোনোৱালে। ডং লৱ ৰাম সোনোৱালে কয় যে-আমি সদায়ে কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত গুৰুত্ব দিব লাগিব। মেট্ৰিকত ৯০ শতাংশ পালেই যে পাছৰ পৰ্যায়ত সেই একেই নম্বৰ পাব তাক সঠিককৈ ক'ব নোৱাৰি। ছাত্ৰ-ছাত্ৰীসকল কোনটো দিশত পঢ়িলে ভৱিষ্যত উজ্জ্বল হ'ব সেই পথ দেখুৱাব লাগিব অভিভাৱকসকলে। ৮০ শতাংশ পালেই যে অভিভাৱকসকলে বিজ্ঞান শাখাত নামভৰ্ত্তী কৰি দিব সেইয়া ভুল।ছাত্ৰ-ছাত্ৰীসকলে কি পঢ়িব বিচাৰে তাক সুধিহে সিদ্ধান্ত লোৱাটো ভাল। মেট্ৰিকত ভাল ফলাফল দেখুৱালে বুলিয়ে সিহঁতে যি বিচাৰে তাকে অভিভাৱকসকলে দি দিয়াটো অনুচিত। অভিভাৱকসকল সদায় সচেতন হ'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক অভিভাৱকসকলে মানৱীয় মূল্যবোধ কি শিকাব লাগিব।এই অনুষ্ঠানতে প্ৰভাতী সূৰুজ নামৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়।গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট লেখিকা নিবেদিতা বড়া সন্দিকৈয়ে।উল্লেখ্য যে,সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ ধেমাজি জিলা সমিতিয়ে এই গ্ৰন্থখনি প্ৰতিবছৰে প্ৰকাশ কৰি আহিছে। গ্ৰন্থখনিত ২০২৩-২০২৪ আৰু ২০২৪-২০২৫ বৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচয় সন্নিৱিষ্ট হৈছে।এই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকি অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে- একবিংশ শতিকাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে একবিংশ শতিকাৰ দক্ষতা আয়ত্ত কৰিব লাগিব। এই একবিংশ শতিকাৰ দক্ষতা কিতাপত বা পাঠ্যক্ৰমত পোৱা নাযায়।পাঠ্যক্ৰমৰ বৰ্হিভূত জ্ঞান প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব লাগিব।বৰ্তমান সময়ত স্বাক্ষৰতা বুলিলে কেৱল লিখিব-পঢ়িব জনা টোকে নুবুজায়, লগতে একবিংশ শতিকাৰ দক্ষতাও থকাতো বুজায়।একবিংশ শতিকাৰ দক্ষতা বুলিলে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো বিষয়ক সমালোচনামূলক দৃষ্টিভংগীৰে চিন্তা কৰিব পৰা দক্ষতা, কিবা এটা সৃষ্টি কৰিব পৰা দক্ষতা, সহযোগিতা কৰিব জনা দক্ষতা,ভালকৈ ক'ব পৰা দক্ষতা থাকিব লাগিব। অন্যহাতে,সোনোৱাল কছাৰী স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্য্যবাহী টংকেশ্বৰ সোনোৱালে অনুষ্ঠানত উপস্থিত থাকি স্বায়ত্ত্ব পৰিষদ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক কেনেকুৱা ধৰণৰ সুবিধা দি থকা হৈছে তাৰ ওপৰত আলোকপাত কৰে। বৰ্তমান সময়ত বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ সুবিধা থকাৰ বিষয়ে বক্তব্যত উল্লেখ কৰে।এই অনুষ্ঠানত ধেমাজি জিলাৰ সোনোৱাল জনগোষ্ঠীৰ ৫০১ গৰাকী ছাত্ৰ-ছাত্ৰী, তেওঁলোকৰ অভিভাৱক, সদৌ অসম ছাত্ৰ সন্থাৰ ধেমাজি জিলা সমিতিৰ বিষয়ববীয়া,সদৌ অসম সোনোৱাল কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দেবানন্দ চেলেঙ,সম্পাদক পৰীক্ষিত সোনোৱাল,উপ-সভাপতি ৰাজু সোনোৱাল, প্ৰচাৰ সম্পাদক প্ৰশান্ত বড়া,সাংগঠনিক সম্পাদক চন্দন সোনোৱাল,বাটঘৰীয়া সমষ্টিৰ সদস্যা নন্দিনী ডেকা,সোনোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক মৃদুল সোনোৱাল আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ উন্নয়নৰ বাবে ভাল-ভাল পৰিকল্পনা কৰি থকাৰ কথা জানিবলৈ দিয়ে ধেমাজি জিলা সমিতিৰ সভাপতি মৃদুপৱন সোনোৱাল আৰু সম্পাদক দুলেন সোনোৱালে।



# পশ্চিম নলবাৰীৰ গন্ধিয়াত ২৫ কোটি ৩৩ লাখ টকীয়া অক্ষয় পাত্ৰ ৰান্ধনীশালৰ শিলান্যাস স্থাপন মুখ্যমন্ত্ৰীৰ

**অসম বাৰ্তা, চামতা, ৯ জুন ঃ** নলবাৰীৰ গন্ধিয়াত উপস্থিত মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মা।গন্ধিয়াত মধ্যাহ্ন ভোজনৰ অক্ষয় পাত্ৰৰ ৰান্ধনী গৃহৰ ভূমি পূজনত অংশ লয় মুখ্যমন্ত্ৰী চাই হিমন্ত বিশ্ব শৰ্মাই ।মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই কোৰ মাৰি ভূমি পূজনৰ শুভাৰম্ভ কৰে।২৫০০০ ছাত্ৰ ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজন নিৰ্মাণ কৰিব পাৰিব এই অক্ষয় পাত্ৰৰ ৰান্ধনী গৃহত।গন্ধিয়াত মধ্যাহ্ন ভোজনৰ অক্ষয় পাত্ৰৰ ৰান্ধনী গৃহৰ নিৰ্মাণ কাৰ্য্য ঠিকাদাৰ জনক ভালদৰে কৰিবলৈ আহ্বান জনায় মুখ্যমন্ত্ৰীয়ে । বাংগালোৰত মধ্যাহ্ন ভোজনৰ ৰান্ধনী ঘৰ দেখি অভিভূত হৈছিল মুখ্যমন্ত্ৰী গৰাকী প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ চৰকাৰৰ সময়তে শিক্ষামন্ত্ৰীৰ দায়িত্বত থকা ডঞ্জহিমন্ত বিশ্ব শৰ্মাই নিজৰ সমষ্টি জালুকবাৰীত চেন্ট্ৰেল পাকঘৰ নিৰ্মাণ কৰি বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্তীসময়ত গুৱাহাটীৰ প্ৰতিটো সমষ্টিত এই চেন্ট্ৰেলাইজ পাকঘৰৰ জড়িয়তেই এক পদ্ধতি গত মাধ্যমেৰে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা কৰিছিল। আজি নলবাৰী জিলাৰ নৱগঠিত টিহু সমষ্টিৰ জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰ গন্ধিয়াত চেন্ট্ৰেলাইজ পাকঘৰৰ আধাৰশিলা স্থাপন কৰি এক সুস্থ শৈক্ষিক পাৰিপাৰ্শ্বিকতাৰ পৰিৱেশ সৃষ্টিৰ আশাৰে ২৫ কোটি টকীয়া পাকঘৰত ২৫ হেজাৰ ছাত্ৰ ছাত্ৰীৰ খাদ্য বনোৱা হব। গন্ধিয়াৰ পৰা নলবাৰী জিলাৰ উপৰিও বা'ী আৰু তামুলপুৰৰ একাংশ প্ৰাথমিক, মজলীয়া, হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্কুল আৰম্ভ হোৱাৰ লগে লগে স্কুলত ছাত্ৰ ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজন যোগান ধৰা হব ।সম্পুৰ্ণ মেচিনৰ জড়িয়তেই এই ৰান্ধনীশাল কাম চলিব যদিও ইয়াত স্হানীয় লোকসকলৰ সহায়ৰ প্ৰয়োজন হব । এই অনুষ্ঠানৰ জড়িয়তেই গন্ধিয়াৰ পৰিৱেশ আধ্যাত্মিক দিশটোৰ ওপৰতো প্ৰভাৱ পৰিব বুলিও মুখ্যমন্ত্ৰী গৰাকীয়ে দাবী কৰে ।গন্ধিয়াৰ দৰে জ্যোতিষ চৰ্চাৰ প্ৰাণকেন্দ্ৰৰ আধ্যাত্মিক ঠাইত এই ৰান্ধনী ঘৰ বনোৱাত সুবিধা কৰি দিয়া বাবে চন্দ্ৰমোহন পাটোৱাৰীৰ শলাগ লয় মুখ্যমন্ত্ৰীয়ে । ২৫ কোটি ৩৩ লাখ ৯০ হেজাৰ টকা খৰচ হব এই ৰান্ধনী ঘৰ নিৰ্মাণত।এই ৰান্ধনীশালত অকল মধ্যাহ্নভোজনৰ কামে নহয় জিলা উপায়ুক্তই বিশেষ মিটিঙ বা চৰকাৰী মিটিঙৰ বাবে খাদ্যও বনাব । কামটো ভাল হোৱাৰ আশা কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী জয়ন্ত মল্ল বৰুৱাক চোৱা চিতা কৰাৰ আহ্বান মুখ্যমন্ত্ৰীয়ে ।অনুষ্ঠানত স্হানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহনপাটোৱাৰী, জয়ন্তমল্ল বৰুৱা,বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফনীভূষণ চৌধুৰী, নলবাৰী জিলা আয়ুক্ত বৰ্নালী ডেকা , চন্দন শৰ্মা উপস্থিত থাকে ।সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে অনাগত নিৰ্বাচনত UPPL আৰু BPF দলৰ লগত বন্ধুত্ব পূৰ্ণ ভাবে নিৰ্বাচনত অংশগ্ৰহণ কৰিব বুলি জনায়।

# বিশ্ব পৰিৱেশ দিৱসৰ সজাগতা কাগজত সীমাবদ্ধ, বাস্তৱত ব্যৰ্থ প্ৰয়াস

**অসম বাৰ্তা, তামাৰহাট, ৯ জুন ঃ** প্ৰতিবছৰে ৫ জুন বিশ্বজুৰি উদযাপন হোৱা বিশ্ব পৰিবেশ দিৱসৰ উদ্দেশ্য হ'ল মানৱ জাতিক প্ৰাকৃতিক পৰিবেশৰ সংৰক্ষণৰ বিষয়ে সচেতন কৰা, বনাঞ্চল, জলাশয়, জীৱবৈচিত্ৰ্য্য আৰু প্ৰাকৃতিক সম্পদৰ ৰক্ষা নিশ্চিত কৰা।এই দিৱস উপলক্ষে চৰকাৰী আৰু বেচৰকাৰীভাৱে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়, সংবাদপত্ৰ, টেলিভিছন আৰু সামাজিক মাধ্যমত সচেতনতামূলক প্ৰচাৰ চলোৱা হয়। কিন্তু এই সমগ্ৰ ব্যৱস্থাটো বহু ক্ষেত্ৰত লোক দেখুৱা কাৰ্যক্ৰমত পৰিণত হৈ পৰিছে। বাস্তৱক্ষেত্ৰত বনাঞ্চল উজাৰি পাহাৰ কটা, নদী-জলাশয় ভৰাই খেতি বা ঘৰ নিৰ্মাণ কৰা, আৰু ডাঙৰ ডাঙৰ গছবোৰ কাটি পেলোৱাৰ দৰে কাৰ্য অব্যাহত আছে। চহৰ বিস্তাৰ আৰু শিল্পায়নৰ নামত বনসম্পদ ধ্বংস কৰা হৈছে, ফলত উষ্ণতা বৃদ্ধি, বৰষুণৰ পৰিমাণ হ্ৰাস, জলবায়ু পৰিৱৰ্তন আদিৰ ভয়ংকৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। বিশ্ব পৰিবেশ দিৱস উপলক্ষে কিছু এনজিঅ' আৰু ব্যক্তি গছ পুতে, কিন্তু সেই গছবোৰ সংৰক্ষণেৰ ব্যৱস্থা নথকাৰ বাবে কিছুকালতে গৰু-ছাগলীয়ে খাই পেলায় বা জলসেচৰ অভাৱত শুকাই যায়। কেৱল ফটো তুলি সামাজিক মাধ্যমত পোষ্ট কৰি দায়িত্ব শেষ কৰা হয়, যাৰ ফলত সঁচাকৈয়ে পৰিবেশ সংৰক্ষণৰ লক্ষ্য ব্যৰ্থ হয়। স্থানীয় পৰ্যায়ত বিদ্যালয়, পঞ্চায়ত, দল-সংগঠন তথা সচেতন নাগৰিকসকলক একেলগে সত্যিকাৰ সংৰক্ষণমূলক কাৰ্য্যত আগবাঢ়িব লাগিব। বনাঞ্চল সংৰক্ষণ, জলাশয় উন্নয়ন, পাষ্টিক নিষিদ্ধকৰণ, আৰু গছ-গছনিৰ ৰোপণৰ সৈতে সংৰক্ষণকেও একে গুৰুত্ব দি ল'ব লাগিব। চৰকাৰক উচিত — পৰিৱেশ বিষয়ক আঁচনি স্থানীয় গাঁও পৰ্য্যায়লৈকে কাৰ্যকৰীভাৱে পৰিচালনা কৰা, যাতে সচেতনতাৰ লগতে ফলপ্ৰসূতা নিশ্চিত হয়। যদি এতিয়াও সময়ত এক গঠনমূলক পদক্ষেপ নলোৱা হয়, তেন্তে বিশ্ব পৰিবেশ দিৱস মাত্ৰ এটা প্ৰতীক হৈ থাকিব, আৰু প্ৰকৃতিৰ অৱক্ষয় অনিৰ্বাচনীয়ভাৱে আগবাঢ়ি থাকিব। পৰিবেশৰ সৈতে আমাদেৰ সম্পৰ্ক কৃতজ্ঞতা আৰু দায়িত্বৰে ভৰা হ'ব লাগিব, নহ'লে ভৱিষ্যৎ প্ৰজন্মক এটা অন্ধকাৰপূৰ্ণ আৰু সংকটগ্ৰস্ত পৃথিৱী এৰি যোৱাৰ সম্ভাৱনাই বেছি।

# ঈদৰ নামাজৰ পাছত আমছুৰ প্ৰতিবাদ

**অসম বাৰ্তা, বৰপেটা, ৯ জুন ঃ** ঈদুল ফিতৰৰ পৱিত্ৰ নামাজ আদায় কৰাৰ পাছতে বৰপেটাৰ বৰ আগদিয়াত অল অসম মাইনৰিটি ছাত্ৰ সংঘ (AAMSU)-ই এক বিশেষ ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী আয়োজন কৰে। কালা বস্ত্ৰ পৰিধান কৰি আৰু কালা ফ্লেকাৰ্ড লৈ এই প্ৰতিবাদত অংশ লয় সংগঠনটোৰ সদস্যসকলে। এই কাৰ্যসূচীৰ নেতৃত্ব দিয়ে AAMSU-ৰ কেন্দ্ৰীয় সভাপতি জালাল উদ্দিনে। সংগঠনটোৰ অভিযোগ অনুসৰি, "বিদেশী বিতাৰণ"ৰ নামত বহুসংখ্যক ভাৰতীয় নাগৰিক তথা সংখ্যালঘু সমাজৰ সদস্যক ভিত্তিহীনভাৱে হয়ৰানি কৰা হৈছে। তেওঁলোকে চৰকাৰৰ বিৰুদ্ধে বিভিন্ন গম্ভীৰ অভিযোগ উত্থাপন কৰে আৰু দাবী জনায় যে এই প্ৰক্ৰিয়া মানবিক আৰু সংবিধানিক ধাৰাৰ পৰিপন্থী। বিদেশী বিতাৰণৰ নামত স্বদেশী নাগৰিকৰ ওপৰত চলি থকা অত্যাচাৰ বন্ধ কৰক। অবৈধ বুলি উচ্ছেদ কৰা পৰিয়ালসমূহক যথাযথ পুনঃসংস্থাপন দিয়ক। ভোটাৰ তালিকাত ডি-ভোটাৰ চিহ্নিতকৰণ অবিলম্বে বন্ধ কৰক। এন আৰ চি (NRC) প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি চূড়ান্ত তালিকাত নাম থকা নাগৰিকক পৰিচয় পত্ৰ প্ৰদান কৰক। AAMSU-ৰ মতে, এন আৰ চিৰ চূড়ান্ত তালিকাত নাম থকা লাখ লাখ লোক আজিও স্বীকৃতি-পত্ৰ নোপোৱাত বঞ্চিত অৱস্থাত জীৱন অতিবাহিত কৰিছে। ইয়াৰ ফলত বহু লোক চৰকাৰী সেৱা, পঞ্জীয়ন, আৰু ভোটাধিকাৰৰ পৰা বঞ্চিত হৈ পৰিছে। সভাপতি জালাল উদ্দিনে সাংবাদিকৰ আগত কয়, "এই দেশত জন্ম হোৱা আৰু বাস কৰা বহুজন স্বদেশীক 'বিদেশী'ৰ তকমা দি হয়ৰানি কৰা হৈছে। বিদেশী সন্ধানৰ নামত যিসকল সঁচাকৈয়ে ভাৰতীয় নাগৰিক, তেওঁলোকেই অধিক ক্ষতিগ্ৰস্ত হৈছে। এই অবিচাৰৰ বিৰুদ্ধে আমাৰ এই প্ৰতিবাদ।" এই প্ৰতিবাদে বৰপেটা জিলা তথা সমগ্ৰ পশ্চিম অসমত এক ৰাজনৈতিক আৰু সামাজিক প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। বহু স্থানত সাধাৰণ নাগৰিকেও AAMSU-ৰ দাবীত সমৰ্থন জনাইছে বুলি জানিব পৰা গৈছে ।এই প্ৰতিবাদ এক শান্তিপূৰ্ণ, অথচ দৃঢ় বাৰ্তা বহন কৰা কাৰ্যসূচী হিচাপে পৰিগণিত হৈছে। উৎসৱৰ দিনতে এনে ধৰণৰ প্ৰতিবাদে চৰকাৰ আৰু ৰাজনৈতিক দলসমূহৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। চৰকাৰৰ পক্ষৰ পৰা এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া নাহিলেও, জনমত আৰু সামাজিক সংগঠনৰ ভূমিকা আগন্তুক দিনত গুৰুত্বপূৰ্ণ হব বুলি বিশেষকসকলে মন্তব্য কৰিছে।

# অসম নেৱাৰ সন্মিলনৰ ডিব্ৰুগড় জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ জুন ঃ** অসম নেৱাৰ সন্মিলন ডিব্ৰুগড় জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাখনি ডিব্ৰুগড় জীৱন ফুকন নগৰস্থিত চৰকাৰী পেঞ্চনাৰ সন্থাৰ ভৱনত অনুষ্ঠিত আজি (৭-৬-২৫) হয়। ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি কৃষ্ণ নেৱাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত জিলাখনৰ অন্তৰ্গত আঞ্চলিক আৰু শাখা সমিতিৰ বিষয়ববীয়াৰ লগতে প্ৰতিনিধি সকল উপস্থিত থাকে। উল্লেখযোগ্য যে অসমত প্ৰায় প্ৰতিখন জিলাতে নেপালী লোকে বসবাস কৰে। অসমৰ নেপালী ভাষীসকলক গোৰ্খা নামে পৰিচিত যদিও তেওঁলোকৰ জাতিৰ ভিতৰত কেইবাটাও -সম্পদায় গোটত বিভক্ত হৈ আছে। তাৰে ভিতৰত অন্যতম গোট হল নেৱাৰ জাতি । অসম চৰকাৰে অসমৰ নেপালীসকলক খিলঞ্জীয়া জাতিত অন্তৰ্ভুক্তি কৰা সমান্তৰাল ভাবে অসমত য'তেই নেপালী সকল স্থায়ীভাবে বসবাস কৰিছে তাতেই অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰি দিয়া হৈছে আৰু তেওঁলোকৰ ল'ৰা,ছোৱালীয়ে অসমীয়া ভাষাতেই শিক্ষা-দীক্ষা গ্ৰহণ কৰি আহিছে। আনহাতে এই নেৱাৰ জাতি বিভিন্ন সমস্যা সমাধানৰ লগতে সাহিত্য- সংস্কৃতি বিষয়ে বিশেষভাবে নৱপ্ৰজন্মৰ লগতে সমাজৰ উন্নয়নৰ বাবে গঠন হোৱা "নেৱাৰ জাতি সন্মিলনৰ সভাত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। ডিব্ৰুগড় জিলা নেৱাৰ সন্মিলনৰ সম্পাদক লোকনাথ নেৱাৰে আঁতধৰা সভাত কেন্দ্ৰীয় সমিতিৰ বিষববীয়া আৰু -মহিলা পৰিষদৰ বিষয়ববীয়া লগতে জিলা বিষয়ববীয়া সকল উপস্থিত থাকে । কেন্দ্ৰীয় সমিতিৰ সভাপতি কৃষ্ণ নেৱাৰে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিত শতাধিক প্ৰতিনিধি উপস্থিত থাকে।

# পুৰণিগুদামৰ এজন লোক ছেকেণ্ডৰাবাদত নিৰুদ্দেশ

## শোকত ভাগি পৰিছে মাতৃ

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ জুন ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত মিকিৰহাট আলিছিগা নিবাসী চুনা বৰা (৩৫) নামৰ লোকজন যোৱা ১৪ এপ্ৰিলতে ছেকেণ্ডৰাবাদ ৰে'ল ষ্টেচনৰ পৰা নিৰুদ্দেশ হয়।জানিব পৰা মতে, মিকিৰহাট আলিছিঙা নিবাসী প্ৰয়াত নৰেশ্বৰ বৰা আৰু মামণি বৰাৰ একমাত্ৰ পুত্ৰ চুনা বৰাই কৰ্মসংস্থাপনৰ বাবে বিগত ১০ মাহ পূৰ্বে তেলেঙ্গানাৰ টুকুৰগুৱাস্থিত লাচুলাকে কোম্পানী (এল পি জি টিভি)ত যোগদান কৰে। লাচুলাকে কোম্পানী (এল পি জি টিভি)ত দহমাহ মাহ দিন কাম কৰাৰ পাছত কোম্পানীটোত কাম কৰি ভাল নোপোৱাত চুনা বৰাসহ পাঁচজন কৰ্মী তাৰপৰা কাম বিচাৰি চেন্নাইলৈ যাবলৈ বুলি গুছি আহে। দুৰ্ভাগ্যজনকভাৱে পাঁচ বন্ধুয়ে যোৱা ১৪ এপ্ৰিলত ছেকেণ্ডৰাবাদ ৰে'ল ষ্টেচন পোৱাৰ পাছত চুনা বৰাৰ হাতত থকা মোবাইলটো কোনো এজনী ছোৱালীয়ে থপিয়াই নিয়ে আৰু চুনাই মোবাইল বিচাৰি চিলনী চুৰৰ পাছে-পাছে খেদি যায়। তেনে সময়তে চেন্নাইলৈ যোৱা ৰে'লখন ষ্টেচন পোৱাৰ পাছত চাৰিওজন সহযোগী বন্ধুৱে চুনাক ষ্টেচনতে এৰি চেন্নাইলৈ গুছি যায়।তেতিয়াৰ পৰা আজি বিগত ডেৰমাহে চুনাৰ কোনো শুংসূত্ৰ একো পোৱা নাই। উল্লেখ্য যে, চুনাৰ ঘৰত তেওঁৰ বৃদ্ধ মাক আৰু ৰাজ বৰা নামৰ ১৩ বছৰীয়া এটি পুত্ৰ সন্তান আছে। পুৰণিগুদাম জাতীয় বিদ্যালয়ত অধ্যয়নৰত পুত্ৰৰ পঢ়াৰ খৰচৰ লগতে ঘৰুৱা খৰচৰ বাবদ চুনাই ডাকঘৰৰ পাচবুকত অথবা মোবাইল গুগলপে'ৰ সহায়ত প্ৰতিমাহে পইচা পঠিয়াই আছিল।সম্প্ৰতি পুত্ৰক বিচাৰি মাতৃ দুখত ভাগি পৰিছে আৰু নিৰুদ্দেশ সন্দৰ্ভত ইতিমধ্যে পুৰণিগুদাম আৰক্ষী চকীত এখন এজাহাৰ দিয়া বুলি জানিব পৰা গৈছে। কোনো সদাশয় লোকে চুনাৰ সম্ভেদ পালে 8721075846 এই নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

# দলঙৰ ৰেলীং ভাঙি খাৱৈত পৰিল মাল ভৰ্তি ট্ৰাক

## ৰাষ্ট্ৰীয় পথৰ ৰাইবড়ীৰ পৰা বৰতেপুৰলৈ দুৰৱস্থা

**অসম বাৰ্তা, মিৰ্জা, ৯ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ভাগৰতীপাৰাত আজি পুৱাৰ ভাগতে এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়।প্ৰাপ্ত তথ্য অনুসৰি বঙাইগাঁওৰ পৰা গুৱাহাটী অভিমুখে আলু আৰু নহৰু কঢ়িয়াই লৈ আহি থকা এ এচ ০১ এল চি ৫০৮৬ নম্বৰৰ ট্ৰাকখন ভাগৰতীপাৰাৰ পেট্ৰল পাম্পৰ সমীপতে নিয়ন্ত্ৰণ হেৰুৱাই দলংৰ ৰেলীং ভাঙি খাৱৈত পৰে।এই ঘটনাত গুৰুতৰ ভাৱে আহত হয় ট্ৰাক খনৰ চালক আৰু হেণ্ডিমেন । লগে লগে স্থানীয় লোকৰ তৎপৰতাত আহত দুয়োজনক এম্বুলেন্সৰ সহায়ত ৰামপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্ত্তি কৰোৱা যদিও। পিছলৈ GMCH লৈ প্ৰেৰণ কৰা হয়। উল্লেখ যে ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বঙৰাৰ পৰা বৰতেজপুৰলৈ বৰ্তমান তথৈবচ অৱস্থা। পূৰ্বৰ ৰাষ্ট্ৰীয় ঘাইপথটো গুৱাহাটীৰ দিশৰ পৰা আহিলে ভিআইপি, ৰাইবড়ী, বঙৰা, মিৰ্জা, বিজয়নগৰ, ৰামপুৰ হৈ বৰতেজপুৰ আছিল যদিও পথ সম্প্ৰসাৰণ কৰাৰ বাবে বৰ্তমান সেই ঘাইপথটো গুৱাহাটীৰ দিশৰ পৰা আহিলে ৰাইবড়ীৰঞ্জ পৰা পথাৰৰ মাজেৰে বঙৰা, গোসাইহাট, তিনিআলি, খতিয়ামাৰী, সাতপখলী হৈ বৰতেজপুৰত পুনৰ সংযুক্ত হৈছে। বৰ্তমান নৱ নিৰ্মিত ৰাষ্ট্ৰীয় ঘাইপথটোৰ নিৰ্মাণ কাৰ্য চলি আছে। তাৰ বিপৰীতে পুৰণি ঘাইপথৰ বৰকুছিৰ চ'ক, মিৰ্জাৰ এম বজাৰৰ সন্মুখত, মিৰ্জা ছোৱালী হাইস্কুলৰ সন্মুখত আৰু মিৰ্জাৰ গ্ৰাম্য চিকিৎসালয়ৰ সন্মুখত বেচিকত, উপৰহালীৰ পুখুৰীপাৰত আৰু বিশেষকৈ বিজয়নগৰৰ কেইবাটাও ঠাইত তথা ভাগৰতীপাৰাত সংঘটিত হোৱা সেই পথ দুৰ্ঘটনাৰ ঠাইডোখৰত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। বহু দিন আগৰ পৰাই এই গাঁত সমূহ সৃষ্টি হোৱাৰ বাবে জমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে পথাচাৰীয়ে। প্ৰায় প্ৰতি দিনে এই গাঁত সমূহৰ বাবে সৰু বৰ পথ দুৰ্ঘটনা সংঘটিত হৈ আহিছে কিন্তু তথাপিও গা লৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ।

# আমগুৰিত অনুষ্ঠিত বিনামূলীয়া চিকিৎসা শিবিৰত শতাধিক ৰোগীক পৰামৰ্শ প্ৰদান

**অসম বাৰ্তা, আমগুৰি, ৯ জুন ঃ** আমগুৰি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত আৰু চুক্যাফা মাল্টিস্পেচিয়েলিটী হস্পিতেলৰ সহযোগত আজি এক দিনীয়া চিকিৎসা শিৱিৰ আয়োজন কৰা হয়। আমগুৰি আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত শিৱিৰৰ শুভ আৰম্ভণি কৰে বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰ কমল ফুকনে। বিনোদ শইকীয়া আৰু কাণু বৰকাকতীয়ে শিৱিৰ পৰিচালনা কৰে। চুক্যাফা মাল্টিস্পেচিয়েলিটী হস্পিতেলৰ পৰা চিকিৎসক ডাঃ হৰিশ পাল আৰু ডাঃ ৰাজেন্দ্ৰ কৈৰী সহ কেইবাগৰাকীও সহায়কাৰীয়ে চিকিৎসা শিবিৰত অংশগ্ৰহণ কৰি সেৱা আগবঢ়ায়। শিৱিৰ সময়ছোৱাত শতাধিক ৰোগীয়ে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, ৰক্তচাপ, ব্লাড চুগাৰ পৰীক্ষা, সাধাৰণ ঔষধ পৰামৰ্শ আৰু মূত্ৰতন্ত্ৰ সম্পৰ্কীয় চিকিৎসা সুবিধা লাভ কৰে। শিৱিৰত ডাঃ হেমেন গগৈ, ডাঃ বাচা বৰা আৰু ডাঃ অনিল গগৈ সহ বহুজন গণ্যমান্য ব্যক্তিও উপস্থিত থাকে। শিবিৰৰ শেষত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক সুশীল কোঁৱৰে চিকিৎসক দল আৰু সহযোগীসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। সচেতন ৰাইজে উক্ত চিকিৎসা শিৱিৰৰ জৰিয়তে স্থানীয় ৰাইজৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে।

# ভলুকাগুৰি গাঁৱৰ নামঘৰত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্ম জয়ন্তী আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ৯ জুন ঃ** মধ্য মাজুলী শংকৰদেৱ সাংস্কৃতিক সংঘৰ সৌজন্যত আলোক সন্ধানী যুৱ সমাজ, ভলুকাগুৰি ৰ সহযোগত আৰু ভলুকাগুৰি গাঁৱৰ ৰাইজৰ আতিথ্যত অহা ২৮ আৰু ২৯ জেঠ (১২ আৰু ১৩ জুন,২০২৫) তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভলুকাগুৰি গাঁৱৰ নামঘৰত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৭ তম জন্ম জয়ন্তী উপলক্ষে "নাম-ঘোষা পাঠ" আৰু মাজুলী ভিত্তিত "দিহানাম প্ৰতিযোগিতা" ৰ আয়োজন কৰিছে। ২৮ জেঠ তাৰিখে পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব মধ্য মাজুলী আঞ্চলিক শংকৰদেৱ সাংস্কৃতিক সংঘ ৰ সভাপতি দীনাৰাম বৰা আৰু আলোক সন্ধানী যুৱ সমাজ, ভলুকাগুৰি ৰ সভাপতি সমুদ্ৰ শইকীয়াই। পুৱা ৮.৩০ বজাত নাম প্ৰসংগ কৰিব মেৰবিল গাঁৱৰ যোগেশ্বৰ বৰাই। পুৱা ৯.৩০ বজাৰ পৰা অবিৰত ভাৱে অঞ্চলৰ বিভিন্ন নামতি আৰু পাঠক সকলৰ দ্বাৰা নিশাৰ ভাগলৈকে সম্পূৰ্ণ নাম-ঘোষা পাঠ আৰু ব্যাখ্যা কৰা হ'ব বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি গুণকান্ত বৰা আৰু যুটীয়া সম্পাদক ভূৱন শইকীয়া আৰু ক্ষীৰোদ শইকীয়াই জনায়। ২৯ জেঠ তাৰিখে পুৱা ৭.৩০ বজাত অঞ্চলৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা গছ পুলি ৰোপণ কৰা হ'ব, পুৱা ৯.৩০ বজাৰ পৰা মাজুলী ভিত্তিত দিহানাম প্ৰতিযোগিতা খনি আৰম্ভ হ'ব। প্ৰতিযোগিতা খনি সঞ্চালনা কৰিব শ্ৰীৰাম বনমালী দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পদ্মধৰ শইকীয়াই, প্ৰতিযোগিতা খনি উদ্বোধন কৰিব মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ইন্দ্ৰনীল পেগুৱে। আৰম্ভণি দিহানাম পৰিৱেশন কৰিব ভলুকাগুৰি গাঁৱৰ আইমাতৃসকলে। সন্ধিয়া ৫.০০ বজাত বঁটা বিতৰণী সভাত পুনৰ সভাপতিত্ব কৰিব পদ্মধৰ শইকীয়াই, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা আৰু আমন্ত্ৰিত অতিথি সকল। সন্ধিয়া ৬.৩০ বজাত আলোক সন্ধানী যুৱ সমাজ, ভলুকাগুৰি ৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। মাজুলী ভিত্তিত অনুষ্ঠিত কৰা দিহানাম প্ৰতিযোগিতা খনিত অংশগ্ৰহণ কৰি অনুষ্ঠান ভাগি সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে আলোক সন্ধানী যুৱ সমাজ, ভলুকাগুৰি ৰ সভাপতি সমুদ্ৰ শইকীয়া আৰু সম্পাদক ৰজত শইকীয়াই মাজুলী বাসী ৰাইজক অনুৰোধ জনায়। দিহানাম প্ৰতিযোগিতাৰ বাবে যোগদান কৰিবলৈ যোগাযোগ নম্বৰ- ৯৯৫৪১৬৫৬২৪, ৯৩৮৭৫২৪৫৯৮, ৬০০৩৪০৭৪৫৩, ৭০৮৬২১৩২৬৬।

# জৰাগুৰিৰ বৰ নামঘৰত আধ্যাত্মিক অনুষ্ঠান

**অসম বাৰ্তা, ৰঙামাটি, ৯ জুন ঃ** গোলাঘাট জিলাৰ দেৰগাঁৱৰ জৰাগুৰিৰ ব্ৰহ্মপুত্ৰ গগনা সাংস্কৃতিক গোষ্ঠীৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপন শনিবাৰে ব্ৰহ্মপুত্ৰ অঞ্চলৰ জৰাগুৰিৰ বৰনামঘৰৰ প্ৰাংগণত অনুস্থিত হয় সাংস্কৃতিক গোষ্ঠীটোৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী।আধ্যাত্মিক পৰিবেশৰে মুখৰিত দেৰগাঁৱৰ জৰাগুৰিৰ বৰনামঘৰৰ প্ৰাঙ্গণ।ব্ৰহ্মপুত্ৰ গগনা সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আধ্যাত্মিকঞ্জ হৈ পৰিল জৰাগুৰিৰ বৰনামঘৰৰ চৌপাশ।পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি পিংকু বৰাই। প্ৰাতঃপ্ৰসংগ, প্ৰসাদ বিতৰণৰ পাছতেই প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে বেচৰকাৰী সেৱা সংস্থাৰ অধ্যক্ষ বিবেক বৰাই।নৃত্য গীতৰ লগতে বিভিন্ন প্ৰতিযোগিতাৰ সমাহাৰেৰে অনুষ্ঠানটো জীপাল হৈ পৰা পৰিলক্ষিত হয়। বৰগীত, দিহা নাম,মাটি আখৰা প্ৰদৰ্শনৰ পাছতে বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠান আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰে ৰূপাংকৰ শইকীয়া, দ্বিতীয় স্থান ৰাণী হাজৰিকা আৰু তৃতীয় স্থান অভিনৱ ৰাজখোৱা। কবিতা আবৃত্তি প্ৰতিযোগিতাৰ প্ৰথম স্থান অনুস্কা হাজৰিকা, দ্বিতীয় স্থান ৰাণী হাজৰিকা আৰু তৃতীয় স্থান নয়নজ্যোতি দত্তই লাভকৰে। কুইজ প্ৰতিযোগিতাৰ প্ৰথম স্থান লাভ কৰে দেৰগাঁৱৰ কমল দুৱৰা মহাবিদ্যালয়ৰ দলে, দ্বিতীয় স্থান জৰাগুৰিৰ লাচিত বৰফুকন দলে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ৰাতিলৈ স্থানীয় শিল্পী সকলৰ দ্বাৰা অভিনিত মহাপুৰুষীয়া নাট মৎস্য অৱতাৰ চাৰি বেদ উদ্ধাৰ নামৰ ভাওনাৰে অনুষ্ঠানৰ সামৰণি পৰে।ভাওনাৰ শুভ উদ্বোধন কৰে অসম ক্ৰিয়া বৰ্ডৰ উপাধ্যক্ষ আকাশ ফুকনে।

# অবিৰত ভাগৱত পাঠৰ সামৰণি, মেধাৱী শিক্ষাৰ্থীক অভিনন্দন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৯ জুন ঃ** টিলিকিআম বেজগাঁৱৰ নামঘৰত ৪ জুনৰ পৰা অনুষ্ঠিত শ্ৰীমদ্ভাগৱতৰ অবিৰত পাঠৰ ৭ জুনৰ পুৱা সামৰণি পৰে। তাৰপাছতে জেঠৰ বৰসবাহ পালন কৰা হয়। সত্ৰাধিকাৰ হেমন্ত মহন্তৰ পৰিচালনাত ভকত-বৈষ্ণৱসকলে নাম-কীৰ্তন কৰে। এই উদ্দেশ্যে টিলিকিআম বেজগাঁও ৰঙ্গমঞ্চত অনুষ্ঠিত অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ ১৯ গৰাকী মেধাৱী শিক্ষাৰ্থীক সামাজিক-সাংস্কৃতিক-আৰ্থিক অনুষ্ঠান যুৱাদিত্যৰ তৰফৰ পৰা একোখনকৈ গামোচা পিন্ধাই একোটাকৈ গছপুলিৰ লগতে অভিনন্দন-পত্ৰ প্ৰদান কৰে অনুষ্ঠানত উপস্থিত থকা গাঁওখনৰ লগতে অঞ্চলটোৰ বিভিন্নগৰাকী বৰেণ্য ব্যক্তিয়ে। অৱসৰপ্ৰাপ্ত শিক্ষক অৰূপ কুমাৰ দত্তই আঁতধৰা অনুষ্ঠানত নামঘৰ পৰিচালনা উন্নয়ন আৰু যুৱাদিত্যৰ সম্পাদক পৱন বৰাই ৭ জুনৰ পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি প্ৰতিভাৱান উচ্চ মাধ্যমিকৰ ৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিকৰ ১১ গৰাকী শিক্ষাৰ্থীক গছপুলি প্ৰদানৰ উদ্দেশ্যৰ সম্পৰ্কত উল্লেখ কৰি কয়, জীৱনৰ প্ৰথম আৰু দ্বিতীয়টো গুৰুত্বপূৰ্ণ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ স্মৃতি চিনস্বৰূপে ৰোপণ কৰি জীয়াই তুলিলে নৱ-প্ৰজন্মই ছাঁ, বায়ু, ফল ভোগ কৰাৰ সময়ত তেওঁলোকক জীয়াই ৰাখিব।

# সদৌ তাই আহোম ছাত্ৰ সন্থা আমগুৰি আঞ্চলিক পূৰ্ণাংগ অধিৱেশন

**অসম বাৰ্তা, আমগুৰি, ৯ জুন ঃ** সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ আমগুৰি আঞ্চলিক পূৰ্ণাংগ প্ৰতিনিধি সভাখন আজি আমগুৰি ৰাজহুৱা ভৱনত সম্পন্ন হয়। সভাখনৰ আঁত ধৰে আটাছু শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক অপূৰ্ব গগৈয়ে। সভাপতিত্ব কৰে জিলাৰ সভাপতি তপন চেতীয়াই। এই অধিবেশনত নতুন আঞ্চলিক সমিতি গঠন কৰা হয়, য'ত মুখ্য উপদেষ্টা হিচাপে নিযুক্ত কৰা হয় অপূৰ্ব গগৈক, উপদেষ্টা হিচাপে সীমান্ত গগৈ আৰু ৰাজা গগৈক। সভাপতিৰ দায়িত্ব প্ৰদান কৰা হয় উৎপল শইকীয়াক, সেইদৰে অক্ষয় বৰুৱাক কাৰ্যকৰী সভাপতি দ্বায়িত্ব দিয়া হয় । যুটীয়া সম্পাদক হিচাপে ৰাজকিশোৰ গোহাঁই আৰু ৰন্টু কোঁৱৰ নিৰ্বাচিত হয়। সৰ্বমুঠ ৯৫ জনীয়া সদস্যৰে এখন শক্তিশালী আৰু সংগঠিত আঞ্চলিক সমিতি গঠন কৰা হয়।সভাত আটাছু কেন্দ্ৰীয় সমিতিৰ সম্পাদক ভাস্কৰ বৰগোহাঞিও, কেন্দ্ৰীয় সদস্য দিলিপ গগৈ, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবিন হাজৰিকা, আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ ৰাজদিপ কাকতি, টাইপা শিৱসাগৰ জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক মন্টু গগৈ, টাইপা আমগুৰি আঞ্চলিক সভাপতি আদিত্য ৰূচাও সহ আটাছু শিৱসাগৰ জিলা আৰু মহকুমাৰ নেতৃবৃন্দ উপস্থিত থাকে। উপস্থিত সদস্যসকলে ছাত্ৰ সমাজৰ সমস্যাবোৰ সমাধানৰ বাবে সংগঠনৰ ভূমিকাক অধিক দৃঢ় আৰু সক্ৰিয় কৰি তোলাৰ আহ্বান জনায়।

# চেঙাৰ চৰাঞ্চল-পূব গোৱালপাৰাত পৱিত্ৰ ঈদ-উল-আজহা উদ্‌যাপন

**অসম বাৰ্তা, শিমলীতোলা, ৯ জুন ঃ** ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ উৎসৱ, ঈদ-উল-আজহা। ভাতৃত্ববোধ, ত্যাগ আৰু ঐক্য-সংহতিৰ চানেকি বহন কৰা এই উৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোৱালপাৰা জিলাৰ শিমলীতোলা, কামাৰপোতা, সূতাৰপাৰা, দলগোমাকে ধৰি চেঙাৰ চৰাঞ্চলৰ কাছুমাৰা, মহচৰা, খোলাবান্ধা, আলোপতি-মাজৰ চৰ, বাঘমাৰা চৰ, সুখোৱাৰঝাৰ, ভাতনাপাইতি, কদমতোলা, ৰামাপাৰা, উজিৰেৰ চৰত ঈদৰ উদুলি মুদুলি পৰিবেশ প্ৰশাসনৰ সহযোগত ঈদৰ নামাজ সম্পন্ন হয়। নামাজৰ পিছত চৰকাৰে বান্ধি দিয়া নীতি নিয়মৰ মাজেৰে কুৰবানী কৰা পৰিলক্ষিত হয়। প্ৰতিটো ঈদগাহ পঃ সমিতি আৰু গাঁওৰ স্থানীয় লোক সকলৰ সহযোগত ন সাজেৰে সজাই তুলিছে ঈদ গাহ সমূহ। এই পৱিত্ৰ ক্ষণত ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ মাজত ব্যাপক উৎসাহ দেখিবলৈ পোৱা যায়। প্ৰেম-ভাতৃত্ববোধৰ বাৰ্তাৰে ইজনে আনজনক জনাইছে ঈদৰ শুভেচ্ছা। পুৱাই ঈদগাহ, ময়দানত সমূহীয়া নামাজ আদায় কৰাৰ বাবে জাকে-জাকে ওলাই আহিছে অঞ্চল টোৰ বিভিন্ন প্ৰান্তৰ লোক সকলে। ঈদৰ নামাজ আদায় কৰাৰ পিছত বিশ্ব-বাসীৰ কাৰণে কৰা হৈছে দোৱা,ঈদৰ এই পবিত্ৰ ক্ষণত সমাজত সকলো শ্ৰেণীৰ লোকৰ মাজত আৰু সকলো জাতি,ধৰ্মালম্বী লোকৰ মাজত ঐক্য ,শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ বান্ধোন অধিক শক্তিশালী হওক তাৰেই কামনা কৰিছে ইছলামৰ ধৰ্মালম্বী লোক সকলে। লগতে বিশ্ব-বাসীলৈ জনাইছে পবিত্ৰ ঈদ-উল-আজহা হিয়াভৰা শুভেচ্ছা।

## মুখ্য সম্পাদকৰ একলম

■ ১০ জুন, ২০২৫, মঙলবাৰ ■

# চুকাফাই প্ৰতিষ্ঠা কৰা অসম

অসমৰ সমাজ জীৱনলৈ ত্যাগ আৰু আদৰ্শৰে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ লগতে তেওঁলোকৰ পৰম্পৰাগত ৰীতি-নীতিক সাৱোগত কৰি বৰ অসমৰ সৌধ নিৰ্মাতা চাওলুং চুকাফা আছিল আহোম সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা। ১২২৮ চনত চুকাফাৰ নেতৃত্বত আনুমানিক ৯০০০ হাজাৰ টাই জাতিৰ লোক অসমৰ উত্তৰ পূৰত অৱস্থিত পাটকাই পৰ্বত অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰে। টাইসকল হৈছে মংগোলীয় জাতিৰ এটা লেখত লবলগীয়া ফৈদ। পূৰ্বতে টাইসকল অসমৰ উত্তৰ পূব প্ৰান্তত থকা চীন দেশৰ ভিতৰুৱা অঞ্চলত বিয়পি পৰিছিল। তেওঁ লোকৰ কিছুমানে ফালৰি কাটি আহি চীন দেশৰ ইউনানি প্ৰদেশত বসতি কৰিছিল। পাছত তেওঁলোকৰে এটা ঠালে উত্তৰ পূব সীমা অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰে। অকলেই অসমতে নহয় ব্ৰহ্ম দেশ, থাইলেণ্ড, ইণ্ডো চীন আদি বিভিন্ন ঠাইত বসতি স্থাপন কৰিছিল। বিভিন্ন ঠাইত বসতি কৰা টাইসকল পাছলৈ বিভিন্ন নামেৰে পৰিচিত হয়। আহোমসকল অসমলৈ আহি বসতি স্থাপন কৰাৰ পূৰ্বৰে পৰা তেওঁলোকে বহুত জাতি উপজাতিৰ লগতেই যুঁজ বাগৰ কৰিবলগীয়া হৈছিল।

আহোমসকলক স্বৰ্গৰ দেৱতা ইন্দ্ৰৰ বংশধৰ বুলি কোৱা হয়। এই সম্পৰ্কে ভালেমান আখ্যান আছে। স্বৰ্গৰ দেৱতা লেংদনে তেওঁৰ পুত্ৰক পৃথিৱীলৈ পঠিয়াইছিল যদিও তেওঁৰ নাতি ল'ৰা খুন লুঙ খুন লাই হে পৃথিৱীলৈ আহে। চাওলুং চুকাফা তেওঁ লোকৰেই বংশধৰ। চুকাফা তেওঁৰ মোমায়েক পামেওমুঙৰ ৰাজ্য মাওলুঙত থাকি ডাঙৰ-দীঘল হৈছিল। পামেওমুঙৰ মৃত্যুৰ পাছত ১২১৫ চনত ৯০০০ সাধাৰণ মানুহ দুজন মন্ত্ৰী আৰু আঠজন উচ্চ বিষয়াক লগত লৈ পাটকাই পৰ্বত মালাৰ সিপাৰে থকা নগা সকলৰ লগত যুঁজ বাগৰ কৰি ১২২৮ চনত তেওঁ অসম ৰাজ্যৰ ৰজা হয়। চুকাফা ই প্ৰথমতে ১২২৮ চনত খামজাঙত উপস্থিত হৈ নিজকে ৰজা বুলি ঘোষণা কৰে। তাত কিছু দিন থাকি তেওঁ পুনৰ যাত্ৰা আৰম্ভ কৰে। পাটকাই পৰ্বত মালাৰ পাংচৌ গিৰিপথেদি অসম ৰাজ্যত প্ৰৱেশ কৰে। অসমত প্ৰবেশ কৰিয়েই দিহিং নদীৰ পাৰে-পাৰে আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ টিপামত উপস্থিত হয়।

তেওঁ টিপামত ৰাজধানী পাতি ৰাজত্ব কৰাৰ সময়তেই চুবুৰীয়া ৰজাসকলে চুকাফাৰ বীৰত্বৰ কথা জানিব পাৰি তেওঁৰ লগত বন্ধুত্ব স্থাপন কৰে। বিভিন্ন ঠাইত থকাৰ পাছত অৱশেষত চৰাইদেউ ত ৰাজধানী পাতি চল্লিশ বছৰ কাল ৰাজত্ব কৰি ১২৬৮ চনত তেওঁৰ দেহৱসান ঘটে। চুকাফা সাহসী চতুৰ আৰু সুদক্ষ যোদ্ধা আছিল। তেওঁ পৰাজয় কৰা জাতি উপজাতি সকলৰ লগত ভাল ব্যৱহাৰ কৰিছিল। সেই বাবে মৰাণ, বৰাহী আদি জাতিয়ে আহোমৰ বশ্যতা স্বীকাৰ কৰি আহোমৰ লগত মিলি জুলি একেটা জাতিত পৰিণতি হৈছিল। দিহিং নৈৰ উপত্যকাত তেওঁ যিবোৰ ঠাই দখল কৰিছিল সেই বোৰৰ শাসন চলাবলৈ শাসন কৰ্তা নিয়োগ কৰিছিল। শাসন কাৰ্য চলাবলৈ তেওঁক দিহা পৰামৰ্শ দিবলৈ বুঢ়াগোহাঁই আৰু বৰগোহাঁই নামৰ দুজন বিষয়া নিয়োগ কৰিছিল।

চাওলুং চুকাফা অসমলৈ অহাৰ আগতে অসমৰ উজনি অংশ জনজাতীয় লোকৰ অধীনত আছিল। এই জনজাতীয় লোকসকল আছিল মংগোলীয় গোষ্ঠীৰ। তেওঁ লোকৰ ভিতৰত চুটিয়াসকল বেছি শক্তিশালী আছিল। চুটিয়াসকলে শদিয়াত ৰাজধানী পাতি শোৱনশিৰী আৰু দিচাং নদীৰ পূবৰ অঞ্চলত ৰাজত্ব কৰিছিল। ১১৮৯ চনত ভীষ্ম কৰ বংশধৰ বীৰপাল নামৰ এজন চুটিয়া ৰাজকুমাৰে শদিয়াত ৰাজত্ব কৰিছিল। কথিত আছে যে কুবেৰৰ অনুগ্ৰহত বীৰপালে গৌৰী নাৰায়ণ নামে পুত্ৰ এজন লাভ কৰিছিল। গৌৰীনাৰায়ণে কুৱেৰ প্ৰদত্ত তৰোৱাল এখন লাভ কৰি চুটিয়াসকলক একত্ৰ কৰি ৰত্ন ধ্বজ উপাধি লাভ কৰিছিল। কছাৰী বুৰঞ্জী মতে অসমৰ একেবাৰে পূৰ প্ৰান্তত শদিয়াত কছাৰীসকলে ৰাজ্য স্থাপন কৰিছিল। সেই সময়ত দইখওঁৰই পশ্চিম অঞ্চলতে দিমাচা সকলৰ ৰাজ্য আছিল। এওঁলোক হিড়িম্ব কছাৰী নামে জনাজাত আছিল।

চুকাফাই চৰাইদেউত ৰাজধানী পাতি থকাৰ সময়ত দিখৌৰ পূৰ পাৰত মৰাণ আৰু বৰাহী সকলৰ ৰাজ্য আছিল। চুকাফাই শিমলুগুৰিত থিতাপি লৈ মৰাণৰ ৰজা বদৌচা আৰু বৰাহী ৰজাক বন্ধু হিচাপে গ্ৰহণ কৰিছিল। মৰাণ আৰু বৰাহী সকলৰ কিছুমানে বশ্যতা স্বীকাৰ কৰিব বিচৰা নাছিল। চুকাফাই সেইসকলক যুদ্ধত হৰুৱাই বশ কৰিছিল। তাৰ পাছত বৰাহী আৰু মৰাণসকলে আহোমসকলক ভাল পাইছিল। চুকাফাৰ অনুচৰ সকলক, , দেও সচ মানুহে বুলিছিল। এওঁলোকৰ সম অৰ্থাৎ কোনো নাই। ইহঁত অসম। কোনো কোনোৱে কয় তাৰেই পৰা ই অসম, অহম বা আহোম শব্দৰ উৎপত্তি হৈছে। এই লোকসকলে অধিকাৰ কৰা পুৰণি কামৰূপ নামৰ দেশখনৰ নামেৰে আমাৰ দেশখনৰ নাম অসম হৈছিল। মৰাণসকল সুকীয়া জাতি হৈ থাকিল। এওঁলোকে নিৰ্দ্ধাৰিত ৰাজহ দিয়াৰ পৰিবৰ্তে নাই তৰহৰ বস্তু আহোমসকলক যোগান ধৰিছিল। এওঁ বহুতে আহোমৰ ৰীতি নীতি গ্ৰহণ কৰি আহোমৰি লগতেই মিলি নিজকে আহোম বুলি ফৰইচয়ঁউ দিয়ে।

ওপৰত উল্লেখ কৰা কথাখিনি বুৰঞ্জীত উল্লেখ থকা কথা। আঠশ বছৰ পূৰ্বে স্বৰ্গদেউ চুকাফাই কৰি থৈ যোৱা তেওঁৰ মানসিকতাৰ মহান আদৰ্শ কোনে পাহৰিব পাৰে বাৰু। স্বৰ্গদেউ চুকাফাই অসমত বুৰঞ্জী লিখা প্ৰথা আৰম্ভ কৰা দিনৰেপৰা মাৰি দেশখনে পৃথিৱীৰ বহুতো দেশে ঢুকি নোপোৱা মহৎ পৰম্পৰাক কোনে বাৰু অস্বীকাৰ কৰিব।

চুকাফা একেবাৰে প্ৰবীণ ৰাজনীতিজ্ঞ কৃষি বিজ্ঞানী, পানীৰ গুণাগুণ পৰীক্ষক, স্বায়ত্ব শাসনৰ প্ৰতিষ্ঠাপক শান্তিৰ দূত উদাৰ মন্ত্ৰী শাসনকৰ্তা, এগৰাকী দেশক ভালপোৱা যুঁজাৰু আছিল। চুকাফাৰ দ্বাৰা প্ৰৱৰ্তিত ৰাজনৈতিক আদৰ্শ শাসন ব্যৱস্থা সমাজ সংস্কৃতি ভাষা ধৰ্ম আৰু বিশ্বাস সাজ-পোছাক ঘৰ দুৱাৰ খেতি পথাৰ আচাৰ ব্যৱহাৰ ৰ মাজতেই অসমীয়া জাতি আৰু সংস্কৃতিলৈ তেওঁ দি থৈ যোৱা অৱদানৰ ছবিখনি সোমাই আছে।

অসমৰ জাতীয় ঐক্য আৰু অখণ্ডতাৰ বীজ ৰোপণ কৰা প্ৰথম ব্যক্তি জনেই আছিল চুকাফা। তেওঁ স্বৰ্গদেউ হৈ থকা সময়ত কোনো জাতিক দেশৰ মাটিয় পৰা উচ্ছেদ কৰা নাছিল। অতি তাৎপৰ্যপূৰ্ণ কথা যে চুকাফাই এখন সমাজৰ যাৱতীয় যিবোৰ অত্যাৱশ্যকীয় সমল থাকেই সকলো বোৰ প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল। চুকাফাই খেতি বাতিৰ উন্নতিৰ পৰা গৰু-ছাগলী পোহা লৈ কৰে, দেশ ৰক্ষাৰ্থে সৈন্য বাহিনীৰ প্ৰয়োজনীয়তা লৈ, মানুহো খাদ্য-সম্ভাৰৰ পৰা লোক পিয়ল কৰালৈকে, জাতীয় ঐক্য অক্ষুণ্ণ ৰখাৰ পৰা বিয়া বাৰু প্ৰথা লৈ সকলো প্ৰথাৰে সুন্দৰ ব্যৱস্থাপনা কৰি থৈ যোৱা এগৰাকী অসমীয়া জাতিৰ জনক আছিল বুলি অভিহিত কৰিব পাৰি। আহোম সকলৰ সমাজ সংস্কৃতিৰ ৰূপৰেখোই অসমৰ থলগিৰি অসমীয়াসকলক আজিও গৌৰৱান্বিত কৰি ৰাখিছে বুলি অভিহিত কৰিব পাৰি।

# অসমৰ বান সমস্যাৰ সমাধান সম্ভৱ নে?

**চন্দন কুমাৰ নাথ**

অসম, ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন সেউজীয়া ৰাজ্য, য'ত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য আৰু সাংস্কৃতিক সমৃদ্ধিৰ মাজতো এটা নিৰন্তৰ প্ৰত্যাহ্বানে জনজীৱনক জুৰুলা কৰি ৰাখিছে—বাৰ্ষিক বানপানী। মহাবাহু ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ মাজেৰে বৈ যোৱা এই ৰাজ্যত নদ-নদীৰ জালে জনজীৱনক জীয়াই ৰাখিছে, কিন্তু বাৰিষাৰ সময়ত এই নদীসমূহেই যেন অসমৰ বাবে অভিশাপ হৈ পৰে। বছৰৰ পিছত বছৰ এই সমস্যাই অসমৰ জনগণৰ জীৱন, জীৱিকা আৰু অৰ্থনীতিত গভীৰ প্ৰভাৱ পেলাইছে। প্ৰশ্ন উঠে, এই পুনৰাবৃত্তিমূলক সমস্যাৰ কেতিয়াবা স্থায়ী সমাধান সম্ভৱ হ'ব নে?

আচলতে, অসমৰ ভৌগোলিক অৱস্থানেই বানপানীৰ মূল কাৰণ। হিমালয়ৰ কোলাত অৱস্থিত এই ৰাজ্যত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ উপনৈসমূহৰ জালে ৰাজ্যখনৰ ভৈয়ামৰ এক বৃহৎ অংশ জলমগ্ন কৰে। বাৰিষাৰ সময়ত প্ৰচণ্ড বৰষুণৰ ফলত নদীসমূহৰ পানী উপচি পৰে, আৰু হিমালয়ৰ বৰফ গলি যোৱা পানীয়ে এই সমস্যাৰ প্ৰবলতা বৃদ্ধি কৰে। ১৯৫০ চনৰ ভয়াৱহ ভূমিকম্পৰ পিছৰে পৰা নদীৰ তলি উচ্চ হৈ পৰাৰ ফলত অলপ পানী জমা হ'লেই পাৰ ভাঙি বানৰ সৃষ্টি হয়। এই ভূমিকম্পই ব্ৰহ্মপুত্ৰৰ গতিপথৰ পৰিৱৰ্তনৰ লগতে নদীৰ পানী ধৰণৰ ক্ষমতা হ্ৰাস কৰিছিল, যাৰ ফলত বানৰ প্ৰৱণতা বৃদ্ধি পাইছে। ইয়াৰ উপৰিও, মানৱসৃষ্ট কাৰণসমূহে এই সমস্যাক আৰু জটিল কৰি তুলিছে। বনাঞ্চল ধ্বংস, পৰ্বত-পাহাৰ কটাই মানুহৰ বসতি স্থাপন, আৰু অপৰিকল্পিত নগৰীকৰণে পানীৰ প্ৰাকৃতিক প্ৰবাহত ব্যাঘাত জন্মাইছে। পাহাৰীয়া অঞ্চলৰ বনাঞ্চল ধ্বংসৰ ফলত মাটিৰ ক্ষয় বৃদ্ধি পাইছে, যাৰ বাবে নদীত পলস জমা হয় আৰু নদীৰ গভীৰতা কমি যায়। ফলত, বৰষুণৰ পানী নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা নদীৰ হ্ৰাস পায়। ইয়াৰ লগতে, অপৰিকল্পিতভাৱে নিৰ্মাণ কৰা মথাউৰি বা বান্ধৰ গুণগত মানৰ অভাৱ আৰু ৰক্ষণাবেক্ষণৰ অভাৱে বানৰ প্ৰভাৱ বৃদ্ধি কৰিছে।

বানৰ প্ৰভাৱ অসমৰ জনজীৱনৰ প্ৰতিটো দিশত পৰে। কৃষিভিত্তিক এই ৰাজ্যৰ অধিকাংশ মানুহৰ জীৱন জীৱিকাৰ বাবে কৃষিৰ ওপৰত নিৰ্ভৰশীল। বানপানীয়ে খেতিপথাৰ ধ্বংস কৰে, ধান, পাট, আদা, হালধি আদি শস্যৰ ব্যাপক ক্ষতি কৰে। এই ক্ষতিৰ ফলত কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ অৱনতি ঘটে, আৰু খাদ্য সংকটৰ সম্ভাৱনা বৃদ্ধি পায়। বানৰ পিছত পথাৰত জমা হোৱা বালিৰ স্তৰে মাটিৰ উৰ্বৰতা হ্ৰাস কৰে, যাৰ ফলত পৰৱৰ্তী সময়তো কৃষি উৎপাদনৰ ক্ষতি হয়। মানৱ জীৱনৰ ক্ষতিৰ কথা ক'লে, বানে প্ৰতি বছৰে বহু লোকৰ জীৱন কাঢ়ি লৈ যায়। ঘৰ-দুৱাৰ ভাঙি যোৱা, পোহনীয়া জীৱ-জন্তুৰ ক্ষতি, আৰু যাতায়াতৰ অসুবিধাই জনজীৱনক স্থবিৰ কৰি পেলায়। বানৰ পিছত পানীৰ জৰিয়তে সংক্ৰমিত ৰোগ যেনে জ্বৰ, গ্ৰহণী আৰু অন্যান্য মহামাৰীৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পায়, যিয়ে জনস্বাস্থ্যৰ ওপৰত অতিৰিক্ত চাপ সৃষ্টি কৰে। অসমৰ বন্যপ্ৰাণীৰ ওপৰতো বানৰ প্ৰভাৱ পৰে। কাজিৰঙা জাতীয় উদ্যানৰ দৰে অঞ্চলত বানৰ ফলত বন্যপ্ৰাণীৰ জীৱন সংকটৰ মুখত পৰে, আৰু বহু জীৱ-জন্তুৰ মৃত্যু হয়। অৰ্থনীতিৰ ক্ষেত্ৰত, বানে অসমৰ আন্তঃগাঁথনি যেনে পথ, দলং, ৰে'লপথ আৰু বিদ্যুৎ ব্যৱস্থাৰ ব্যাপক ক্ষতি কৰে। এই ক্ষতি পুনৰুদ্ধাৰৰ বাবে প্ৰতি বছৰে কোটি কোটি টকা খৰচ হয়, যিয়ে ৰাজ্যৰ উন্নয়নৰ বাবে অহা ধনৰাশিৰ এক বৃহৎ অংশ গ্ৰাস কৰে। বানৰ ফলত শিক্ষা ব্যৱস্থাও ক্ষতিগ্ৰস্ত হয়। বিদ্যালয়বোৰ বন্ধ হৈ যায়, আৰু বহু শিশুৰ শিক্ষাৰ ক্ষেত্ৰত বিঘিনি ঘটে।

অসমৰ বান সমস্যাৰ সমাধানৰ বাবে স্বাধীনতাৰ পিছৰে পৰা বিভিন্ন প্ৰচেষ্টা চলিছে, কিন্তু স্থায়ী সমাধান এতিয়াও আধৰুৱা। মথাউৰি নিৰ্মাণ বান নিয়ন্ত্ৰণৰ প্ৰধান ব্যৱস্থা হিচাপে গ্ৰহণ কৰা হৈছে। অসমৰ বান নিয়ন্ত্ৰণ বিভাগৰ মতে, প্ৰায় ৫০ শতাংশ বানপীড়িত অঞ্চলত মথাউৰিৰ জৰিয়তে সুৰক্ষা প্ৰদান কৰা হৈছে। কিন্তু এই মথাউৰিবোৰৰ গুণগত মান আৰু ৰক্ষণাবেক্ষণৰ অভাৱৰ বাবে বহু সময়ত পানীৰ চাপ সহ্য কৰিব নোৱাৰি ভাঙি যায়। ইতিহাসৰ পৰাই দেখা গৈছে যে মথাউৰিৰ দৰে হ্ৰস্বম্যাদী সমাধানে বান নিয়ন্ত্ৰণৰ পৰিৱৰ্তে কেতিয়াবা সমস্যাৰ জটিলতা বৃদ্ধি কৰিছে। অন্যান্য প্ৰচেষ্টাৰ ভিতৰত জলাশয় নিৰ্মাণৰ কথা উল্লেখযোগ্য। জলাশয়ৰ জৰিয়তে বৰষুণৰ পানী সংৰক্ষণ কৰি বানৰ প্ৰবলতা হ্ৰাস কৰাৰ পৰিকল্পনা কৰা হৈছে, কিন্তু এই প্ৰকল্পসমূহৰ বাস্তৱায়নৰ ক্ষেত্ৰত অৰ্থনৈতিক আৰু পৰিৱেশগত জটিলতা দেখা দিয়ে। জলাশয় নিৰ্মাণৰ ফলত বৃহৎ পৰিমাণৰ মানুহৰ স্থানান্তৰৰ প্ৰয়োজন হয়, আৰু ইয়াৰ পৰিৱেশৰ ওপৰতো নেতিবাচক প্ৰভাৱ পৰিব পাৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বানপীড়িত লোকসকলৰ বাবে তাৎক্ষণিক সাহায্যৰ ব্যৱস্থা কৰে, যেনে খাদ্য, আশ্ৰয় আৰু চিকিৎসা সেৱা। কিন্তু এই সাহায্যবোৰ প্ৰায়ে অপৰ্যাপ্ত আৰু অসময়ত প্ৰদান কৰা হয়। বানৰ সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবী বহু বছৰৰ পৰা উত্থাপিত হৈ আহিছে, কিন্তু এই দিশত কোনো স্পষ্ট পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। ২০০২ আৰু ২০০৫ চনত অসম বিধানসভাৰ পৰা এই দাবী উত্থাপন কৰা হৈছিল, কিন্তু ফলাফল শূন্য।

অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে এক ব্যাপক আৰু বহনক্ষম পন্থাৰ প্ৰয়োজন। প্ৰথমতে, বান নিয়ন্ত্ৰণৰ বাবে বিজ্ঞানসন্মত আৰু দীৰ্ঘম্যাদী কৌশলৰ ওপৰত গুৰুত্ব দিয়া উচিত। ব্ৰহ্মপুত্ৰৰ প্ৰাকৃতিক গতিপথৰ ঠেক অংশসমূহ বহল কৰাৰ পৰিকল্পনা এটা সম্ভাব্য সমাধান হ'ব পাৰে। এই প্ৰকল্পৰ জৰিয়তে নদীৰ পানী ধৰণৰ ক্ষমতা বৃদ্ধি কৰা সম্ভৱ হ'ব। কিন্তু এনে প্ৰকল্পৰ বাস্তৱায়নৰ বাবে প্ৰচুৰ অৰ্থনৈতিক আৰু প্ৰযুক্তিগত সম্পদৰ প্ৰয়োজন। দ্বিতীয়তে, পৰিৱেশ সুৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত। বনাঞ্চল ধ্বংস ৰোধ কৰা, নৈপৰীয়া অঞ্চলত শিমলুৰ দৰে গছ ৰোপণ কৰা, আৰু পৰিকল্পিত নগৰীকৰণৰ জৰিয়তে পানীৰ প্ৰাকৃতিক প্ৰবাহ বজাই ৰখা সম্ভৱ। ইয়াৰ উপৰিও, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ সৈতে খাপ খুৱাই চলিবলৈ কৃষকসকলক জলবায়ু-সহনশীল শস্যৰ খেতিৰ প্ৰশিক্ষণ প্ৰদান কৰা উচিত। তৃতীয়তে, স্থানীয় জনগোষ্ঠীৰ সহযোগিতাৰ জৰিয়তে বানৰ প্ৰভাৱ হ্ৰাস কৰাৰ কৌশল গ্ৰহণ কৰা উচিত। নৈপৰীয়া অঞ্চলৰ মানুহক বানৰ পূৰ্বাভাস আৰু সুৰক্ষাৰ ব্যৱস্থাৰ বিষয়ে সজাগ কৰি তুলিলে জান-মালৰ ক্ষতি হ্ৰাস কৰা সম্ভৱ। আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তেও বান নিয়ন্ত্ৰণৰ কৌশল গ্ৰহণ কৰা যায়, বিশেষকৈ নদীৰ পানী ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভূটান আৰু চীনৰ দৰে প্ৰতিবেশী দেশৰ সৈতে সহযোগিতা অতি প্ৰয়োজনীয়।

এতিয়া প্ৰশ্ন হয় যে অসমৰ বান সমস্যাৰ সমাধান কেতিয়াবা সম্ভৱ হ'ব নে? এই প্ৰশ্নৰ উত্তৰ নিৰ্ভৰ কৰে আমাৰ সম্মিলিত প্ৰচেষ্টা আৰু দূৰদৰ্শী পৰিকল্পনাৰ ওপৰত। বান এটা প্ৰাকৃতিক ঘটনা হ'লেও, ইয়াৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে বিজ্ঞান, প্ৰযুক্তি আৰু সামাজিক সহযোগিতাৰ সংমিশ্ৰণৰ প্ৰয়োজন। অসমৰ জনগণৰ স্থিতিস্থাপকতা আৰু সাংস্কৃতিক ঐতিহ্যই এই যুঁজত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। যদি চৰকাৰ, জনগোষ্ঠী আৰু আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলে একত্ৰিত হৈ কাম কৰে, তেন্তে বানৰ বিধ্বংসী প্ৰভাৱ হ্ৰাস কৰি অসমক এক সমৃদ্ধিশালী আৰু নিৰাপদ ভৱিষ্যতৰ দিশে আগুৱাই নিয়াটো অসম্ভৱ নহয়। কিন্তু এই লক্ষ্য অৰ্জনৰ বাবে সময়, অৰ্থনৈতিক বিনিয়োগ আৰু দৃঢ় ইচ্ছাশক্তিৰ প্ৰয়োজন। অসমৰ বান সমস্যাৰ সমাধান এতিয়াও আধৰুৱা হৈ থাকিলেও, সঠিক দিশত পদক্ষেপ লোৱা হ'লে এই সপোন বাস্তৱত পৰিণত নিশ্চয়কৈ হ'ব পাৰে তাত কোনো সন্দেহ নাই।

ফোন ঃ ৯১৩২৮৪৯৭২৬

## আলেকজেণ্ডাৰ কানিংহামৰ গ্ৰন্থত হিউ-য়েন-চাঙৰ ভ্ৰমণ টোকা

# অসমৰ প্ৰথমজন আদিবাসী ডক্টৰেট ড° বিমল নাগ

**মিণ্টু মিঞ্জুৰ**

বিভিন্ন নেৰেটিভ অৰ্থাৎ বৰ্ণনাই মানুহক বিভ্ৰান্ত কৰিছে, চিন্তাৰ বিতৰ্ক চলিছে। মন গ'লেই কাৰোবাক নায়ক আৰু কাৰোবাক খলনায়ক সজোৱা কাৰবাৰটো সহজ হৈ পৰিছে। সামাজিক মাধ্যম, সংবাদ মাধ্যম, বিভিন্ন চৰকাৰী তদন্তকাৰী অভিকৰণ, ৰাজনৈতিক প্ৰচাৰ আদিয়ে এই বিশেষ নেৰেটিভ সৃষ্টিত ব্যৱহাৰ হৈছে। ভুল কি শুদ্ধ কি, আজি দুয়োটাই মৰুভূমিৰ মৰীচিকা খেদাৰ দৰে ধুৰঁলী-কুৰঁলী।

অলপতে অসমৰ এগৰাকী জনগোষ্ঠীয় লেখক, গৱেষকৰ সৈতে কথা-বাৰ্তা হওঁতে তেখেতে এখন বিশেষ গ্ৰন্থৰ কথা ব্যক্ত কৰিলে। ব্ৰিটিছ পুৰাতত্ত্ববিদ আলেকজেণ্ডাৰ কানিংহামৰ গ্ৰন্থ। ১৮৭১ বৰ্ষতে প্ৰকাশিত 'The Ancient Geography of India' গ্ৰন্থখনত বৌদ্ধসকলৰ প্ৰভাৱ থকা সময়খিনিত বিখ্যাত গ্ৰীক ৰজা আলেকজেণ্ডাৰৰ তত্ত্বাৱধানত চীনা পৰিব্ৰাজক হিউ-য়েন-চাং এ ভাৰত ভ্ৰমণ কৰিছিল আৰু ভাৰতৰ বিভিন্ন ঠাইসমূহ পৰিভ্ৰমণ সম্পৰ্কত সবিস্তাৰে উল্লেখ কৰিছে। উল্লেখ্য যে, ভাস্কৰ বৰ্মাৰ শাসনৰ সময়চোৱাত (৬৪২-৪৩ A.D.) চীনা পৰিব্ৰাজক হিউ-য়েন-চাং অসম (কামৰূপ)লৈ আহি টোকা লিখি যোৱাৰ কথা জনা যায়। কিন্তু আচৰিত হওঁ যে সেইসময়ত তেওঁৰ ভ্ৰমণ টোকাত আলেকজেণ্ডাৰ কানিংহামৰ গ্ৰন্থখনৰ কামৰূপ সম্পৰ্কীয় লেখাত পোৱা গ'ল এনেদৰে- "....the capital visited by Hwen-Thasang was not Gohati, in the valley of Brahmaputra, but Kamatipura, in the Indian district of Kusa-Vihara. The great river crossed by the pilgrim would therefore be the Tista, and not the Brahmaputra." অৰ্থাৎ হিউ-য়েন-চাং এ তেখেতৰ বৌদ্ধ ধৰ্ম সম্পৰ্কীয় যাত্ৰাত ব্ৰহ্মপুত্ৰৰ অৱবাহিকা অঞ্চল আৰু তদানীন্তন কামৰূপৰ গুৱাহাটীত পদাপন কৰা নাছিল। বৰঞ্চ হিউ-য়েন-চাং এ ছিক্কিম হৈ বৰ্তমানৰ বাংলাদেশৰ উত্তৰাংশৰে ভাৰতৰ পশ্চিম বংগ হৈ পুনৰ বাংলাদেশলৈ বৈ যোৱা তিস্তা নদী পাৰ হৈ তেতিয়াৰ কোচবিহাৰৰ নালন্দা বিশ্ববিদ্যালয়লৈ গৈছিল।

কেইটামান দিনৰ আগতে অসমৰ এটা নিৰ্ভৰযোগ্য সংবাদ প্ৰতিষ্ঠানৰ এখন কাকতৰ শিৰোনাম দখল কৰা এটা বাতৰিয়ে আমাৰ চিন্তাত আউল লগাই গ'ল। এটা নেৰেটিভৰ নতুন সৃষ্টি হ'ল, ভুল কি শুদ্ধ কি আমাৰ সন্ধান আৰম্ভ হ'ল। কিয়নো, এটা বিশেষ জনগোষ্ঠীৰ এজন অতিবিশেষ ব্যক্তিৰ কথা। জনগোষ্ঠীটোৰ স্বনামধন্য গৱেষক, বুৰঞ্জীবিদ, অধ্যাপক, লেখক, সাংবাদিক, চিন্তাশীল ব্যক্তি প্ৰায় কেইজনৰ সৈতে আমাৰ কথা হ'ল। তেখেতসকলক আমাৰ অভিযোগ দিয়া হ'ল। তেখেতসকলৰ পৰা প্ৰাপ্ত তথ্যবিলাক এনেধৰণৰ- তেতিয়াৰ ছোটনাগপুৰ মালভূমি অঞ্চল (বিহাৰ, উৰিষ্যা, পশ্চিম বংগ আৰু ঝাড়খণ্ড) ৰাঁচীৰ ওচৰৰ কাঁকে গাঁৱত ১৯২৯ বৰ্ষৰ ২২ জুলাইত জন্মলাভ কৰা মুণ্ডা জনজাতিৰ ব্যক্তিগৰাকীৰ পিতৃ-মাতৃ ব্ৰিটিছ সৈনিকসকলৰ চেচপলিন (নিযুক্ত ধৰ্মযাজক) হিচাপে সপৰিয়ালে অসম ৰাজ্যৰ স্থায়ী নিবাসী হিচাপে তেজপুৰলৈ আহিছিল। তেজপুৰৰ ঘোঁঙ্গৰামাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সাং কৰি তেখেত তেজপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ পৰা উদ্ভিদ বিজ্ঞান (Botany) বিভাগৰ স্নাতক উত্তীৰ্ণ হৈ তেখেতে একেখন মহাবিদ্যালয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈছিল। নিজে পঢ়া মহাবিদ্যালয়খনৰ উপৰিও শ্বিলঙৰ চেইণ্ট এডমণ্ড কলেজত অধ্যাপনা কৰা ব্যক্তি গৰাকীয়ে পিছলৈ তেজপুৰৰ দৰং মহাবিদ্যালয়ত উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰধান অধ্যাপক হৈছিল। ১৯৭৫ বৰ্ষত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত সন্মানীয় ডক্টৰেট ডিগ্ৰীৰ বাবে "CERTAIN ASPECTS OF ERADICATION AND UTILIZATION OF WATER HYACINTH (Eichhornia crassipes, Mart. Solms)" শীৰ্ষক গৱেষণাপত্ৰ জমা দিয়ে আৰু ১৯৭৬ বৰ্ষত ডক্টৰেট ডিগ্ৰীধাৰী হিচাপে স্বীকৃতি লাভ কৰে। বোধহয়, ৰাজ্যখনত বসবাস কৰা আদিবাসী জনগোষ্ঠীটোৰ পৰা ওলোৱা প্ৰথম গৰাকী ডক্টৰেট তেখেতেই আছিল। অসমৰ অতি পিছপৰা জনগোষ্ঠীৰ প্ৰথম গৰাকী গৱেষক, বিজ্ঞানী তথা শিক্ষাবিদ গৰাকীয়ে পানী মেটেকাৰ পৰা বিস্কুট আৰু কাগজ তৈয়াৰ কৰা সম্পৰ্কত গৱেষণা কৰি ড"ৰেট ডিগ্ৰী লৈছিল। তদুপৰি, পানী মেটেকাৰ পৰা কৰ্কট ৰোগৰ ঔষধ তৈয়াৰ কৰাৰ সন্দৰ্ভত গৱেষণা কৰি বিশ্বত যথেষ্ট সমাদৰ লাভ কৰিছিল। যোৰহাট আঞ্চলিক গৱেষণাগাৰৰ জ্যেষ্ঠ বিজ্ঞানী হিচাপেও তেখেতে কাৰ্য কৰিছিল। তেখেত আছিল ড° বিমল নাগ। দৰং মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক গৰাকীয়ে পাছলৈ মহাবিদ্যালয়খনৰ উপাধ্যক্ষ হৈ ১৯৯৩ বৰ্ষত অৱসৰ গ্ৰহণ কৰিছিল। দৰং মহাবিদ্যালয়ৰ পৰা অৱসৰ হৈও তেখেতে অধ্যাপনা এৰা নাছিল, নিজে গঢ় দিয়া তেজপুৰৰ ইম্মানুৱেল কলেজত কেইবাবছৰ তেখেতে পাঠদান কৰিছিল। অধ্যাপনাৰ লগতে তেখেতে বিভিন্ন সামাজিক, শৈক্ষিক, সাংস্কৃতিক সংস্থাৰ সৈতে জড়িত হৈ কাৰ্য কৰিছিল। চাহ বাগিচাত কৰ্মৰত আদিবাসী শ্ৰমিকৰ বিভিন্ন প্ৰাপ্য, অধিকাৰৰ যুঁজজত ড° নাগ আছিল আগৰণুৱা। ১৯৪৭ বৰ্ষত প্ৰতিষ্ঠা হোৱা অসম ছোটনাগপুৰী ছাত্ৰ সন্মিলনৰ (বৰ্তমান অসম চাহ জনজাতি ছাত্ৰ সন্থা) প্ৰথম অভিৱৰ্তন অৰ্থাৎ সংগঠনটোৰ ভিত্তি-প্ৰস্তৰ স্থাপনত ডঃ নাগ আছিল অন্যতম উদ্যোক্তা আৰু তেজপুৰৰ প্ৰতিনিধি। অসম আদিবাসী পৰিষদ আৰু অসম মুণ্ডাৰী মহাসভাৰ লগত জড়িত হৈ নেতৃত্ব প্ৰদান কৰাৰ লগতে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উপদেষ্টা হিচাপে সজ পৰামৰ্শ দিছিল। যিটো সময়ত জনগোষ্ঠীটোৰ পৰা স্নাতক হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা হৈছিল, সেই সময়ত ডঃ নাগে অসমৰ নিৰক্ষৰ জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীক শৈক্ষিক ক্ষেত্ৰত উৎসাহিত কৰিছিল। জনগোষ্ঠীটোৰ প্ৰথম গৰাকী ড"ৰেট ডিগ্ৰীধাৰী শিক্ষাবিদ তথা উদ্ভিদ বিজ্ঞানী ডঃ বিমল নাগে ২০১১ বৰ্ষৰ ২১ নবেম্বৰত তেজপুৰ চহৰত জীৱনৰ অৱসান ঘটায়।

তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলৰ পৰা পৰিৱেশিত বিশেষ এটা বাতৰিয়ে জনগোষ্ঠীটোৰ লগতে ৰাজ্যখনৰ চিন্তাশীল মানুহৰ মাজত ভুলকৈ এটা নেৰিটিভ সৃষ্টি কৰিলে। ইয়াত সামাজিক মাধ্যমে বিশেষ ভূমিকা ল'লে। আনহাতে, অসমৰ নিৰ্ভৰযোগ্য বৈদ্যুতিক সংবাদ প্ৰতিষ্ঠানৰ এক আলোচনাটো একেটা জনগোষ্ঠীৰ এজন অতিবিশেষ ব্যক্তিৰ কথা ভুলভাৱে উপস্থাপন কৰা হৈছে। সেই সম্পৰ্কে পৰৱৰ্তী লেখাত আলোচনা কৰা হ'ব।

ওপৰুৱা তথাকথিত অধ্যয়নে অসমত শ্ৰমৰ মৰ্যাদা প্ৰতিষ্ঠা কৰা চাহশ্ৰমিক মানুহখিনিৰ ইতিহাস, সংস্কৃতিয়ে সাহিত্যত ঠন ধৰি নুঠে। নিজৰ জনগোষ্ঠীটোৰ বহু লেখক, সাহিত্যিকেই নিজৰ জনগোষ্ঠীৰ লোকসকলৰ খোলাটোৰ ভিতৰলৈ অৰ্থাৎ গভীৰলৈ সোমোৱাৰ চেষ্টা আজিলৈকে কৰা নাই। কেৱল নেৰেটিভ সৃষ্টি কৰি কাৰোবাক নায়ক বা খলনায়ক সজোৱা কাৰবাৰ কৰাতহে ব্যস্ত। যিটো আদিবাসী আৰু চাহ জনজাতি নামেৰে নামাংকিত জনগোষ্ঠীটোৰ লগতে বৃহত্তৰ অসমীয়া সমাজ জীৱনৰ বাবে অত্যন্ত দুখলগা বিষয়।

ফোনঃ ৮৪৮৬৩৪৬৭১১

# পৰিৱেশ সংৰক্ষণ আৰু আমি

**মঞ্জু কাকতি**

ঈশ্বৰে আমাক সৃষ্টি কৰিছে মন, বুদ্ধি, বিবেক আৰু শৰীৰটোক নানা অংগৰে.... গতিকে ইটোক বাদ দি সিটোৰে আমি চলিব নোৱাৰো। তেনেকৈ প্ৰকৃতিয়েও আমাক নানা সৌন্দৰ্যশৈলী উপহাৰ দিছে সেয়ে প্ৰকৃতিৰ প্ৰতিটো সৌন্দৰ্যশৈলীৰ অবিহনে মানুহৰ জীৱন অসাৰ।

আমি যেতিয়া খিৰিকীখন খুলি বা বাহিৰলৈ ওলাই আহি দেখো দূৰণিৰ সেউজীয়া গছবোৰ, ফুলনিৰ ফুলজোপা আৰু ৰাস্তাৰ কাষত থকা ওখ ওখ গছবোৰ। আমি চাই এইকাৰণেই ভাল পাওঁ যে আমিও জীৱমণ্ডলৰ এটা অংশ, আমাৰ মনত আজিও প্ৰকৃতি প্ৰীতি প্ৰৱহমান হৈ আছে গতিকে প্ৰকৃতি আমাৰ মা স্বৰূপ। মাকে সন্তানক লালন -পালন কৰাৰ দৰে প্ৰকৃতিয়েও উপহাৰবোৰ আটোমটোকাৰিকৈ ৰাখে সেয়ে প্ৰকৃতিৰ প্ৰতি আমাৰ কৰণীয় বহুত।

পৃথিৱী- আমাৰ একমাত্ৰ ঘৰ। এই পৃথিৱীৰ জীৱন্ততা আৰু সুন্দৰতাৰ আধাৰ হ'ল ইয়াৰ পৰিৱেশ। পৰিৱশৰ সংহতি আৰু ভাৰনীয়তাই জীৱ বৈচিত্ৰ্য, মানৱ সভ্যতা আৰু প্ৰাকৃতিক সম্পদসমূহৰ সুস্থ বিকাশক নিশ্চিত কৰে। বৰ্তমান বিজ্ঞান আৰু উন্নয়নৰ নামত এই পৰিৱেশক আমিহে বৃহৎ ক্ষতি সাধন কৰিছোঁ। সেই ক্ষেত্ৰত "পৰিৱেশ সংৰক্ষণ" শব্দযুগল আজিৰ সমাজৰ বাবে নিছল আদৰ্শ নহয় ; ই হৈছে আমাৰ বাবে অস্তিত্বৰ প্ৰশ্ন আৰু এই দায়িত্ব আমাৰ লগতে প্ৰত্যেকজন সচেতন নাগৰিকৰে গুৰুত্বপূৰ্ণ দায়িত্ব।

প্ৰকৃতিৰ বুকুত থকা কোনো বস্তু বা উপাদানক সুৰক্ষিত ৰখা বা সংৰক্ষণ কৰি আটোমটোকাৰিকৈ ৰখাকে সংৰক্ষণক বুজায় আনহাতে পৰিৱেশ বুলিলে আমি বুজো প্ৰাকৃতিক উপাদানসমূহ - মাটি, বায়ু, পানী, উদ্ভিদ, প্ৰাণী আৰু মানুহৰ এক আন্ত: সংযুক্ত ব্যৱস্থা। এই উপাদানসমূহক প্ৰদুষণ, ধ্বংস বা ক্ষতিৰ কবলৰ পৰা ৰক্ষা কৰাই হৈছে পৰিৱেশ সংৰক্ষণ। এই সংৰক্ষণ হৈছে নিজৰ অস্তিত ৰক্ষাৰ মৌলিক কৰ্তব্য।

"পৰিৱেশ সংৰক্ষণ আৰু আমি" - নিজৰ নিজৰ দায়িত্ববোধবোৰ এটা বৃত্তত মিলিত হ'লে আমিলৈ পৰিবৰ্তন হয়। পৃথিৱীৰ ওপৰত প্ৰত্যেকজন ব্যক্তিৰে ব্যক্তিগত প্ৰভাৱ থাকে। আমি যদি ইচ্ছা কৰোঁ ; পৃথিৱীৰ অধিক ক্ষতিকাৰক প্ৰভাৱসমূহক নিৰসন কৰিব পাৰোঁ। "পৰিৱেশ সংৰক্ষণ" এক বৃহৎ আন্দোলন বুলিও ক'ব পাৰি, কিন্তু এই আন্দোলনৰ আৰম্ভণি হওঁ আমি নিজেই গতিকে পৰিৱেশ সুৰক্ষাৰ প্ৰতি আমি দায়িত্বশীল আৰু কৰ্তব্যনিষ্ঠা হৈ সৰু সৰু পদক্ষেপৰদ্বাৰাই পৰিৱেশ সংৰক্ষণ কৰিব পাৰো। যেনে...

১/ গছ থাকিলেহে আমি জীয়াই থাকিম সেয়ে গছেই আমাৰ প্ৰাণ। আমি আমাৰ চাৰিওফালে থকা গছ-বিৰিখবোৰ যধে-মধে কাটিব নালাগিব বৰংচ গছপুলি ৰোপণ কৰাতহে গুৰুত্ব দিব লাগিব। এডাল পৰিপূৰ্ণ গছে দিনে ৩২২ গ্ৰাম পৰিমাণৰ অ'ক্সিজেন এৰি দিয়ে। বছৰত প্ৰায় ২২ কিলোগ্ৰাম কাৰ্বন-ডাই-অ'ক্সাইড এডাল গছে শুহি লয়। বনাঞ্চল ধ্বংসই মাত্ৰ কাৰ্বন -ডাই-অ'ক্সাইডৰ পৰিমাণ বঢ়োৱাই নহয়, ই জীৱবৈচিত্ৰ্যৰ ধ্বংসয়ো কৰে। তদুপৰি কিছুমান গছ আমাৰ সম্পদ হয় গতিকে সেই সম্পদবোৰক শুদ্ধ চিনাক্তকৰণেৰে সংৰক্ষিত কৰাৰ নীতি নিয়ম আমি শিকিব লাগিব। গুৰুজনাই এজোপা গছ দহজন পুত্ৰৰ সমান বুলি কৈ গৈছে। কথাষাৰৰ তাৎপৰ্য সকলো পক্ষৰ মানুহে হৃদয়ংগম কৰা উচিত।

২/ বিদুৎ ব্যৱহাৰত আমি সচেতন হ'ব লাগিব। প্ৰয়োজনীয়খিনি ব্যৱহাৰ কৰি অপব্যয়ৰ মাত্ৰা কমাব লাগিব।

৩/ প্ৰকৃতি আমাৰ মা স্বৰূপ যেতিয়া যতে ততে জাৱৰ-জোথৰ বা আৱৰ্জনা পেলাই পৰিৱেশ বিনষ্ট কৰিব নালাগিব। পাষ্টিক প্ৰকৃতিৰ বাবে এক প্ৰলয়। সেয়ে পাষ্টিকৰ সামগ্ৰী ব্যৱহাৰ নকৰি কাগজ অথবা কাপোৰৰ বেগ ব্যৱহাৰ কৰিব পাৰোঁ। তেনেদৰে অন্যান্য পাষ্টিকৰো ব্যৱহাৰৰ ক্ষেত্ৰত বিকল্প ব্যৱস্থা ল'ব পাৰো।

৪/ জল, স্থল আৰু বায়ু সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিব লাগিব। প্ৰতিদিনে ব্যৱহাৰ কৰা পানীৰ এক টোপালো যাতে অপব্যয় নহয় তাৰপতি আমি সচেতন হ'ব লাগিব। পানীৰ সংকট ভৱিষ্যতে এটা ডাঙৰ সংকট হ'ব বুলি বিজ্ঞানীসকলে সতৰ্ক কৰিছে। সেয়ে পানী বচাবলৈ আমি চেষ্টা কৰিব লাগিব।

৫/ প্ৰতিৰক্ষা শক্তি সম্পদ বচাবলৈ আৰু বায়ু প্ৰদুষণ হ্ৰাস কৰিবলৈ পৰিবহণ মাধ্যমৰ বিকল্প হিচাপে চাইকেল ব্যৱহাৰ অথবা বৈদ্যুতিক বাহন ব্যৱহাৰ কৰিব লাগিব।

৬/ জীৱবৈচিত্ৰ্যৰ সংৰক্ষণ হিচাপে আমি প্ৰাণী, চৰাই-চিৰিকটি, মাছ ইত্যাদিৰ যত্ন লব লাগিব। কিয়নো সকলো জীৱই পৃথিৱীৰ জীৱন চক্ৰত গুৰুত্বপূৰ্ণ।

আমাৰ কৰ্মৰাজিয়ে দিনক দিনে প্ৰকৃতিক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। জল, স্থল, জীৱ আৰু বায়ু আজি সংকটাপন্ন। ইয়াৰ বাবে দায়ী আমিয়েই। বৰ্তমান গোলকীয় উত্তাপ দিনে দিনে বাঢ়ি গৈছে। ওখ ওখ গছবোৰ কাটি ওখ ওখ বিল্ডিং স্থাপিত হৈছে। বছৰত নিৰ্দিষ্ট দিনটোত "বিশ্ব পৰিৱেশ দিৱস" পালন কৰাত পাৰ্গত আমি, দুজোপামান গছপুলি ৰুই ফটো আপডেট দিয়াটো পাৰ্গত আমি কিন্তু সেই দিনটো যোৱাৰ পিচত গছজোপাত সাৰ পানী দিবলৈ কাৰোৱেই আহৰি নাই।

পৰিৱেশ সংৰক্ষণৰ বাবে অতিকে দৰকাৰী শিক্ষা আৰু সচেতনতা। যিকোনো প্ৰচাৰ মাধ্যমৰদ্বাৰা পৰিৱেশ সংৰক্ষণৰ বিষয়ে মানুহক অৱগত কৰাই সজাগ কৰিব লাগিব। বিশেষকৈ শিশু আৰু কৈশোৰ প্ৰজন্মক প্ৰাকৃতিক সম্পদৰ মূল্য আৰু সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে শৈশৱৰ পৰাই শিক্ষা দিয়াটো অত্যন্ত জৰুৰী।

পৰিৱেশৰ প্ৰতি জাগ্ৰত হোৱা, ইতিবাচক সজাগতা, সংৰক্ষণৰ দক্ষতা, সমজুৱাকৈ বিভিন্ন আঁচনি গ্ৰহণ কৰি কৰ্মশীল হোৱা ইত্যাদিবোৰেই

প্ৰকৃতিৰ প্ৰতি আমাৰ কৰণীয় আৰু আমি প্ৰকৃতি প্ৰেমী হ'লেহে পৰিৱেশ সংৰক্ষণত সক্ষম হম। গতিকে "পৰিৱেশ সংৰক্ষণ" আমাৰ বাবে নৈতিক, সামাজিক আৰু মৌলিক দায়িত্ব।

"পৃথিৱী আমাৰ কৃপাৰ বাবে নহয়, আমি পৃথিৱীৰ কৃপাৰ বাবে জীয়াই আছোঁ।" এই বোধ সকলোৰে প্ৰাণত জন্মাই আহক সজাগতাৰে "পৰিৱেশ সংৰক্ষণ"ত আমি এখোজ দুখোজকৈ আগুৱাই যাওঁ।

## সম্পাদকলৈ চিঠি

# ভাৰত আৰু পাকিস্তানৰ মাজৰ ক্ৰিকেট খেলৰ দুৰত্বই কাক ক্ষতি কৰিব?

ভাৰতৰ ভূমিত অনুষ্ঠিত হোৱা সকলো ধৰণৰ ক্ৰিকেট খেল পৰিচালনা কৰাৰ কৰ্তৃত্ব ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ হাতত আছে। ভাৰতে আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা সকলো ক্ৰিকেট খুব ধুনীয়াকৈ আৰু সুচাৰুৰূপে পৰিচালনা কৰি আছে। বৰ্তমান ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডৰ সচিব পদত অধিষ্ঠিত হৈ আছে অসম সন্তান দেৱজিত শইকীয়া। ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট বোৰ্ডৰ সচিব পদত ভাৰতৰ পূৰ্বৰ বি চি চি আই সচিব জয় শ্বাহ অধিষ্ঠিত হৈ আছে। অৰ্থ উপাৰ্জনৰ দিশৰ পৰা ইতিমধ্যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড চমুকৈ বি চি চি আই পৃথিৱীৰ ভিতৰতে আটাইতকৈ ধনী ক্ৰিকেট বোৰ্ড হিচাপে পৰিগণিত হৈছে। ২০০৮ চনত পোন প্ৰথমবাৰৰ বাবে ক্লাব ফ্ৰেঞ্চাইজ ক্ৰিকেটৰ আৰম্ভণি বি চি চি আইৰ তত্ত্বাৱধানত ইণ্ডিয়ান প্ৰিমীয়াৰ লীগ চমুকৈ আই পি এলৰ জৰিয়তে হৈছিল। বৰ্তমান সময়ত বি চি চি আইৰ এই লীগ ক্ৰিকেট বিশ্বৰ সবাতোকৈ অৰ্থ উপাৰ্জনকাৰী আৰু জনপ্ৰিয় ক্ৰিকেট লীগ হিচাপে চিহ্নিত হৈছে। আই পি এলত খেলা প্ৰতিগৰাকী খেলুৱৈ এটা সংস্কৰণ খেলিয়ে যথেষ্ট অৰ্থ উপাৰ্জন কৰিবলৈ সক্ষম হয়। পৃথিৱীৰ প্ৰতিখন দেশৰ ক্ৰিকেটাৰে বি চি চি আইৰ অধীনত চলা আই পি এল ত খেলাৰ বাবে অনুমতি লাভ কৰিছিল। কিন্তু মুম্বাইত হোৱা সন্ত্ৰসবাদী আক্ৰমণৰ পিছতে বি চি চি আইয়ে লোৱা সিদ্ধান্ত অনুসৰি পাকিস্তানৰ খেলুৱৈ সকলক আই পি এল খেলাৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হয়। সেই নিষেধাজ্ঞা আজিও বলৱত হৈ আছে। পাকিস্তান সমৰ্থিত সন্ত্ৰসবাদীয়ে ভাৰতত কৰা বিভিন্ন কূটঘটমূলক কাৰ্যকলাপৰ পিছতে পাকিস্তানৰ সৈতে ভাৰতীয় জাতীয় ক্ৰিকেট দলটোৱে কোনো ক্ৰিকেট খেল নেখেলাৰ দাবী উত্থাপন হৈ আহিছিল যদিও সেয়া সম্পূৰ্ণৰূপে কাৰ্যত ফলপ্ৰসূ হোৱা নাছিল। বিভিন্ন সমস্যাৰ বাবে এই দাবী কাৰ্যক্ষেত্ৰত ফলপ্ৰসূ কৰাত বি চি চি আই বাধাৰ সন্মুখীন হৈ আহিছিল। বৰ্তমান কিন্তু খবৰ ওলাইছে যে সেই সকলো বাধাক নেওচি বি চি চি আইয়ে ঘোষণা কৰিছে যে এছিয়ান ক্ৰিকেট কাউন্সিলৰ অধীনত অনুষ্ঠিত হব লগীয়া কোনো খেলত ভাৰতীয় ক্ৰিকেট দলে অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকিব। এই বছৰতে অনুষ্ঠিত হব লগা ইমাৰ্জিঙ মহিলা এছিয়া কাপ আৰু পুৰুষৰ এছিয়া কাপত অংশগ্ৰহণ নকৰে ভাৰতীয় দল দুটাই। এই খবৰ বি চি চি আইয়ে আনুষ্ঠানিক ভাৱে ৰাজহুৱা কৰা নাই যদিও এই খবৰ বিভিন্ন মাধ্যমৰ জৰিয়তে বিয়পি পৰাৰ লগে লগে ভাৰতীয় ক্ৰিকেট অনুৰাগী সকলক যথেষ্ট উৎফুল্ল হোৱা দেখিবলৈ পোৱা গৈছে। আচলতে যিহেতু খবৰ ওলাইছে যে ভাৰতে ইতিমধ্যে এছিয়া কাপৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে গতিকে তেনে স্থলত বৰ্তমান বহুলভাৱে চৰ্চিত প্ৰশ্নটো হৈছে ভাৰতৰ উপস্থিতি অবিহনে এছিয়া কাপ অনুষ্ঠিত কৰাটো সম্ভৱপৰ হৈ উঠিবনে? যদি এছিয়া কাপ অনুষ্ঠিত কৰা হয় তেনেহলে এই প্ৰতিযোগিতাখনৰ বাবে স্পন্সৰ ক'ৰ পৰা লাভ কৰিব। যিহেতু ক্ৰিকেট বিশ্বত কেৱল আৰু কেৱল ভাৰতীয় ক্ৰিকেট দলটোৱে খেলা খেল সমূহতহে অধিক উপাৰ্জন হয় তেনে ক্ষেত্ৰত ভাৰতীয় দলৰ অনুপস্থিতিত এছিয়ান ক্ৰিকেট কাউন্সিলৰ বাবে এছিয়া কাপৰ যিকোনো প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি হোৱাটো নিশ্চিত। হয়তো অৰ্থৰ অভাৱত আগন্তুক এছিয়া কাপ অনুষ্ঠিত নহবও পাৰে। ইয়াৰ উপৰিও পাকিস্তান ক্ৰিকেট বোৰ্ডৰ উপৰিও বহু পাকিস্তানী ক্ৰিকেটাৰে ভাৰতৰ সৈতে দ্বীপক্ষীয় শৃংখলা অনুষ্ঠিত কৰাৰ বাবে পোষকতা কৰি আহিছে। কিন্তু পাকিস্তানৰ সেই অনুৰোধত চেঁচা পানী পেলাই বিশ্বকাপ অথবা এছিয়া কাপৰ খেলৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট বৰ্ড চমুকৈ আই চি চিৰ পৰা পাকিস্তান ক্ৰিকেট বোৰ্ডে লাভ কৰা ধনৰো ৰাস্তা বন্ধ কৰাৰ দিশে অগ্ৰসৰ হৈছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ড। যদি ভাৰতে এছিয়া কাপৰ দৰে বিশ্বকাপ ক্ৰিকেটৰ মজিয়াটো পাকিস্তানৰ বিৰুদ্ধে খেলিবলৈ অনিচ্ছুক হয় তেনেহলে পাকিস্তান ক্ৰিকেট বোৰ্ডৰ অৰ্থ উপাৰ্জনৰ পথ বন্ধপ্ৰায় হৈ পৰিব। ভাৰত চৰকাৰে পাকিস্তানক সামৰিক, কূটনৈতিক আৰু অৰ্থনৈতিকভাৱে যথেষ্ট প্ৰত্যাহ্বান সৃষ্টি কৰিবলৈ ইতিমধ্যে সক্ষম হৈছে। পাকিস্তানৰ বিৰুদ্ধে চলি থকা অপাৰেচন সিন্দূৰৰ এয়া এক অংশ বুলি পোনপটীয়াকৈ কোৱাটো সম্ভৱ নহয় যদিও পাকিস্তান ক্ৰিকেট বৰ্ড চমুকৈ পি চি বি কিন্তু বি চি চি আইৰ এই সিদ্ধান্তৰ পিছত যথেষ্ট আৰ্থিক প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটো নিশ্চিত। বি চি চি আইৰ এই সিদ্ধান্তত যদিও কোনো আনুষ্ঠানিকতা নাই তথাপিও প্ৰতিগৰাকী দেশবাসীয়ে বিচাৰিব বোৰ্ডে কেৱল সাময়িক সিদ্ধান্ত নহৈ এক স্থায়ী সিদ্ধান্ত হোৱাটো বৰ্তমান সময়ত অতিকৈ জৰুৰী। অন্যথা পাকিস্তানে কেতিয়াও নিজৰ চৰিত্ৰ ঠিক কৰিবলৈ তৎপৰতা নেদেখুৱাব।

**দেবৰ্ষি গৌতম**

ফোন ঃ ৬৯১৩৯ ৩০৮২৯

### বৰক্ষেত্ৰীৰ বামুনবড়ীত কৃতী ছাত্ৰ-ছাত্ৰী-অৱসৰী শিক্ষক-কৰ্মচাৰী, বিশিষ্ট লোকক সম্বৰ্ধনা

# ইণ্টাৰনেট যিমানেই নোচোৱা কিয় কিন্তু গ্ৰন্থৰ বিকল্প নাই ঃ ড° ভৱজিৎ বায়ন

**দৌলাশাল, ৯ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বামুনবড়ীত আজি অনুষ্ঠিত হৈ যায় এক সম্বৰ্ধনা অনুষ্ঠান। অনুষ্ঠানটোত কৃতি ছাত্ৰ-ছাত্ৰী আৰু অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট লোকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বামুনবড়ী গাঁও উন্নয়ন কমিটি আৰু বামুনবড়ী মূলাঘাটা মিলন সংঘৰ সৌজন্যত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটোত সভাপতিত্ব কৰে গাঁও উন্নয়ন কমিটিৰ সভাপতি চৈয়দ আব্দুল মন্নাফে। বামুনবড়ী ৰাজহুৱা সভাগৃহত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে গাঁও উন্নয়ন কমিটিৰ সম্পাদক দ্বাৰাজ আলীয়ে। সভাৰ আৰম্ভণিতে শ্বহীদ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ভূপেন হাজৰিকাৰ “কত জোৱানৰ মৃত্যু হ'ল” শীৰ্ষক গীতটো পৰিবেশন কৰে স্থানীয় কণ্ঠশিল্পী তথা কৃতি ছাত্ৰ আৰিফুল হকে। সম্বৰ্ধনা অনুষ্ঠানটোৰ আঁত ধৰে যুৱ সমাজকৰ্মী ইউচুফ হুছেইন তালুকদাৰে। সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰপেটা জিলাৰ নগাঁওস্থিত বাউসী বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ অধ্যাপক ডঃ ভৱজিৎ বায়নে। ভাষণ প্ৰসংগত ডঃ বায়নে কয় যে- “সফলতাৰ শিখৰত উপনীত হ'বলৈ হ'লে মানুহক সামৰ্থ লাগিব। সামৰ্থ অবিহনে সফলতাৰ শিখৰত উপনীত হ'ব নোৱাৰি। শিকি-বুজি আমি শেষত হ'লেও মানুহ হ'ব লাগিব। মানুহ হ'বলৈ আমাক শ্ৰদ্ধা আৰু কৃতজ্ঞতা লাগিব। আত্মশ্ৰদ্ধা হৈছে জীৱনৰ সফলতাৰ মাপকাঠি। জীৱনত সমস্যা আহিব। সেই সমস্যা সংগ্ৰামৰ জৰিয়তে সমাধান কৰিব লাগিব, আত্মবল-আত্মবিশ্বাসেৰে আমি সমস্যাবোৰ সমাধান কৰি জীৱন পথত আগুৱাই যাব লাগিব। মানুহ হ'বলৈ পাৰিলেহে জীৱনৰ শিক্ষা-দীক্ষাৰ মূল্য থাকিব।অকল নিজৰ উৎকৰ্ষ সাধন হ'লেই নহ'ব ; সমাজৰো উৎকৰ্ষ সাধন হ'ব লাগিব। ছাত্ৰ অৱস্থাৰ পৰাই শাৰীৰিক-মানসিক-বৌদ্ধিক বিকাশৰ উৎকৰ্ষ সাধন কৰিব লাগিব। আজিকালি ছাত্ৰ-ছাত্ৰীসকলে বেছি সময় ম'বাইল ফোনত ব্যস্ত হৈ থাকে। ম'বাইল ফোনৰ অপকাৰিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব লাগিব। যিমানেই ইন্টাৰনেট নোচোৰা কিয়; কিন্তু গ্ৰন্থৰ বিকল্প নাই।” নিজৰ লক্ষ্যত উপনীত হৈ সমাজৰ আশাবোৰ পূৰ্ণ কৰিবলৈও ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায় ডঃ বায়নে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্বহীদ সোঁৱৰণী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আব্দুল হালিম আহমেদ। ডঃ আহমেদে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। এজন শিক্ষাৰ্থীয়ে চৰিত্ৰৰ নিজস্বতা ধৰি ৰাখিব লাগিব, পৰিশ্ৰম কৰিব লাগিব আৰু ব্যৱহাৰ ভাল কৰিব লাগিব বুলিও মন্তব্য কৰে ডঃ আহমেদে। ছাত্ৰ-ছাত্ৰীসকলে পৰ্যায়ক্ৰমে গৈ নিজৰ লক্ষ্যত উপনীত হ'ব লাগিব। নিজৰ সন্তানক আগুৱাই নিবলৈ অভিভাৱকসকল সজাগ আৰু সচেতন হ'ব লাগিব বুলিও ভাষণ প্ৰসংগত ডঃ আব্দুল হালিম আহমেদে মন্তব্য কৰে। গাঁওখনৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ২৬ গৰাকী ছাত্ৰ-ছাত্ৰীক ফুলাম গামাচো, মানপত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ উপৰি কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলকো একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত বামুনবড়ী হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক চৈয়দ মবিদুৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষক চামচুদ্দিন আহমেদ, অসম আৰক্ষীৰ উপ পৰিদৰ্শক মকছেদ আলী, শ্বহীদ সোঁৱৰণী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ বিষয় শিক্ষক আব্দুল আলী, প্ৰাক্তন ছাত্ৰনেতা নেকিবুৰ , কৃতি ছাত্ৰ আৰিফুল হকৰ উপৰিও কেইবাগৰাকীও বিশিষ্ট লোকে ভাষণ প্ৰদান কৰে।



## কমলপুৰ সমষ্টিৰ বেজেৰাত মহৰ্ষি পাব্লিক স্কুলৰ নৱ নিৰ্মিত ভৱন মুকলি

**অসম বাৰ্তা, কমলপুৰ, ৯ জুন ঃ** কমলপুৰ সমষ্টিৰ বেজেৰাৰ খেহেনিপাৰা স্থিত মহৰ্ষি পাব্লিক স্কুলৰ শুভ উদ্বোধন।এই স্কুল খন আৰম্ভণি কৰিছিল এটা ভাড়া ঘৰত।প্ৰতিষ্ঠাপক আৰু স্কুল খনৰ শিক্ষক শিক্ষয়িত্ৰী কষ্ট আৰু ত্যাগৰ সু-ফল লাভ কৰিলে শিক্ষানুষ্ঠান খনে।সময়ৰ সোঁতত গৈ গৈ এটি অত্যাধুনিক ৰূপত গঢ় লৈ উঠিছে। ছয় কোঠালি যুক্ত নৱ নিৰ্মিত স্কুলৰ ভৱন এটিৰ আজি শুভ উদ্বোধন কৰা হয়।ছাত্ৰ-ছাত্ৰীসকলক এটি ভাল পৰিবেশৰ মাজত শিক্ষা প্ৰদানৰ হেতুকে আজি এই স্কুলখন ভৱন মুকলি কৰে। আমন্ত্ৰিত ব্যক্তি পূব কামৰূপ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক দীপক কোঁৱৰে ।অনুষ্ঠানটিত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ হৈ প্ৰতিনিধি হিচাপে উপস্থিত থাকে খগেশ ডেকা।নব নিৰ্মিত স্কুলৰ মুকলি অনুষ্ঠানটিৰ লগত সংগতি ৰাখি এক বাৰেৰহনীয়া অনুষ্ঠানৰ আয়োজন কৰে।যত ছাত্ৰ-ছাত্ৰীসকলে বক্তৃতা প্ৰদান কৰাৰ লগতে নৃত্য গীতৰ অনুষ্ঠানেৰে মহৰ্ষি পাব্লিক স্কুলৰ বাকৰি এক উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি কৰি তোলে। অনুষ্ঠানটিত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ.বিষয়-ববীয়া,শিক্ষক-শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক সকল উপস্থিত থাকে।

## খগৰপুৰৰ ঐতিহাসিক মহাৰাণী মন্দিৰে হাতবাউলি মাতে পৰ্যটক আৰু ভক্তপ্ৰাণ ৰাইজক

**অসম বাৰ্তা অভয়াপুৰী, ৯ জুন ঃ** বঙাইগাঁও জিলাৰ খগৰপুৰস্থিত ঐতিহাসিক মহাৰাণী মন্দিৰ উজ্জীৱিত হৈ উঠিছে এক নতুন ৰূপত। জিলা প্ৰশাসনৰ প্ৰচেষ্টাৰ ফলত এই পুৰণি মন্দিৰত অতি দ্ৰুতগতিত উন্নয়নমূলক কাম-কাজ চলি আছে। বিশেষকৈ, জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ ব্যক্তিগত আগ্ৰহ আৰু তদাৰকীৰ ফলত মন্দিৰটোৰ ৰূপ-ৰেখাত এক বৈপ্-ৱিক পৰিৱৰ্তন লক্ষ্য কৰা গৈছে। খগৰপুৰৰ এটি টিলাৰ মূৰত অৱস্থিত এই মন্দিৰখন পূৰ্বত বিৱৰ্ণ ৰূপত অযত্নত পৰি আছিল। কিন্তু এতিয়া, মন্দিৰৰ গোটেই চৌহদত ব্লক ইটাৰে সজ্জিত পথ, সৌন্দৰ্যৱৰ্ধক উপাদানৰে সজোৱা পুখুৰী আৰু মন্দিৰ পৰিসৰ সজোৱাৰ ফলত ভক্ত আৰু পৰ্যটকক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হি পৰিছে। বিশেষকৈ, টিলাৰ পশ্চিম দিশৰ পুখুৰীটোৰ পুনঃখনন কৰি তাৰ চাৰিওফালত সৌন্দৰ্যপূৰ্ণ পাৰ নিৰ্মাণ কৰা হৈছে। লগতে, টিলাৰ পৰা পুখুৰীলৈকে পাথৰৰ খটখটি নিৰ্মাণ কৰা হৈছে, যাৰ ফলত এতিয়া যিকোনো যানবাহনে অনায়াসে মন্দিৰলৈকে যাব পাৰে। ভাৰতীয় ৰেল বিভাগে এই মন্দিৰলৈ যোৱা পথটো ব্লক ইটাৰে পুনৰ্গঠন কৰি দিয়াৰ বাবেও ভক্তসকলৰ যাতায়াত অধিক সুনিশ্চিত আৰু সহজ হৈ পৰিছে। খগৰপুৰ অঞ্চলত অতীতত এক হাবিতলীয়া ঠাই আছিল, য'ত চৰাই-চিৰিকতিয়ে মুখৰিত বনাঞ্চলৰে বিস্তৃত আছিল। সেই সময়ত এক যাযাবৰী দলে অঞ্চলখনত কিছুদিন থাকি বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। তেনে এটি দলেৰ নেতা আছিল খছঙা। জনপ্ৰবাদ মতে খছঙাই এদিন সপোনৰ মাধ্যমে আদ্যাশক্তি মা মহাৰাণীৰ আদেশ লাভ কৰি এই টিলাখনত পূজা আৰম্ভ কৰে। তেতিয়াৰে পৰাই এই মন্দিৰত মা মহাৰাণীৰ পূজা চলি আহিছে। এই ঠাইত কেৱল মা মহাৰাণী নহয়, সুবাসনী, ৰাজা ঠাকুৰ, ৰাখাল ঠাকুৰ, পাগলা ঠাকুৰ, মহাদেৱ, যোঢ়শ গোপিনী, হেংলাই ঠাকুৰাণী, পাণবাৰী ঠাকুৰাণী, নাককাটি ঠাকুৰাণী আদিকো পূজা-অৰ্চনা কৰা হয়। সমগ্ৰ অসমৰ ভিতৰত পুৰণি মন্দিৰৰ তালিকাত উল্লেখযোগ্য স্থান দখল কৰা খগৰপুৰ মহাৰাণী মন্দিৰটো যথাযথ সংৰক্ষণ আৰু চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিলে, এই মন্দিৰটো ৰাজ্যিক পৰ্যটন মানচিত্ৰত এখন গুৰুত্বপূৰ্ণ স্থান লাভ কৰিব বুলি জনসাধাৰণৰ বিশ্বাস। স্থানীয় ৰাইজে দাবী উত্থাপন কৰিছে যে, এই মন্দিৰটোলৈ ৰাজ্য চৰকাৰে যদি অধিক গুৰুত্ব দিয়ে, তেন্তেই এখন উল্লেখযোগ্য তীৰ্থস্থান আৰু পৰ্যটনস্থল হিচাপে পৰিগণিত হব। মহাৰাণী মন্দিৰৰ এই উজ্জ্বলতা আৰু সজীৱতা মাত্ৰ ধৰ্মীয় বিশ্বাসৰ কেন্দ্ৰ নহয়, বৰঞ্চ খগৰপুৰ তথা বঙাইগাঁও জিলাৰ সংস্কৃতি, ইতিহাস আৰু পৰম্পৰাৰ এক প্ৰাণস্পন্দন স্বৰূপ।

## গোলাঘাটৰ সতী সাধনী ক'লাক্ষেত্ৰত যুৱতীক অশালীন আচৰণ, আটক দুজন

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ৯ জুন ঃ** গোলাঘাটত এগৰাকী যুৱতীক অশালীন ব্যৱহাৰ কৰি দুজন যুৱক আৰক্ষীৰ হাতত আটক হ'বলগীয়া হয়। ঘটনাটো সংঘটিত হয় গোলাঘাট নগৰৰ নাতি দূৰৈত অৱস্থিত সতী সাধনী কলাক্ষেত্ৰৰ উদ্যানত । জানিব পৰামতে আজি বিয়লি কলাক্ষেত্ৰৰ উদ্যানৰ ট্ৰয় ট্ৰেইনত এগৰাকী যুৱতীক চাৰিজনীয়া যুৱকৰ এটা দলৰ এজনে পাছফালৰ পৰা বুকুত ধৰি অশালীন ব্যৱহাৰ কৰাক লৈ উদ্যানখনত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। খবৰ অনুসৰি,পৰিয়ালৰ সৈতে উদ্যানলৈ যোৱা দুগৰাকী যুৱতী ট্ৰয় ট্ৰেইনত উঠি থকা অৱস্থাতে চাৰিজন যুৱক উঠে ট্ৰয় ট্ৰেইনখনত। ট্ৰেইনখন চলি থকাৰ মাজতে চাৰিগৰাকী যুৱকৰ মাজৰে এজনে এগৰাকী যুৱতীক গোপন অংগত পাছফালৰ হাত দিয়ে। যুৱতী গৰাকীয়ে চিঞৰ বাখৰ কৰাত যুৱক কেইজনে পলাবলৈ চেষ্টা কৰে। পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুজনক আটক কৰি গোলাঘাট আৰক্ষী থানালৈ লৈ আনে। ঘটনাটোৰ মূল অভিযুক্ত হিচাপে আশ্ৰাফুল হুছেইনসহ দুজনক ভুক্তভোগী যুৱতী গৰাকীয়ে চিনাক্ত কৰিছে। অভিযুক্ত আশ্ৰাফুল হুছেইনৰ ঘৰ গোলাঘাটৰ মেৰাপানীত বুলি আৰক্ষী এক সূত্ৰত প্ৰকাশ।

## গোলাঘাটৰ ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথ ৰঙাজানত ভয়ংকৰ পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ৯ জুন ঃ** গোলাঘাট নগৰৰ সমীপৰ ৰঙাজানৰ কুমাৰপট্টিত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰামতে ৰঙাজানৰ কুমাৰপট্টিৰ দলঙৰ ওপৰত সংঘটিত হয় এই পথ দুৰ্ঘটনা। দুখনকৈ তীব্ৰ গতিত অহা বাইকে অভাৰ টেক কৰাৰ ফলতেই সংঘটিত হয় এই দুৰ্ঘটনা। গোলাঘাট নগৰৰ পৰা তীব্ৰ গতিত উভতি অহাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই দলঙৰ ওপৰত সংঘটিত হয় এই দুৰ্ঘটনা। AS-05-U-2363 নম্বৰৰ বাইক আৰোহীজনক স্থানীয় ৰাইজৰ সহযোগত উদ্ধাৰ কৰি সংকটজনক অৱস্থাত গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও, কিছু সময়ৰ পাছতে চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আনহাতে দুৰ্ঘটনা সংঘটিত কৰিয়েই AS-05-X-7345 বাইকখনৰ দুজন আৰোহী ঘটনাস্থলীৰ পৰা পলায়ন কৰে। বৰ্তমানলৈকে মৃত লোকজনৰ নাম জানিব পৰা হোৱা নাই । গোলাঘাট আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## নলবাৰীৰ ডিপ্তাত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বৰমা, ৯ জুন ঃ** বৰমা নিকটৱৰ্তী নলবাৰীৰ জিলাৰ ডিপ্তাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত নিত্য সংঘটিত হৈ আহিছে পথ দুৰ্ঘটনা। আজি পুৱা প্ৰায় ১০-৩০ বজাত যাত্ৰবাহী বাছৰ উদ্ভ্ৰাণ্ডালিত হোণ্ডাই বাহন ক্ষতি গ্ৰস্ত হয়। বৰপেটা অভিমুখী আছিল দুয়োখন বাহন, দিপ্তাত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনাটো। জানিব পৰা মতে গুৱাহাটীৰ পৰা পাঠশালালৈ হোণ্ডাই বাহন খন আহি থকা অৱস্থাত গুৱাহাটী দিশৰ পৰা অহা ৰেজিমা নামৰ বাছ এখনে নিয়ন্ত্ৰণ হেৰুৱাই খুন্দা মাৰে বাহনখনত যাৰ ফলত ক্ষতি হয় উক্ত বাহনখনৰ। ঘটনাত কোনো লোকৰ ক্ষতি হোৱা নাই যদিও বাহন খনৰ পিছৰ অংশ সম্পূৰ্ণ ক্ষতিগ্ৰস্ত হয়। হোণ্ডাই বাহন খনৰ নম্বৰ AS01EK5607 লগতে বাছৰ নম্বৰ AS01NC7606। বাছ চালকক নাকি লগাবলৈ পৰিবহণক আহ্বান হোণ্ডাই বাহনৰ চালকৰ। উল্লেখ্যে যে দীৰ্ঘদিন ধৰি বৰকুৰাৰ পৰা বৰমালৈ বাছসমূহৰ অনিয়ন্ত্ৰিত গতিবেগ দেখিবলৈ পোৱা গৈছে যাৰ ফলত প্ৰায় এইধৰণৰ দুৰ্ঘটনা সংঘটিত হয় বুলি জানিবলৈ দিয়ে প্ৰত্যক্ষদৰ্শীয়ে।

## শলগুৰি সত্ৰ নসত্ৰ কীৰ্তনঘৰত গোসাঁই উলিওৱা মহোৎসৱ উপলক্ষে নাম কীৰ্তন

**অসম বাৰ্তা, বটদ্ৰৱা, ৯ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ দক্ষিণ পূব দিশত অৱস্থিত ঐতিহ্যমণ্ডিত শলগুৰি সত্ৰ নসত্ৰত আজি উখল মাখল পৰিৱেশৰ সৃষ্টি হৈছে। সাতামপুৰুষীয়া ৰীতি নীতিৰে, ধৰ্মীয় পৰম্পৰাক সৰোগত কৰি আজি সত্ৰখনিত অনুষ্ঠিত হৈছে “গোসাঁই উলিওৱা মহোৎসৱ”। তদুপলক্ষে পুৱাৰে পৰা ভকত বৈষ্ণৱ, আইমাতৃ সকলৰ উপস্থিতিত হৰিনাম কীৰ্তনৰে মুখৰিত হৈ পৰিছে। উল্লেখ্য যে, বটদ্ৰৱা শলগুৰি সত্ৰৰ শশধৰ আতাই প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত শলগুৰি সত্ৰ নসত্ৰ কীৰ্তনঘৰত আজি দিনজোৰা কাৰ্যসূচীৰে গোসাঁই উলিওৱা মহোৎসৱ অনুষ্ঠিত হৈছে। পুৱাৰে পৰা ধৰ্মধ্বজা উত্তোলন, আইসকলৰ নাম, খোল প্ৰসঙ্গৰ পাছতে দুপৰীয়া নামপ্ৰসংগ অনুষ্ঠিত হয়। পাছত সন্ধিয়া বন্তি প্ৰজ্বলন আদি বিভিন্ন কাৰ্যসূচীৰ অন্তত নিশা নসত্ৰ নৱজ্যোতি যুৱক সংঘই ৰাৱন বধ ভাওনা পৰিবেশন কৰিব। ইফালে নসত্ৰ কীৰ্তনঘৰৰ ঈশ্বৰ তুল্য বুলি সত্ৰই মানি অহা “গুৰুজনাৰ সাগৰজুলি বস্ত্ৰ, গুৰুজনাৰ পাদুকা, গুৰুজনাৰ পদশিলা, চতুৰ্ভুজ বিষ্ণু মূৰ্তি, গৰুড়পক্ষীৰ মূৰ্তি আদি সত্ৰৰ সম্পদসমূহৰ ভক্তপ্ৰাণ ৰাইজক দৰ্শনৰ বাবে মনিকূটৰ বাহিৰত স্থাপন কৰা হয়।

## ৰূপনগৰৰ ভূমিস্খলনত প্ৰাণহানি হোৱা ৰঙিয়াৰ মনেশ্বৰ ৰাজবংশীৰ শেষকৃত্য সম্পন্ন

**অসম বাৰ্তাৰ সেৱা,ৰঙিয়া, ৯ জুন ঃ** কিছুদিন পূৰ্বে ৰাজ্যত একেৰাহে হৈ থকা বৰষুণৰ ফলত গুৱাহাটীৰ ৰূপনগৰত ভয়ংকৰ ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছিল আৰু মনেশ্বৰ ৰাজবংশী নামৰ এজন লোক নিখোজ হৈছিল।উদ্ধাৰকাৰী দলে দুদিনৰ অন্তত উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল তেখেতৰ মৃতদেহ।ৰঙিয়াৰ নিকটৱৰ্তী বিছেন্নালা গাওঁৰ নিবাসী আছিল মনেশ্বৰ ৰাজবংশী।ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ সক্ৰিয় কৰ্মী আছিল ৰাজবংশী। বিভিন্ন সামাজিক কাম-কাজৰ লগত জড়িত ৰাজবংশী নিজৰ দায়িত্বৰ বাবে বহু বছৰৰ পৰা গুৱাহাটীৰ ৰূপ নগৰত পত্নী আৰু কন্যা সন্তানসহ বসবাস কৰিছিল। দেওবাৰে মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৰঙিয়াৰ নিজ গৃহলৈ লৈ অনা হৈছে মনেশ্বৰ ৰাজবংশীৰ নশ্বৰ দেহ।তেখেতৰ মৃতদেহ ঘৰলৈ অনাৰ পাছতেই এক শোকাকুল পৰিবেশে বিৰাজ কৰে ৰঙিয়াৰ বিছেন্নালা গাৱৰ নিজ ঘৰত।সন্ধিয়া নিজ গাঁৱতেই শেষকৃত্য সমাপন কৰা হয় মনেশ্বৰ ৰাজবংশীৰ।

## শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত কাব্যিক সন্মিলন সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৯ জুন ঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিয়ে আয়োজন কৰা ২০২৫ বৰ্ষৰ প্ৰথমটি কাৰ্য্যসূচী মানকটা চাৰিআলিস্থিত ‘বোধিদ্ৰুম সমগ্ৰ অধ্যয়ন কেন্দ্ৰত’ সফলতাৰে ৰূপায়ণ কৰা হয় । “অসমীয়া কবিতাত জীৱনবোধ আৰু সমাজবোধ” শীৰ্ষক এই অনুষ্ঠানটিত পুৰণি প্ৰতিষ্ঠিত কবিসকলৰ জীৱনবোধ আৰু সমাজবোধ সম্পৰ্কীয় নিৰ্বাচিত কবিতা পাঠ কৰাৰ লগতে এই পঠিত কবিতাকেইটাৰ ওপৰত কবি হৰেন গগৈয়ে বিশ্লেষণ আগবঢ়ায় ।লগতে আধুনিক অসমীয়া কবিতাত “জীৱন আৰু সমাজবোধ” শীৰ্ষক বক্তৃতা প্ৰদান কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে । জিলা কবি সন্মিলনৰ অন্তৰ্গত জয়সাগৰ, ৰুদ্ৰসাগৰ, ম'ৰাবজাৰ, ৰংপুৰ, আমগুৰি, নামতি পিয়লি ফুকন শাখাৰ প্ৰতিনিধিসকলে অনুষ্ঠানটিত অংশগ্ৰহণ কৰে । কাব্যিক সন্মিলনখনত জিলা সভাপতি যোগেশ কিশোৰ ফুকন, সম্পাদক মনোজ কুমাৰ গগৈ, কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সদস্য বাবুল কুমাৰ বৰুৱাৰ লগতে কবি সন্মিলনৰ কাৰ্য্যকৰী সভাপতি দেৱযানী মহন্ত, জিলা পৰ্য্যবেক্ষক তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক দেৱযানী শইকীয়া গগৈ উপস্থিত থাকে । কবি সন্মিলন উপ-সমিতিৰ কাৰ্য্যকৰী সভাপতি দেৱযানী মহন্তৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সমগ্ৰ অনুষ্ঠানটিত আঁতধৰে কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক অশ্ৰুমণি দত্ত ঘোষে ।কবিতা পাঠৰ আৰম্ভণি কৰি জিলা সভাপতি যোগেশ কিশোৰ ফুকনে কবিতা, সাহিত্য আৰু কাব্য চৰ্চাৰ ওপৰত বক্তব্য ৰাখি গছ শিৰোনামেৰে এটি মনোজ্ঞ কবিতা পাঠ কৰে । তাৰ পাছতে হাৰেজা বেগমে ৰাম গগৈৰ ‘পথাৰ’ কবিতাটি, বীণা গোস্বামীয়ে ‘এটি প্ৰেমৰ পদ্য’, মীনাক্ষী নেওগ বৰুৱাই নলিনীবালা দেৱীৰ ‘জনমভূমি’, বৃষ্টিৰাণী শইকীয়া বড়াই দেৱকান্ত বৰুৱাৰ ‘মোৰ দেশ মানুহৰ দেশ’, নিৰু চেতিয়া হাজৰিকাই হীৰুদাৰ ‘মোৰ দেশ’, বন্দনা বৰাই হৰেকৃষ্ণ ডেকাৰ ‘সমুদ্ৰভীতি’, চম্পা শেনচোৱা গগৈয়ে নীলমণি ফুকনৰ ‘এটি হৰিণা পোৱালি’, বাবুল কুমাৰ বৰুৱাই দেৱকান্ত বৰুৱাৰ ‘লাচিত ফুকন’, সৰোজ কুমাৰ বৰুৱাই নৱকান্ত বৰুৱাৰ ‘ইয়াত নদী আছিল’ দেৱযানী শইকীয়া গগৈয়ে কবিতা পাঠ কৰে । পঠিত কবিতাসমূহ বিশ্লেষণ কৰি সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি হৰেন গগৈয়ে অসমীয়া কবিতাৰ নিৰন্তৰ চৰ্চা আৰু অৰ্থবহ উপলব্ধিত গুৰুত্ব আৰোপ কৰাৰ লগতে কবিতাসমূহৰ শব্দ-অৰ্থ-ভাব-ব্যঞ্জনা আৰু পৰিপূৰ্ণ চেতনাৰ সৰস বক্তব্য দাঙি ধৰি অসমীয়া কবিতাক জনপ্ৰিয় কৰাৰ স্বাৰ্থত এনে অনুষ্ঠান সঘনাই আয়োজন কৰিব লাগে বুলি উল্লেখ কৰে । মুখ্য বক্তা প্ৰেম গগৈয়ে তেখেতৰ অনুষ্ঠানটিৰ মূল বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰি অসমীয়া লব্ধপ্ৰতিষ্ঠিত কবিসকলৰ ভাব-ভাষাত ফুটি উঠা জীৱন-কলা, সমাজপ্ৰেম-দেশপ্ৰেম আৰু সমাজ চেতনাৰ বিষয়ে বিস্তাৰিত ব্যাখ্যা আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়াই উপ সমিতিৰ সহ আহ্বায়ক প্ৰাঞ্জল প্ৰতিম খনিকৰে উপস্থিত আটাইকে ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱাৰ লগতে কবি সন্মিলন উপসমিতিৰ ভৱিষ্যতৰ কাৰ্য্যপন্থা সম্পৰ্কেও আটাইকে অৱগত কৰে। ইয়াৰ পাছত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্য্যসূচী ধপাত বৰ্জন দিৱসটিও পালন কৰা হয় আৰু ধপাত আৰু নিচাযুক্ত সামগ্ৰীৰ বৰ্জনৰ বাবে সংকল্প গ্ৰহণ কৰে । কাব্যিক সন্মিলনখনত অন্যান্য সকলৰ লগতে উপস্থিত থাকে কবি সন্মিলন উপ-সমিতিৰ উপ-সভাপতি কল্পনা কটকী, অভিনৱ দত্ত, মনজিত কলিতা, অংকুৰজ্যোতি দত্ত, চিমি হাজৰিকাকে ধৰি বহুসংখ্যক ব্যক্তি ।

## বঙাইগাঁও জিলাৰ বইটামাৰীৰ বেছিমাৰীত ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত অঘটন

**বঙাইগাঁও, ৯ জুন ঃ** বঙাইগাঁও জিলাৰ বইটামাৰীৰ অন্তৰ্গত বেছিমাৰী অঞ্চলত আজি পুৱা এক ভয়াবহ পথ দুৰ্ঘটনা সংঘটিত হয়। ১৭নং ৰাষ্ট্ৰীয় ঘাইপথত চলি অহা এখন মালবাহী ট্ৰাকে হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত বাগৰি পৰে। দুৰ্ঘটনাৰ চকুতলীয়া সাক্ষীয়ে জনোৱা অনুসৰি, NL 01 AF 0752 নম্বৰৰ ট্ৰাকখন বেছিমাৰীৰ এক খৰাপ মেৰপেচৰ পৰা গৈ থাকোতে হঠাতে ব্ৰেক ফেল হোৱাৰ আশংকাত নিয়ন্ত্ৰণ হেৰুৱাই ৰখা নোৱাৰি দিশভ্ৰষ্ট হয়। ভাগ্যত, ট্ৰাকখন যি স্থানত বাগৰি পৰে, সেই সময়ত পথত কোনোবা যাত্ৰী বাহন বা পথচাৰী উপস্থিত নথকাৰ ফলত বৃহৎ বিপৰ্যয় এৰাই যায়।ট্ৰাকখনৰ চালকে সামান্যভাৱে আঘাতপ্ৰাপ্ত হয় আৰু স্থানীয় ৰাইজে তৎপৰতাৰে তেওঁক ওলাই আনে। চিকিৎসাৰ বাবে চালকজনক ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা হয়। স্থানীয় ৰাইজ আৰু আৰক্ষীৰ সহায়ত ট্ৰাকখন উদ্ধাৰৰ প্ৰচেষ্টা চলি আছে। ঘটনাটোৱে স্থানীয় লোকসকলৰ মাজত আতংক সৃষ্টি কৰিছে যদিও ৰাইজে স্বাভাৱিকতাৰ সৈতে পৰিস্থিতি সামলাই লৈছে। এই দুৰ্ঘটনাই পুনৰ এজন সচেতন চালকৰ প্ৰয়োজনীয়তা আৰু পথ নিৰাপত্তাৰ ক্ষেত্ৰত অধিক মনোযোগৰ প্ৰয়োজনীয়তা প্ৰকাশ কৰিছে।

## নহিৰা বিলপাৰ আঞ্চলিক শিৱ মন্দিৰত গছপুলি ৰোপণ

**অসম বাৰ্তা, মিৰ্জা, ৯ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত নহিৰাস্থিত নহিৰা বিলপাৰ আঞ্চলিক শিৱ মন্দিৰত ৰাইজে বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি দেওবাৰে বৃক্ষ ৰোপণ কাৰ্যসূচী উদযাপন কৰা পৰিলক্ষিত হয়।উক্ত মন্দিৰৰ সম্পাদক কবিন্দ্ৰ কলিতাই জানিব দিয়া অনুসৰি পুৱা মন্দিৰৰ চৌহদত আমলখি,কদম, কৃষ্ণচূড়া, ৰাধাচূড়া, নিম, শিলিখা, বকুলকে আদি কৰি অন্যান্য কেবাবিধ গছৰ পুলি ৰোপণ কৰাৰ লগতে মন্দিৰটোৰ চৌহদত চাফাই অভিযান চলোৱা হয়। উল্লেখযোগ্য যে আজিৰ উক্ত কাৰ্যসূচীত নহিৰা বিলপাৰ আঞ্চলিক শিৱ মন্দিৰৰ সভাপতি হিৰেণ দাসৰ লগতে আন আন সদস্য সকলেও অংশ গ্ৰহণ কৰে।

## বিজনীত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসমবাৰ্তা, বিজনী, ৯ জুন ঃ** চিৰাং জিলাৰ বিজনীৰ ডঃ বি আৰ আম্বেদকাৰ সমূহীয়া ভৱনত ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদ চমুকৈ আৰ,চি,পিৰ বিজনী প্ৰখণ্ডৰ উদ্যোগত সদ্য ঘোষিত হাই-স্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উতীৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়।আজিৰ এই সম্বৰ্ধনা অনুষ্ঠানত প্ৰায় ২০০ ৰো অধিক কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই সম্বৰ্ধনা অনুষ্ঠানত কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা,মানপত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদৰ সৰ্বভাৰতীয় সম্পাদিকা তথা অসম প্ৰদেশৰ সভানেত্ৰী ৰানু বুজৰ বৰুৱা, ধুবুৰী বিভাগৰ সম্পাদক দীপাংকৰ নাহা,বিজনীৰ বিশিষ্ট সমাজসেৱক ড সুবীৰ কুমাৰ দাস, বিজনীৰ বিশিষ্ট শিক্ষয়িত্ৰী ক্ৰমে ভদ্ৰাবতি নাথ,বিভা ৰায় সাহা সহ আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ,ৰাষ্ট্ৰীয় বজৰং দল ,ৰাষ্ট্ৰীয় ছাত্ৰ পৰিষদৰ সদস্য-সদস্যা সকল উপস্থিত থাকে

## অসম নেপালী সাহিত্য সভাৰ বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ৯ জুন ঃ** অসম নেপালী সাহিত্য সভাৰ বা'া জিলা সমিতি আৰু নিকাছি শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত ৭ জুনত নিকাছিৰ ইন্দ্ৰলাল পাঠক বালিকা বিদ্যালয়ত অসম নেপালী সাহিত্য সভাৰ নৱগঠিত বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ কাৰ্যভাৰ আৰু শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। দিনৰ ১১ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে শুভাৰম্ভ কৰাৰ পিছত নিকাছি শাখা সাহিত্য সভাৰ মহিলা সকলে এটি দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰে ।অনুষ্ঠানটোত বিভিন্ন গীত-নৃত্য পৰিবেশন কৰাৰ উপৰিও সাহিত্যানুৰগী সকলে কবিতা পাঠ কৰে । সভাত বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ নৱনিৰ্বাচিত সভাপতি ভীষ্প উপাধ্যায় ঢাকাল, সাধাৰণ সম্পাদক ওমপ্ৰসাদ পোখ্ৰেল তথা বি টি আৰৰ পাঁচ খন জিলাৰ সম্পাদককে ধৰি প্ৰতি খন জিলাৰ সদস্য সকলে শপত গ্ৰহণ কৰে ।অসম নেপালী সাহিত্য সভাৰ মুখ্য সচিব তিলক শৰ্মাৰ অনুপস্থিতিত শপত বাক্য পাঠ কৰোৱাই নেপালী সাহিত্য সভাৰ উপ-সভাপতি জগন্নাথ শৰ্মাই । এই শপত গ্ৰহণ অনুষ্ঠানত বিশিষ্ট সাহিত্যিক বদ্ৰী গুৰাগাঞি,অসম নেপালী সাহিত্য সভাৰ উপ-সভাপতি জগন্নাথ শৰ্মা, সাংস্কৃতিক সম্পাদক পৃথিবিলাস ভট্টৰাই,ইউ জি পি ওৰ ( এছ) ৰ অধ্যক্ষ সুৰজ ঘিমিৰে , সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য তিলক শৰ্মা ওলি তথা সাহিত্য সভাৰ বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি কেশৰ বস্নেত , সাহিত্য সভাৰ বি টি আৰৰ প্ৰাক্তন সভাপতি চন্দ্ৰ প্ৰসাদ ঘিমিৰে প্ৰমুখ্যে স্হানীয় বুদ্ধিজীৱী, মহিলা সমিতিৰ কৰ্মকৰ্তাকে শতাধিক লোক উপস্থিত থাকে ।

### মিলন জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ

# প্ৰতিষ্ঠাকালৰ ১৬ গৰাকী শিক্ষক-কৰ্মচাৰীক ৰাজহুৱা সম্বৰ্ধনা

**অসম বাৰ্তা, বনগাঁও, ৯ জুন ঃ** ১৯৮৮চনত ৰাইজৰ অপ্ৰাণ চেষ্টাত ঐতিহাসিক ৰাৱনা পাৰৰ নাতি দুৰত টটয়া গাৱঁত অৱস্হিত মিলন জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সমাৰোহ ২০২৫ আৰু শিক্ষক সম্বৰ্ধনা অনুষ্ঠানটি ৭ জুন শনিবাৰে আয়োজন কৰা এটি গাম্ভীৰ্যপুৰ্ন পৰিৱেশত অনুষ্ঠিত হয় । দিনযোৰাকৈ অনুষ্ঠিত হোৱা কাৰ্যসূচীৰ ভিতৰত প্ৰাক্তন ছাত্ৰ —ছাত্ৰীৰ নাম পঞ্জীয়ন ;;শিক্ষাগুৰুৰ আদৰনী ;;বন্তি প্ৰজ্বলন আদি কাৰ্যসূচীৰ অন্ততঃ পুৱা ১০-০০বজাৰ পৰা প্ৰতিস্হাপক প্ৰধান শিক্ষক ৰেৱ কান্ত বৰাৰ সঞ্চালনাত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত হয় । লক্ষ্যজিত শইকীয়াৰ গীত কথা আৰু সুৰৰ এটি সমবেত সংগীতৰে সভা খনি শুভাৰম্ভ হয় । উদযাপন সমিতিৰ সভাপতি ৰমেন বৰুৱাই সভাত আদৰনি ভাষন প্ৰদান কৰে । প্ৰাক্তন শিক্ষাৰ্থী গীতাশ্ৰী শইকীয়া আৰু মাধৱ হাজৰিকাই যুটীয়া ভাৱে আতঁ ধৰা সভাত প্ৰতিস্হা কালৰ পৰা ২০২৩ চনলৈ অঞ্চলটোত মানৱ সম্পদ গঢ়াত আত্মনিয়োগ হোৱা ১৬ গৰাকী কৈ শিক্ষক /কৰ্ম্মচাৰীক ৰাজহুৱাকৈ অঞ্চলটিৰ কেইগৰাকীমান প্ৰাক্তন ছাত্ৰৰ মহান প্ৰচেষ্টাত সামাজিক স্বীকৃতিৰে সম্বৰ্ধনা জ্ঞাপন কৰে । প্ৰতিস্হাপক প্ৰধান শিক্ষক ৰেৱ কান্ত বৰাকে প্ৰমুখ্যে কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰদীপ শইকীয়া ;; শিক্ষক লক্ষেশ্বৰ শইকীয়া ;;অনিল শইকীয়া ;; সমৰজিৎ সেন ;;দিপাঞ্জলী শইকীয়া ;; ৰাজীৱ ভাগৰতী ;;কৃষ্ণা ৰানী শইকীয়া ;;প্ৰশান্ত নেওঁগ ;:ৰুমী বৰা বৰুৱা ;;তৰুন ওজা ;:চতুৰ্থ বৰ্গ কৰ্ম্মচাৰী ৰমেশ শইকীয়া ;;বাপী ৰাম পায়ুন সহ ইতিমধ্যে পৰলোকপ্ৰাপ্তি হোৱা জয়ন্ত ওজা ;; ৰমেশ বৰুৱা ;;পুতুমাই শইকীয়াৰ সহ ১৬ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক /কৰ্ম্মচাৰীক একোখনিকৈ চেলেং চাদৰ ;;গ্ৰন্থ ;;লিখিত সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে । মৃত শিক্ষকৰ হৈ পৰিয়ালক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰ প্ৰাপ্ত শিক্ষক লক্ষেশ্বৰ শইকীয়া আদি কৰি সম্বৰ্দ্ধিত শিক্ষাগুৰুয়ে নিজৰ নিজৰ অনুভূতি প্ৰকাশ কৰে । সভাত ৰশ্মি ৰেখা শইকীয়াৰ বৰগীত, দেৱলীনা কলিতাৰ সত্ৰীয়া নৃত্য ;;সিদ্ধেশ্বৰ শইকীয়া কন্ঠৰ লোকগীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে । উল্লেখ যোগ্য যে ;;২০২৩ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে বিদ্যালয় খনক সমীপৱৰ্ত্তী চামগুৰি সত্ৰ ৰাৱণাপাৰ আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগল চামিল কৰে। চামিলকৰণৰ দুটা বছৰৰ পিছত প্ৰাক্তন ছাত্ৰ ছাত্ৰীয়ে শিক্ষাগুৰুৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ দৰে মহান ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰাত সন্তোষিত ৰাইজ তথা সচেতন মহল। সম্প্ৰতি শৈক্ষিক স্মৃতিক ধৰি ৰখা মিলন জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হোৱা মুকলি সভাত প্ৰাক্তন ছাত্ৰ ছাত্ৰী ;;অঞ্চলৰ গণ্য মান্য বিশিষ্ট বক্তি ;;শিক্ষাৱিদ ; আৰু অনুষ্ঠান প্ৰেমী ৰাইজ উপস্থিত থাকে । স্মৃতি গ্ৰন্থ মিলন জ্যোতি উন্মোচন ঃঃ একুৰি সোতৰ বছৰীয়া এক বৰ্ণিল ইতিহাস চিৰযুগমীয়া কৰি ৰখাৰ লক্ষ্যৰে সুনীল বৰুৱাই সম্পাদনা কৰি উলিওৱাঁ প্ৰায় ১০০ পৃষ্ঠাযুক্ত ““মিলন জ্যোতি ““নামৰ স্মৃতিগ্ৰন্থখনি দিপাঞ্জলী শইকীয়াই উন্মোচন কৰে।

## অসম বিধানসভাত এদিনীয়া

প্ৰস্তাৱ উত্থাপন কৰাৰ সময়ত, বিদেশীৰ বিষয়ত প্ৰতিপক্ষই হুলস্থুল কৰে। অসমৰ পৰিবহণ মন্ত্ৰী যোগেন মোহনে ডিব্ৰুগড় বিমানবন্দৰৰ নাম সলনি কৰি 'ভাৰত ৰত্ন ভূপেন হাজৰিকা বিমানবন্দৰ' কৰিবলৈ কেন্দ্ৰ চৰকাৰক একমতভাৱে অনুৰোধ কৰিবলৈ চৰকাৰী প্ৰস্তাৱ উত্থাপন কৰে। ৰাজ্যিক মন্ত্ৰিসভাই আগতে হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ অংশ হিচাপে বিমানবন্দৰৰ নাম সলনি কৰাৰ সিদ্ধান্ত লৈছিল। যোগেন মোহনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিদেশী চিনাক্তকৰণ আৰু নিৰ্বাসন সম্পৰ্কীয় উত্তৰৰ সময়ত কংগ্ৰেছ আৰু AIUDF-ৰ প্ৰতিপক্ষ সদস্যসকলে হৈচৈ কৰে। কংগ্ৰেছ আৰু AIUDF-ৰ বিধায়কসকলে প্ৰতিবাদ স্বৰূপে সভাৰ ৱেলত সোমাই পৰে। যেতিয়া যোগেন মোহনে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ নিৰ্দেশত উপৰোক্ত প্ৰস্তাৱ পঢ়ে কংগ্ৰেছ বিধায়কসকলে তৎক্ষণাৎ নিজৰ আসনত উভতি আহে, কিন্তু AIUDF-ৰ বিধায়কসকলে মাটিত বহি থাকে। হৈচৈ অব্যাহত থকাৰ বাবে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কাৰ্যবাহী ৩০ মিনিটৰ বাবে স্থগিত কৰে। উল্লেখযোগ্য যে, কংগ্ৰেছে এই প্ৰস্তাৱক স্বাগতম জনাইছে।

## মধুচন্দ্ৰিকাৰ নামত মৰণফান্দ

সোমবাৰে মেঘালয়ৰ আৰক্ষী সঞ্চালক প্ৰধান আই নোংৰাঙে জনায়। ডিজিপিয়ে লগতে কয় যে উত্তৰ প্ৰদেশৰ গাজীপুৰত পত্নী সোণমে আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰাৰ বিপৰীতে নিশাৰ অভিযানৰ সময়ত আন তিনিজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয়। ডিজিপিয়ে জানিবলৈ দিছে যে এছআইটিয়ে উত্তৰ-প্ৰদেশ পৰা এজন ব্যক্তিক আৰু আন দুজন অভিযুক্তক ইন্দোৰৰ পৰা গ্ৰেপ্তাৰ কৰিছে। নোংৰাঙে লগতে কয় যে গ্ৰেপ্তাৰ হোৱা লোককেইজনে হত্যাকাণ্ড সংঘটিত কৰিবলৈ ৰঘুবংশীৰ পত্নীয়ে তেওঁলোকক নিযুক্তি দিয়া বুলি স্বীকাৰ কৰে। এই অপৰাধৰ সৈতে জড়িত আৰু কিছু লোকক ধৰিবলৈ মধ্যপ্ৰদেশত এতিয়াও অভিযান অব্যাহত আছে বুলিও মেঘালয়ৰ আৰক্ষী সঞ্চালক প্ৰধান আই নোংৰাঙে কয়। সমগ্ৰ দেশক স্তম্ভিত কৰা এই হত্যাকাণ্ডৰ দোষীসকলক কৰায়ত্ত কৰাৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই আৰক্ষীক অভিনন্দন জনায়। "৭ দিনৰ ভিতৰতে ৰাজা হত্যাকাণ্ডৰ গোচৰত মেঘালয় আৰক্ষীয়ে এক বৃহৎ অগ্ৰগতি লাভ কৰিছে। মধ্যপ্ৰদেশৰ ৩জন আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে, মহিলাগৰাকীয়ে আত্মসমৰ্পণ কৰিছে আৰু আৰু ১জন আক্ৰমণকাৰীক ধৰিবলৈ অভিযান এতিয়াও চলি আছে।" -তেওঁ কয়।

## অসম বিধানসভাৰ এদিনীয়া

গেলাৰীৰ পৰা কিছুসময় বিধানসভাৰ কাৰ্যাৱলী চোৱাৰ পিছত গৌৰৱ গগৈয়ে সদনৰ বাহিৰত সাংবাদিকৰে মত বিনিময় কৰি তেওঁ কয় যে "আজিৰ তাৰিখত অসম বিধানসভাৰ অধীনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত ডিব্ৰুগড় বিমানবন্দৰটো নামকৰণ কৰা যাব।এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত। এই সিদ্ধান্তক আমি সকলোৱেই সমৰ্থন কৰিছো। এই প্ৰসংগতে মই আজি অসম বিধানসভালৈ আহিছো। এতিয়াৰে পৰা যিসকল পৰ্যটক ডিব্ৰুগড়লৈ আহিব সকলোৱেই সুধাকণ্ঠৰ নাম বিমানবন্দৰত ডাঙৰকৈ দেখা পাব। আমি গৌৰৱবোধ কৰিছো, লগতে আমি দেখিছো যে ডিব্ৰুগড়ৰ সৈতে বায়ুপথেৰে যোগাযোগত বহুত সমস্যা আছে। আমি আশা কৰিম নামটো দিয়াতেই চৰকাৰ যাতে সীমাবদ্ধ নাথাকে। সন্ধিয়াৰ পিছত ডিব্ৰুগড়ৰ সৈতে গুৱাহাটী নাইবা দিল্লীৰে ডিব্ৰুগড়ৰ এয়াৰ যোগাযোগ নাথাকে। আশা কৰো এইবোৰতো লগতে চৰকাৰে চকু দিব।" বিধানসভাৰ কাৰ্যাৱলী চোৱাৰ লগতে গৌৰৱ গগৈয়ে কংগ্ৰেছ বিধায়িনী দলৰ সদস্যসকলৰ সৈতে সৌজন্যমূলক সাক্ষাৎ কৰে বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীকো।আনহাতে,বহুদিনৰ মূৰত অসম বিধানসভাৰ চৌহদত উপস্থিত হ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে আজি বিজেপিৰ কণাদ পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ মনোনয়ন দাখিল কৰা হয় অসম বিধানসভা সচিবালয়ত। এই পৰ্বতো অংশগ্ৰহণ কৰে সোণোৱালে।গৌৰৱ গগৈ অসম বিধানসভাৰ অধ্যক্ষৰ গেলেৰীত উপস্থিত থকাক লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে,গৌৰৱ গগৈয়ে বিধানসভা চাবলৈ আহিলেও কাম নিদিব। গৌৰৱ গগৈয়ে অধ্যক্ষৰ অনুমতি লৈ বিধানসভাৰ গেলেৰীলৈ আহিছে, কিন্তু কংগ্ৰেছে যিমান চেষ্টা কৰিলেও অসমৰ ৰাইজৰ অন্তৰ জয় কৰিব নোৱাৰে।"

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

পৰা সিদ্ধিলৈ' শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। আজি ৰাজ্যিক বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই এক বিবৃতি জৰিয়তে এই সিদ্ধান্ত অৱগত কৰে।এই কাৰ্যসূচীসমূহৰ ভিতৰত জুন মাহৰ ১০-১১ তাৰিখে মন্ত্ৰী, সাংসদ, বিধায়কৰ উপস্থিতিত সংবাদমেল আয়োজিত হ'ব। হ'ব। প্ৰত্যেক জিলাতে ১০-২০ জুনৰ ভিতৰত পেছাদাৰীসকলৰ সন্মিলনৰ আয়োজন কৰা প্ৰত্যেক বিধানসভা সমষ্টিত ৰাইজৰ সহযোগত ১০-২০ জুনলৈ কেন্দ্ৰই আগবঢ়োৱা যোজনাসমূহৰ হেতু পঞ্জীয়ন শিবিৰ অনুষ্ঠিত কৰিব। জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বয়োবন্দন আয়ুষ্মান ভাৰত যোজনাৰ পঞ্জীয়ন ১০০ শতাংশ সুনিশ্চিত কৰিবলৈ প্ৰতি ঘৰে ঘৰে যাব লাগিব। এই কাৰ্যসূচীত সন্মানীয় সাংসদ, বিধায়ক, চিইএম, প্ৰাক্তন বিধায়ক, পাৰিষদ, ইএম, জিলা পৰিষদৰ সদস্য তথা পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাসকলৰ লগতে জ্যেষ্ঠ কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰিব। মোদী চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সফলতাৰ দিশসমূহৰ ওপৰত ১০ জুনৰ দিনা ৰাজ্যিক কাৰ্যালয়ৰ লগতে সকলো জিলা কাৰ্যালয়ত একোটাকৈ প্ৰদৰ্শনী ৰাইজৰ বাবে মুকলি কৰা হ'ব। ২১ জুন তাৰিখে আন্তঃৰাষ্ট্ৰীয় যোগ দিবস। ১৫ জুনৰ পৰা ২০ জুনলৈকে সকলো মণ্ডলতেই যোগ প্ৰশিক্ষণ শিবিৰ আয়োজিত হ'ব। ১৬-২০ জুনলৈ প্ৰতিটো শক্তিকেন্দ্ৰ পৰ্যায়ত, মোদী চৰকাৰৰ ১১ বছৰৰ উন্নয়নৰ যাত্ৰা বিষয়ে একোখনকৈ চোতাল বৈঠক আয়োজন হ'ব। ২৩ জুনত ড° শ্যামা প্ৰসাদ মুখাৰ্জীৰ পুণ্য তিথি উপলক্ষে বলিদান দিৱসত- প্ৰতিটো বুথত এই অনুষ্ঠান পালন কৰা হ'ব। তদনীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ দ্বাৰা জাৰি কৰা জৰুৰীকালীন অৱস্থাই এই বৰ্ষত ৫০ বছৰ অতিক্ৰম কৰিব। দেশৰ স্মৃতিত জুৰতা আৰু গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা সেই ক'লা অধ্যায় আজিও সজীৱ হৈ আছে। সেয়েহে প্ৰত্যেক জিলাত উক্ত ক'লা অধ্যায়ৰ উপৰত সভা অথবা আলোচনাচক্ৰ আয়োজন কৰি ৰাইজক অৱগত কৰা হ'ব। ইয়াৰ উপৰি 'গণতন্ত্ৰ সেনানী' সকলক সন্মানৰ কাৰ্যসূচী প্ৰতিখন জিলাতে ৰূপায়ণ কৰা হ'ব। বিভিন্ন স্তৰত প্ৰৱাস 'মোদী চৰকাৰৰ ১১ বছৰ-সংকল্পৰ পৰা সিদ্ধিলৈ' সমগ্ৰ কাৰ্যসূচীত নিম্নলিখিতভাৱে প্ৰবাস কাৰ্যক্ৰম অনুষ্ঠিত কৰা হ'ব। মুখ্য মহানগৰসমূহত কেন্দ্ৰীয় মন্ত্ৰী, ৰাষ্ট্ৰীয় বিষয়ববীয়া, মুখ্যমন্ত্ৰী, জিলা পৰ্যায়ত ৰাজ্যিক বিষয়ববীয়াসকল, ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকল আৰু সাংসদসকল, মণ্ডল পৰ্যায়ত জিলা বিষয়ববীয়াসকল, বিধায়ক, মেয়ৰ প্ৰতিনিধিসকল, মৰ্চাৰ ৰাজ্যিক বিষয়ববীয়াসকল, শক্তিকেন্দ্ৰ পৰ্যায়ত মণ্ডল স্তৰৰ পৰা ওপৰৰ বিষয় প্ৰতিনিধিসকল।

## বঙাইগাঁও কানাড়া বেংকত

াজি বেংক শাখাৰ সন্মুখত এক প্ৰতিবাদ সভাও অনুষ্ঠিত হয়। নন্দন দেবনাথৰ অভিযোগ অনুসৰি- দৰিদ্ৰ আৰু লোন বিচৰা সাধাৰণ ৰাইজৰ নামত বেংকৰ কৰ্মচাৰীয়ে ভুৱা একাউণ্ট খুলি, লাখ লাখ টকাৰ লোন ল'লে। এই লোন সেইসকল লোকৰ জ্ঞাত অৱস্থাত নহয়, যিসকলৰ কেতিয়াও কোনো পঞ্জীকৃত ব্যাংক একাউণ্ট নাছিল। বহু লোকৰ নামত ৫০ হাজাৰ টকাৰ লোন সংস্থান কৰা হৈছে, যাৰ বিষয়ে সেই ব্যক্তিসকল জানিও নাজানে। বিশেষকৈ ক'ভিড মহামাৰীৰ সময়ত, সাহায্যৰ নামত দৰিদ্ৰ ব্যক্তিসকলৰ আধাৰ আৰু ভোটাৰ আইডি সংগ্ৰহ কৰি বেংকৰ ভৰসা লৈ লোন প্ৰস্তুত কৰা হৈছিল। আৰ্থিক দিশৰ পৰা সম্পূৰ্ণ অজ্ঞান এনে বহুজনৰ নামত ভুৱা কাগজত লোন সেংছন কৰি আত্মসাৎ কৰা হৈছে বুলি দাবী কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। নন্দন দেবনাথে সংবাদমাধ্যমৰ সন্মুখত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সং হস্তক্ষেপৰ আবেদন জনাই কয়- "এই কেলেংকাৰীত নিযুক্ত বেংক কৰ্মচাৰী, স্থাণীয় দালাল আৰু অভ্যন্তৰীণ চক্ৰ মিলি কাম কৰিছে। তেতিয়া CID আৰু CBI তদন্তই যেন একমাত্ৰ বিকল্প।" প্ৰতিবাদ কাৰ্যসূচীত অংশগ্ৰহণ কৰা ৰাইজে 'দৰিদ্ৰৰ অধিকাৰ হৰণ কৰা বেংকৰ কৰ্মচাৰীৰ কঠোৰ শাস্তি হওক' বুলি শ্লোগান দিয়ে। এই ঘটনা বঙাইগাঁৱৰ ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বহুবছৰ ধৰি বেংকৰ ওপৰত থকা বিশ্বাস এতিয়া কঁপিবলৈ ধৰিছে। সাম্প্ৰতিক সময়ত যিবোৰ নামত লোন গ্ৰহণ কৰা হৈছে, সেইসকল ব্যক্তিয়ে অৱশেষত Recovery Notice পোৱাত ঘটনা পোনতে ফাট মাৰে। স্থানীয় ৰাইজ আৰু সমিতিৰ দাবী— এই বেংক কেলেংকাৰী কেৱল বঙাইগাঁৱত নহয়, হয়তো সমগ্ৰ অসমজুৰি এয়া এটি বৃহৎ ষড়যন্ত্ৰৰ অংশ হ'বও পাৰে। সেয়েহে মুখ্যমন্ত্ৰী সজাগ নহ'লৈ, দৰিদ্ৰৰ অধিকাৰ বেয়া দিনলৈহে হৰণ হ'ব বুলি আশংকা প্ৰকাশ কৰে জনসাধাৰণে।

## ভাৰতীয় ভলীবল ফেডাৰেচনৰ

সদ্যসমাপ্ত এক গৌৰৱজনক নিৰ্বাচনত নিৰ্বাচিত হোৱাৰ খবৰে সমগ্ৰ ৰাজ্যত উল্লাসৰ সোঁত বৈছে। নতুন দিল্লীত অনুষ্ঠিত ফেডাৰেচনৰ কেন্দ্ৰীয় অধিৱেশনত, দেশৰ প্ৰতিখন ৰাজ্যৰ ক্ৰীড়া প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি গনতান্ত্ৰিকভাৱে তেওঁক উপ-সভাপতি হিচাপে নিৰ্বাচন কৰে। এই নিৰ্বাচনে কেৱল ব্যক্তিগত সফলতাৰ সীমাৰ ভিতৰত নাথাকে; এইটো সমগ্ৰ অসমবাসীৰ বাবে এক গৰ্বান্বিত লগনি, ক্ৰীড়াৰ মঞ্চত অসমৰ গৰিমা পুনৰ প্ৰতিষ্ঠিত হোৱাৰ এটি চিহ্ন। সুশান্ত বিশ্ব শৰ্মা, যাৰ নেতৃত্বত অসম ভলীবল সন্থাই নতুন দিশ পাইছে, যিয়ে ৰাজ্যৰ প্ৰান্তিক অঞ্চলৰ পৰা উদীয়মান প্ৰতিভাক আগবঢ়াই লৈ আহিছে, তেওঁৰ নিৰ্বাচনে ৰাজ্যখনৰ ভলীবল খেলক ৰাষ্ট্ৰীয় মঞ্চত আৰু দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ পথ খুলিছে। অসমত ভলীবলৰ পৰিকাঠামো উন্নয়ন, খেলুৱৈসকলৰ প্ৰশিক্ষণ, আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজনত তেওঁৰ সক্ৰিয়তা ইতিমধ্যে এক আদৰ্শৰ ৰূপ লৈছে। উপ-সভাপতি হিচাপে এই দায়িত্বই তেওঁৰ দৃষ্টিভংগিক সামগ্ৰীকভাৱে ৰাষ্ট্ৰীয় পৰ্যায়লৈ বিস্তাৰ কৰাৰ এক সুযোগৰ দোৱাৰ খুলিছে। অসম ভলীবল সন্থা, বিভিন্ন ক্ৰীড়া সংগঠন, আৰক্ষী বিভাগ, আৰু সাধাৰণ জনতাৰ পৰা শ্ৰী শৰ্মালৈ ইতিমধ্যে শুভেচ্ছাৰ বতৰা আহি আছে একে পাৰ হৈ। তেওঁক এই দায়িত্ব পালনত সফলতা আৰু ভৱিষ্যতে অসমৰ ক্ৰীড়া খণ্ডলৈ অধিক অবদান দিব পাৰে, তেনে কামনাৰে ৰাজ্যবাসীয়ে অভিনন্দন জ্ঞাপন কৰিছে।

## এসপ্তাহৰ ভিতৰত পদত্যাগ

ৰাখাইন কৰিড'ৰক লৈ সেনা আৰু অন্তৱৰ্তী চৰকাৰৰ সংঘাত ইমানেই বাঢ়িছে যে নিশ্চিত হৈছে ইউনুছৰ প্ৰস্থান। খবৰ মতে ঈদৰ উপলক্ষত নৌসেনা প্ৰধানৰ সৈতে তেওঁক সাক্ষাৎ কৰিছিল সেনাধ্যক্ষই। তেতিয়াই সাধাৰণ নিৰ্বাচনৰ দিনাংক ঘোষণাৰ বাবে ইউনুছক তেওঁলোকে আহ্বান জনালে। দেশখনত স্থায়ী চৰকাৰ গঠনৰ বাবে তৎপৰ সেনাধ্যক্ষ জামানে ইউনুছক ডেডলাইনো বান্ধি দিছে। এইবাৰ নৌসেনাৰ মুৰব্বী নজমুল হাছানৰ সৈতে সাক্ষাৎ কৰি তেওঁ অন্তৰ্বতীকালীন শাসকক শেষ সুযোগ দিছে। বিগত সময়ত সেনাৰ অনুমোদন অবিহনে ইউনুছে ৰাখাইন কৰিড'ৰৰ বাবে আমেৰিকাক অনুমতি দিছিল। সেইবাবে নিশ্চিত হৈ পৰিছে ইউনুছৰ পতন। আনহাতে, পলমকৈ বাংলাদেশী শাসকক ঈদ-উজ-জোহাৰ শুভেচ্ছা জনাইছেনৰেন্দ্ৰ মোদীয়ে। এই উৎসৱৰ বাবে প্ৰধানমন্ত্ৰীয়ে ইউনুছক শুভকামনা জনাইছে।

## সাংসদ গৌৰৱৰ পত্নীয়ে

আহিব গৌৰৱৰ পত্নী এলিজাবেথ। অসমৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে গৌৰৱ গগৈৰ নিযুক্তিকেন্দ্ৰিক চৰ্চাৰ সময়তে এই দাবী কৰিছে নুপূৰ শৰ্মাই। অপ ইণ্ডিয়া নামৰ সংবাদ প্ৰতিষ্ঠানৰ সোঁপন্থী সম্পাদকগৰাকীয়ে নাম উল্লেখ নকৰাকৈ এ'ত দিছে বিশেষ প'ষ্ট। সেই অনুসৰি দেশৰ এজন উদীয়মান সাংসদৰ বিদেশী পত্নীয়ে গোপনে ভাৰত ত্যাগ কৰিবলৈ প্ৰস্তুতি চলাইছে। উক্ত প'ষ্টত সাংসদজনৰ পত্নীৰ আই এছ আইৰ সৈতে সম্পৰ্ক আছে বুলি নুপূৰ শৰ্মাই দাবী কৰিছে। এইগৰাকী নুপূৰ শৰ্মায়েই বিগত সময়ত আছিল থবিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ। কিন্তু হজৰত মহম্মদৰ বিষয়ে বিতৰ্কিত মন্তব্যৰ বাবে দলটোৱে তেওঁক নিলম্বিত কৰিছিল।নুপূৰ শৰ্মাই গৌৰৱ গগৈৰ নাম উল্লেখ নকৰাকৈ পত্নী এলিজাবেথৰ বিষয়ে কৰিছে টিপ্পনী। নুপূৰ শৰ্মাৰ মতে গৌৰৱে দিল্লীত উপস্থিত হৈ পত্নী আৰু সন্তানক বিদায় সম্ভাষণ জনাইছে। গোপনে তেওঁলোকে আজি নিশাই ভাৰত ত্যাগ কৰিছে। গতিকে অসমৰ নিৰ্বাচনৰ পিছতহে এলিজাবেথ উভতি আহিব।

## মনোনয়ন পত্ৰ দাখিল কনাড

দ্বিতীয়খন আসনৰ বাবে অগপই প্ৰাৰ্থিত্ব দিয়া বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি দুপৰীয়া ৰিটাৰ্নিং বিষয়াৰ ওচৰত মনোনয়নপত্ৰ দাখিল কৰে। ভাৰতৰ নিৰ্বাচন আয়োগৰ জাননী অনুসৰি, ৰাজ্যসভাৰ এই দুখন আসনৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম তাৰিখ ৯ জুন আছিল আৰু নিৰ্বাচন ১৯ জুনত পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৪ বজালৈকে অনুষ্ঠিত হোৱাৰ কথা। কিন্তু কোনো প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী নথকাত এতিয়া আৰু নিৰ্বাচনৰ প্ৰয়োজনীয়তা নাথাকিব। মনোনয়ন পৰীক্ষা ১০ জুন অৰ্থাৎ কাইলৈ কৰা হ'ব। মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম তাৰিখ ১২ জুন। ৰাজ্যসভাৰ এখন আসনত প্ৰাৰ্থী জয়ী কৰাব পৰাকৈ পৰ্যাপ্তসংখ্যক বিধায়ক নথকাৰ বাবে বিৰোধী দল কংগ্ৰেছে কোনো প্ৰাৰ্থী আগনবঢ়ালে। সেই পৰিপ্ৰেক্ষিতত বিৰোধীয়ে প্ৰাৰ্থী থিয় নকৰাৰ বাবে শাসকপক্ষৰ দুয়োজন প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী ঘোষিত হোৱাটো নিশ্চিত।

## ডুমডুমাত নৃশংস ঘটনা

লাইন নিবাসী বিমল তাঁতী(৩০)এ তেওঁৰ পত্নী প্ৰমীলা তাঁতী(২৫)ক আজি পুৱা কামলৈ গৈ থকাৰ সময়তে বাগিচাৰ পথৰ ওপৰতে দাৰে ঘপিয়াই নৃশংসভাৱে হত্যা কৰে। পুৱা প্ৰায় ৮: ৩০ মান বজাত বাগিচাৰ কামলৈ গৈ থকাৰ সময়ত বাটত আগভেটি ধৰি স্বামী বিমল তাঁতীয়ে সংঘটিত কৰে এই নৃশংস কাণ্ড। এই ঘটনা প্ৰত্যক্ষ কৰি বাগিচাত কৰ্মৰত একাংশ শ্ৰমিকে পত্নী হত্যাকাৰী বিমল তাঁতীক কৰায়ত্ব কৰি গণ প্ৰহাৰ কৰে। ঘটনাৰ খবৰ পাই ডুমডুমা থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাৰী বিমল তাঁতীক মুমূৰ্ষ অৱস্থাত উদ্ধাৰ কৰি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ লৈ যায় যদিও চিকিৎসালয় পোৱাৰ পূৰ্বেই পত্নী হত্যাকাৰী বিমল তাঁতীৰ মৃত্যু হয়। পাৰিবাৰিক কন্দলৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। আৰক্ষীৰ তদন্ত অব্যাহত আছে। উল্লেখ্য যে নিহত পত্নী প্ৰমীলা তাঁতী অন্তঃসত্তা আছিল। তেওঁলোকৰ ইতিমধ্যে এটা কণমানি সন্তান আছিল। এতিয়া পিতৃ - মাতৃৰ বিয়োগত কণমানিটি নিঠৰুৱা হৈ পৰিল।

## মধ্যাহ্ন ভোজনৰ আইমাতৃ

সংস্থাটোৱে অভিযোগ উত্থাপন কৰিছে যে ৬ আৰু ৭ জুনত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কেইবাখনো জিলাত অক্ষয়পাত্ৰ এন.জি.অ'ৰ হাতত মধ্যাহ্ন ভোজনৰ দায়িত্ব দিয়াৰ কথা ঘোষণা কৰে। এই সিদ্ধান্তৰ জৰিয়তে ৰাজ্যৰ হাজাৰ হাজাৰ আইমাতৃ সকলক "পেটে-ভাতে মৰাৰ" পৰিস্থিতিৰ সন্মুখীন কৰি দিয়া হ'ব বুলি সংগঠনটোৰ আশংকা। সন্থাটোৰ মতে, শিক্ষামন্ত্ৰী ডং ৰণোজ পেগুৱে পূৰ্বে সংগঠনটোক স্পষ্টকৈ আশ্বাস দিছিল যে মধ্যাহ্ন ভোজনৰ কাম এন.জি.অ'ক দিয়া নহ'ব। তথাপিও মুখ্যমন্ত্ৰীৰ এই সিদ্ধান্তক "হঠকাৰী আৰু জনবিৰোধী" বুলি আখ্যা দি, সংস্থাটোৱে উল্লেখ কৰে যে এই সিদ্ধান্ত বাতিল নহ'লে তেওঁলোকে ১ জুলাইৰ পৰা ধাৰাবাহিক অনিৰ্দিষ্টকালীন গণআন্দোলন আৰম্ভ কৰিব। সংগঠনৰ প্ৰস্তাৱিত আন্দোলনী কাৰ্যসূচীঃ- (১) ৭ জুলাই — BTR অঞ্চলৰ সকলো ৰেলপথ বন্ধ কৰি গণতান্ত্ৰিক, শান্তিপূৰ্ণ কাৰ্যসূচী পালন। (২) ৮ জুলাই — প্ৰতিখন জিলাৰ সদৰত আয়ুক্ত কাৰ্যালয়ৰ আগত অৱস্থান ধৰ্মঘট। (৩) ১০ জুলাই — খানাপাৰাৰ পৰা ৫০ হাজাৰ ৰান্ধনী সহায়িকা অংশগ্ৰহণ কৰি "মুখ্যমন্ত্ৰী সাক্ষাৎ ৰেলী" বাহিৰ কৰা হ'ব। মুখ্যমন্ত্ৰীৰ সাক্ষাৎ বিচাৰি খোজেৰে জনতা ভৱনত যাত্ৰা কৰিব। সংস্থাটোৱে স্পষ্টভাৱে সতৰ্ক কৰি দিছে যে, এই কাৰ্যসূচীবোৰৰ পাছতো যদি চৰকাৰে সিদ্ধান্ত বাতিল নকৰে, তেন্তে আৰু অধিক কঠোৰ গণতান্ত্ৰিক আন্দোলনৰ পথ বাচি ল'বলৈ বাধ্য হ'ব। উল্লেখযোগ্য যে, চৰকাৰে কিছুদিন পূৰ্বে মধ্যাহ্ন ভোজনৰ কৰ্মচাৰী সকলৰ পাৰিশ্ৰমিক বৃদ্ধি আৰু এককালীন সাহায্য প্ৰদান কৰি সদিচ্ছা প্ৰকাশ কৰিছিল। তথাপিও, এতিয়া এন.জি.অ'ৰ জৰিয়তে খাদ্য যোগানৰ সিদ্ধান্ত চৰকাৰৰ ওপৰত সংগঠনটোৰ বিশ্বাস হ্ৰাস কৰিছে বুলি বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে। সংস্থাটোৰ উপদেষ্টা তৃষ্ণা নাথ, সভানেত্ৰী সবিতা বড়ো আৰু সম্পাদক সুনীল ৰংপিৰ স্বাক্ষৰিত এই বিবৃতিখনত চৰকাৰক স্পষ্টভাৱে আহ্বান জনোৱা হৈছে যে— "এনে জনবিৰোধী সিদ্ধান্ত পোনপটীয়াকৈ বাতিল কৰক, নহ'লে ৰান্ধনী আইমাতৃ সকলে প্ৰতিবাদৰ কঠোৰ পথত আগবাঢ়ি যাবলৈ বাধ্য হ'ব।"

# অৱসৰ প্ৰাপ্ত শ্ৰম আয়ুক্ত প্ৰয়াত ৰবি চন্দ্ৰ পেগুৰ প্ৰথম মৃত্যু তিথি পালন; স্মৃতিচাৰণ সভা

### মিচিং জনগোষ্ঠীৰ ১২ গৰাকী কৃতি শিক্ষাৰ্থীক এককালীন সাহায্য প্ৰদান

**অসম বাৰ্তা, মাজবাট, ৮ জুন ঃ** অসম চৰকাৰৰ অৱসৰ প্ৰাপ্ত শ্ৰম আয়ুক্ত প্ৰয়াত ৰবি চন্দ্ৰ পেগু(৮০)ৰ আজি ৮ জুন তাৰিখে প্ৰথম মৃত্যু তিথিত পৰিয়ালে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ২০২৪ চনৰ আজিৰ এই দিনটোতেই অসম চৰকাৰৰ অৱসৰ প্ৰাপ্ত শ্ৰম আয়ুক্ত গৰাকীয়ে ডিব্ৰুগড় মিলননগৰৰ কে গলিৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰিছিল। আজি এই পবিত্ৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ দিনটোত নাম প্ৰসঙ্গেৰে তেখেতৰ মাংগলিক শুভকৰ্ম সমাপন হোৱাৰ পিছতেই এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত তেখেতৰ ভগ্নী ওডালগুৰি জিলাৰ মাজবাট মইনাগুৰিৰ নিৱাসী তথা মাজবাট খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ অৱসৰ প্ৰাপ্ত গাওঁসেৱিকা জানেকী পেগুক তেখেতে জীৱিত অৱস্থাত কৈ যোৱা ধৰণে মিচিং জনগোষ্ঠীৰ বাৰ গৰাকী কৃতি শিক্ষাৰ্থীক এককালীন সাহায্য প্ৰদান কৰি মৃতকৰ মনোবাঞ্ছা পূৰ কৰে। ছাত্ৰ -ছাত্ৰী সকল হৈছে - জেফৰ পেগু( সেনসে' বিশ্ববিদ্যালয় লণ্ডন), নিহাৰীকা দলে(জৱহৰলাল নেহৰু বিশ্ববিদ্যালয় দিল্লী), কৃষ্ণাণু পেগু (ডি-ফাৰ্ম অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল ডিব্ৰুগড়), চং পেগু ( এন চি চি ধেমাজি), ডেনিয়েল পেগু ( গমাৰুল একাডেমী নামঘৰীয়া), কুলদ্বীপ কুটুম ( ব্ৰহ্মপুত্ৰ একাডেমী মেচাকী), প্ৰিয়ম দলে ( আৰ কে মহাবিদ্যালয় ডিব্ৰুগড় ), নয়নদ্বীপ দত্ত (সম্পূৰ্ণ একাডেমী ডিব্ৰুগড় ), হিমাংক দলে ( একাডেমী ধেমাজি), সমীৰ পেগু (চিলাপথাৰ মহাবিদ্যালয়), জুবিন মোছাহাৰী ( ওডালগুৰি একাডেমী), কৰ্ণফুলি পেগু। ধেমাজি জিলাৰ চিলাপথাৰ চিচিবৰগাঁও মৌজাৰ নামঘৰীয়া গাঁৱৰ নিৱাসী প্ৰয়াত গড় সিং পেগু আৰু প্ৰয়াত কাঁন্দে পেগুৰ সন্তান ৰবি চন্দ্ৰ পেগুৰ জন্ম হৈছিল ১৯৪৪ চনৰ ১ নৱেম্বৰ তাৰিখে। তেখেতে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষকতা কৰি অসম লোকসেৱা আয়োগৰ অধীনত অনুষ্ঠিত হোৱা পৰীক্ষাত উত্তীৰ্ণ হৈ বিভিন্ন জিলাত জিলা আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি শেষত অসম চৰকাৰৰ শ্ৰম আয়ুক্ত হিচাপে ২০০৪ চনৰ ৩১ মাৰ্চ তাৰিখে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি বিভিন্ন সামাজিক কামত জড়িত হৈ পৰিছিল। তেখেতৰ মৃত্যুত জনগোষ্ঠীটোৰ এটি সম্পদ নোহোৱা হ'ল বুলি উপস্থিত ৰাইজে জানিবলৈ দিয়ে। তেখেতৰ অবৰ্তমানত জনগোষ্ঠীটোৰ বৃহৎ ক্ষতি হয়। তেখেতৰ আত্মাই চিৰ শান্তি লাভ কৰক তাৰেই কামনা কৰিছে উপস্থিত সকলে।

# শিৱসাগৰ জিলা মহিলা সমিতিৰ উদ্যোগত 'বিশ্ব ধাত্ৰী দিৱস' উদ্‌যাপন

### আহোম ৰাজত্ব কালত ৰাজকোঁৱৰ সকলৰ প্ৰতিপালন কৰা ধাইসকলৰ অৱদান অপৰিসীম - ডাঃ কবিতা শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৮ জুনঃ** শিৱসাগৰ জিলা মহিলা সমিতিৰ উদ্যোগত জিলা মহিলা সমিতিৰ কাৰ্যালয়ত দেশত চলি থকা যুদ্ধকালীন পৰিস্থিতিত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানক সমৰ্থন জনাই, যোৱা ১২ মে' তাৰিখে অনুষ্ঠিত হ'ব লগা "বিশ্ব ধাত্ৰী দিৱস" অনুষ্ঠানটি স্থগিত ৰাখি আজি এক গম্ভীৰ আৰু সুশৃঙ্খল অনুষ্ঠানৰ জৰিয়তে উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সমিতিৰ প্ৰাক্তন সম্পাদিকা প্ৰয়াত লিলি দিহিঙ্গীয়াৰ সোঁৱৰণীত তেওঁৰ পৰিয়ালবৰ্গৰ অনুদানেৰে নিৰ্মাণ কৰা স্থায়ী তোৰণখন উন্মোচন কৰে পৰিয়ালৰ হৈ কল্পনা দিহিঙ্গীয়া আৰু মিনাক্ষী দিহিঙ্গীয়াই। লিলি দিহিঙ্গীয়াৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি, সমিতিৰ মুখ্য উপদেষ্টা জয়শ্ৰী চলিহাই স্মৃতিচাৰণ কৰে। বক্তব্যৰ সময়ত তেখেতে লিলি দিহিঙ্গীয়াৰ কঠোৰ পৰিশ্ৰম আৰু সমিতিৰ বাবে দিয়া অৱদানক স্মৰণ কৰি আবেগিক হৈ পৰে। তাৰপিছত অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে জিলা মহিলা সমিতিৰ স্থায়ী সভানেত্ৰী মণিকা শইকীয়াই। সভাৰ আৰম্ভণিতে আধুনিক ধাত্ৰী সেৱাৰ প্ৰতীক 'Lady of the Lamp' ফ্লোৰেন্স নাইটিংগেলৰ প্ৰতিছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ভাষণ আগবঢ়ায় ডাঃকবিতা শৰ্মাই। বন্তি প্ৰজ্বলন কৰি দিয়া ভাষণত ডাঃ কবিতা শৰ্মাই কয় যে, নাৰী সদায় মমতাময়ী। নাৰী কেতিয়াবা ফুলতকৈও কোমল আৰু কেতিয়াবা বজ্ৰতকৈ কঠিন হৈ পৰে। তাৰ উদাহৰণ হৈছে ৰাজপুত সকলৰ ৰাজত্ব কালৰ ৰাজধাত্ৰী ধাত্ৰী পান্না। ধাত্ৰী পান্নাই সেই সময়ত স্বদেশৰ ভৱিষ্যত ৰক্ষাৰ বাবে শিশু ৰাজকুমাৰ সংগ্ৰাম সিংহৰ জীৱন ৰক্ষা কৰি নিজৰ কণমানি সন্তানক দুৰ্বৃত্ত বীৰ সিংহৰ হাতত হত্যা কৰাৰ বাবে অৰ্পণ কৰিছিল। তেনেদৰে মাদাৰ টেৰেছা আৰু লেডী উইথ দ্যা লেম্প ৰূপে খ্যাত ফ্লৰেন্স নাইটিংগেলৰ অপৰিসীম ত্যাগ আৰু অৱদানৰ কথা সকলোৱে যুগে যুগে স্বীকৃতি দি আহিছে। আমাৰ আহোম ৰজাৰ ৰাজত্ব কালতো ধাই মাতৃ সকলৰ অৱদান অপৰিসীম। পুৱাৰ পৰা সন্ধিয়া পৰ্যন্ত ধাই মাতৃ সকলে ৰজাৰ ৰাজকোঁৱৰ আৰু ৰাজকুমাৰী সকলৰ সকলো ধৰণৰ শুশ্ৰূষা কৰি নিশা দিখৌ নদীৰ পকা ঘাটেদি পাৰ হৈ ধাইবাৰীলৈ উভতি আহিছিল। ধাইসকল অহা যোৱা কৰা পথটোক আজিও ধাইআলি ৰূপে জনাজাত। এই ধাত্ৰী দিৱসৰ সময়ত আমি সকলোৱে তেওঁৰলোকৰ ত্যাগৰ মৰ্যাদা প্ৰদান কৰা উচিত বুলি ডাঃ কবিতা শৰ্মাই উল্লেখ কৰে। এই অনুষ্ঠানৰ উদ্বোধনী ভাষণ আগবঢ়ায় ডাঃ প্ৰবুদ্ধ চেতিয়া, যিয়ে ধাত্ৰীসকলৰ সমাজত গুৰুত্বপূৰ্ণ ভূমিকা আৰু স্বাস্থ্য সেৱাত তেওঁলোকৰ অৱদানক লৈ গভীৰ আলোচনা কৰে। নিৰ্বাচিত বক্তা হিচাপে উপস্থিত থাকি ডাঃ বীণাপাণি হাজৰিকাই ধাত্ৰীসকলৰ ত্যাগ, অধ্যৱসায় আৰু সহানুভূতিক কথাৰে সভাত উপস্থিত সকলক আপ্লুত কৰে। লগতে বিশিষ্ট অতিথি সকলেও সুন্দৰ ভাষণৰ জৰিয়তে ধাত্ৰী পেচাক লৈ সামাজিক সজাগতা বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি চাৰি গৰাকী বিশিষ্ট ধাত্ৰী - দ্ৰোণেশ্বৰী বৰুৱা, ৰেণু বৰুৱা, অঞ্জলি ফুকন দিহিঙ্গীয়া আৰু দীপা কলিতাক বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। তেওঁলোকৰ দীঘলীয়া সেৱা আৰু জনসেৱাৰ মনোভাৱৰ বাবে ধন্যবাদ জ্ঞাপন কৰে সমিতিয়ে। উল্লেখযোগ্য যে, প্ৰায় শতাধিক মহিলাৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানটিৰ সুশৃঙ্খলভাৱে আঁত ধৰে সমিতিৰ যুটীয়া সম্পাদিকা পিকুমণি দত্ত আৰু মনু দাসে। মহিলা সমিতিৰ এই পৰিকল্পিত আৰু হৃদয়স্পৰ্শী অনুষ্ঠানটিয়ে শিৱসাগৰবাসীৰ মাজত ধাত্ৰীসকলৰ প্ৰতি কৃতজ্ঞতা আৰু সন্মানৰ মনোভাৱ অধিক গঢ়ি তোলে বুলি অভিমত ব্যক্ত কৰে বহু কেইগৰাকী বক্তাই।

# গোলাঘাট গ্ৰন্থমেলা - সাহিত্য সমাৰোহৰ শক্তিশালী উদ্‌যাপন সমিতি গঠন

### ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'ব 'চাহ জনগোষ্ঠীৰ দিন', এইবাৰো নাথাকিব আন কোনো বাণিজ্যিক বিপণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ জুনঃ** অসম সাহিত্য সভাৰ অন্যতম শক্তিশালী অংগ পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত, সদৌ অসম পুথি প্ৰকাশন আৰু বিক্ৰেতা সংস্থা, বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে, ৰাইজৰ সহযোগত অহা ২২ অক্টোবৰৰ পৰা ২৯ অক্টোবৰলৈ গোলাঘাট সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া গোলাঘাট গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহ-২০২৫ সাফল্যমণ্ডিত কৰি তোলাৰ অৰ্থে আজি বিপুল সমাবেশত শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ডং পুতুল চন্দ্ৰ শইকীয়াৰ পৌৰাহিত্যত শাখাৰ সম্পাদক স্বৰ্ণগতা বৰাই আঁত ধৰা অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞাক সভাপতি, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইকক কাৰ্যকৰী সভাপতি, তনুজ কুমাৰ মহন্তক সাধাৰণ সম্পাদক, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি অভিৱৰ্তন গোস্বামীক মুখ্য সমন্বয়ক, মনোজ বৰুৱাক বিত্ত সম্পাদক, ৰেকিব শ্বাহ, ভাস্কৰ বৰাক যুটীয়া সম্পাদক, জাতীয়-জনগোষ্ঠীয় সংগঠন সমূহৰ জিলা সভাপতি, সম্পাদকক সমন্বয়ক মণ্ডলী, উপ-সভাপতি, মুখ্য উপদেষ্টা আদিক লৈ সৰ্বসন্মতিক্ৰমে শক্তিশালী উদযাপন সমিতি গঠন কৰে। গোলাঘাট জিলা মহিলা সমিতিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজহুৱা সভাত বিশিষ্ট সাংস্কৃতিক কৰ্মী, লোক-সংস্কৃতিৰ সাধক পৱিত্ৰ প্ৰাণ বৰা, অধ্যাপক, গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ দীন ড° দেৱজিৎ ফুকন, পৌৰপতি দুলুমণি বৰবৰা, বিশিষ্ট শিক্ষাবিদ তিলেশ্বৰ তামুলী, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, গোলাঘাট নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ দাস, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি জিতুল ৰাজখোৱা, আটছাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইক, বিশিষ্ট লেখক, শিক্ষাবিদ গুণেন্দ্ৰ নাথ বৰা আদিয়ে বক্তব্য আগবঢ়ায়। জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাই গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ ৰূপৰেখা সন্দৰ্ভত আলোকপাত কৰে। উল্লেখযোগ্য যে, এই বৰ্ষৰ গ্ৰন্থমেলাত এইবাৰ ৰাজ্যিক ভিত্তিত চাহ জনগোষ্ঠীৰ দিন উদযাপন কৰা হ'ব। ইয়াৰ উপৰি অনুষ্ঠিত হ'ব শিশুৰ দিন, নাৰীৰ দিন, জাতি-জনগোষ্ঠীৰ দিন, সত্ৰীয়া সংস্কৃতিৰ দিন আদি। প্ৰকাশ পাব বৃহৎ কলেৱৰৰ স্মৃতি গ্ৰন্থ। গোলাঘাটত হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডং বিপুল চন্দ্ৰ ভূঞাক সভাপতি, অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক সংবাদ বিশেষজ্ঞ, আমাৰ গোলাঘাটৰ কাৰ্যবাহী সম্পাদক ভাৰ্গৱ শইকীয়াক সম্পাদক, সাংবাদিক মৃদুস্মন্ত বৰুৱাক সহযোগী সম্পাদক হিচাপে লৈ স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হয়। সভাত গোলাঘাট ৰটাৰী ক্লাবৰ সভাপতি উপেন গগৈ, বিশিষ্ট শিক্ষাবিদ পুৰঞ্জয় গোস্বামী, অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি ডং যতীন নাথ, কেন্দ্ৰীয় বিষয়ববীয়া নৰেন শইকীয়া, জ্যেষ্ঠ নাগৰিক প্ৰদীপ গোস্বামী, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক নিপন গগৈ, সমাজকৰ্মী মুন্না আহমেদ, আটছাৰ জিলা সভাপতি ৰাবুল তুৰী, আটছা, গোলাঘাট শাখাৰ সম্পাদক অনুজ কৰ্মী, চুতীয়া জাতি ছাত্ৰ সন্থাৰ জিলা সভাপতি পাপু চুতীয়া, কোচ ৰাজবংশী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ শইকীয়া, গোলাঘাট প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাস, গোলাঘাট মিডিয়া ফ'ৰামৰ সম্পাদক পংকজ হাজৰিকা, টিএমপিকেৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ভূপেন টাইড, বীৰ লাচিত সেনা, অসমৰ জিলা সাধাৰণ সম্পাদক অভিলাষ বৰুৱা, কালিয়নি শাখা সাহিত্য সভাৰ সম্পাদক কৰবী গগৈ, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপক গগৈ, আটাছু, গোলাঘাট মহকুমাৰ সভাপতি অজয় ফুকন, উপ-সভাপতি পাৰ্থপ্ৰতীম কোঁৱৰ, আটছা, বৰপথাৰ শাখাৰ সভাপতি মনোজ মহানন্দ, অসমীয়া যুৱ মঞ্চৰ নীল নবি বৰাই, টাই আহোম যুৱ পৰিষদৰ জিলা সভাপতি অপু শইকীয়া, অসম উন্নতি সভাৰ উপ-সভাপতি দেৱজিৎ বৰুৱা আদি বহু সংখ্যক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, পূৰ্বৰ দৰে পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ গ্ৰন্থমেলাত এইবাৰো কোনোধৰণৰ আন বাণিজ্যিক বিপণি নাথাকিব।

## আদিত্য ৰূচাওক টাইপাৰ শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ

**অসম বাৰ্তা, আমগুৰি, ৮ জুন ঃ** টাই আহোম যুৱ পৰিষদ, অসম (টাই পা)ৰ আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি আদিত্য ৰূচাওক টাইপা শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। সংগঠনৰ জিলা পৰ্যায়ৰ এই গুৰুত্বপূৰ্ণ দায়িত্ব লাভৰ বাবে আদিত্য ৰূচাওক বিভিন্ন মহলে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জনাইছে। উল্লেখযোগ্য যে, আমগুৰি আঞ্চলিকৰ সভাপতিৰ দ্বায়িত্বত থকা আদিত্য ৰূচাওৰ সংগঠনটোৰ প্ৰতি বৃহৎ অৱদান আছে। শিৱসাগৰ জিলা সমিতিৰ সহকাৰী সম্পাদক হিচাপে তেওঁৰ দায়িত্ব গ্ৰহণে সংগঠনখনক আগলৈ আৰু অধিক সুসংগঠিত কৰি লৈ যাব বুলি আশা কৰা হৈছে। লগতে, টাই আহোম যুৱ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে মণ্টু গগৈকো দায়িত্ব অৰ্পণ কৰা হৈছে। সংগঠনটোৰ বিকাশ আৰু সামাজিক-সাংস্কৃতিক দিশত ইয়াৰ সদস্যসকলৰ ভূমিকা আগন্তুক দিনত অধিক হ'ব বুলি নেতাসকল বিশ্বাস প্ৰকাশ কৰিছে।

## ১৪ জুনত তিনিচুকীয়াত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৯ জুন ঃ** অহা ইং ১৪ জুনত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলা ন্যায়িক আদালত আৰু লগতে শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো পুৱা ১০.০০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালত অনুষ্ঠিত কৰিব, য'ত আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰযোগ্য বিবাদৰো এজন ন্যায়িক বিষয়া আৰু এজন বা ততোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতিক্ৰমে সৌহাৰ্দ্যপূৰ্ণভাৱে আপোচ মীমাংসা কৰিব। প্ৰাক লোক আদালতৰ দিন ১৩ জুন লৈকে ধাৰ্য্য কৰা হৈছে। অধিক তথ্যৰ বাবে তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্য্যালয় (আদালত চৌহদ, বৰগুৰি, তিনিচুকীয়া -৭৮৬১২৬) ত ই-মেইল যোগে (dlsatinsukia@gmail.com) অথবা ফোনযোগে (৬৯০১২-৮১৬৪৭) যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জনাইছে।



# মাকুম বেতজান চাহ বাগিচাত নিৰ্মাণ হ'বলগীয়া এটা পথকলৈ দুই ফৈদৰ মাজত বিভ্ৰান্তি সৃষ্টি

**অসম বাৰ্তা, মাকুম, ৯ জুন ঃ** মাকুম অঞ্চলৰ বেতজান চাহ বাগিছাৰ মুখ্যৰাজপথটো বছৰ বছৰ ধৰি আজিও জৰাজীৰ্ণ অৱস্থাত আছে। পুৰণি চৰকাৰ গল,নতুন চৰকাৰ আহিল,কিন্তু বেতজান চাহ বাগিছাৰ ৰাইজৰ এই মূল পথটি আজিও জৰাজীৰ্ণ অৱস্থাতে থাকিল। নিতৌ এই পথেদি চিকিৎসালয়লৈ ৰোগী, বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী লগতে নিজ নিজ কৰ্মস্থানলৈ যাতায়ত কৰিবলগীয়া হয়। জৰাজীৰ্ণ অৱস্থাত থকা এই মূলপথটিৰ লগতে অতীজৰে পৰা হাজাৰ হাজাৰ শ্ৰমিক ৰাইজে যাতায়ত কৰি অহা বাগিছা খনৰ ভিতৰত থকা লাইনৰ পথ কেইটা দেখিলে চকু কপালত উঠিব। দেশ স্বাধীনৰ পূৰ্বে নিৰ্মাণ হোৱা এই লাইনৰ পথ কেইটা আজি ভগ্নাংশ অৱস্থাত,অন্য যাতায়ত বাদেই দিয়ক, ৰোগী কঢ়িওৱা বাহন এই পথ কেইটাত প্ৰৱেশ কৰিবলৈ হলে দহ বাৰ চিন্তা কৰিবলগীয়া হয়। আন কি বাঁহ বাৰীৰ তলত থকা অংগনবাড়ি কেন্দ্ৰটোৰো অৱস্থা একেবাৰে শোচনীয়। বাগিছা খনৰ ৰাইজে যমৰ যন্ত্ৰণাবোৰৰ পৰা পৰিত্ৰাণ পাবলৈ বিগত বৰ্ষত হাপজান গাঁও পঞ্চায়তত জিমদাৰ তাঁতীক সভাপতি হিচাপে নিৰ্বাচিত কৰি পঠাইছিল, কিন্তু শ্ৰমিক ৰাইজৰ গুৰুতৰ অভিযোগ যে জিমদাৰ তাঁতীয়ে পাঁচ বছৰৰ কাৰ্যকালত এই বাগিচা খনৰ ৰাইজৰ হকে কোনো ধৰণৰ উন্নয়নমূলক কাম নকৰিলে। তদুপৰি ৰাইজৰ অভিযোগ যে হাপজান গাঁও পঞ্চায়টো পূৰ্বে ডিগবৈ সমষ্টিৰ অধীনত থাকোঁতে দুই এপদ ৰাজহুৱা কাম হ'ল যদিও আজিও এই জৰাজীৰ্ণ অৱস্থাত থকা মূল পথৰ লগতে বাগিছা খনৰ লাইনৰ পথ কেইটা নিৰ্মাণ নহল। বিধায়ক বিহীন হৈ থকা নৱগঠিত মাকুম সমষ্টি হোৱাৰ পৰা বহু অভিযোগ প্ৰতি অভিযোগৰ পাছত বেতাজান চাহ বাগিছাৰ মূলপথটি নিৰ্মাণ কাৰ্যৰ বাবে প্ৰস্তাৱ আহিল, কিন্তু প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ বিজেপি হাপজান মণ্ডলৰ সভাপতি জিমদাৰ তাঁতীয়ে ৰাইজে দৈনিক যাতায়ত কৰা পথটি নিৰ্মাণ কৰিবলৈ নিদি অন্য ফালে নিৰ্মাণ কৰিবলৈ চৰকাৰী বিষয়া কৰ্মচাৰীক হেঁচা প্ৰয়োগ কৰিছে বুলি ৰাইজে অভিযোগ কৰে। শ্ৰমিক ৰাইজৰ প্ৰশ্ন আছিল যে বিগত পাছ বছৰ কাল প্ৰাক্তন সভাপতি গৰাকীয়ে আমাৰ বেতজান চাহ বাগিছাৰ ৰাইজৰ বাবে কোনোধৰণৰ উন্নয়নমূলক কাম নকৰিলে,এতিয়া নতুনকৈ নিৰ্মাণ হবলগীয়া পথটো নিৰ্মাণ কাৰ্যত বাধা দিবলৈ অহা এজন বিজেপিৰ মণ্ডল পৰ্যায়ৰ সভাপতি গৰাকীৰ ভূমিকাক লৈ আমি ক্ষোভিত হৈছোঁ বুলি শ্ৰমিক ৰাইজৰ লগতে স্থানীয় দল সংগঠনৰ বিষয়ববীয়াই সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰিছিল। ইপিনে এই অভিযোগৰ সন্দৰ্ভত পথলৈ ওলাই আহিল বেতজান চাহ বাগিছা ৬ নং লাইনৰ তিনি শতাধিক শ্ৰমিক ৰাইজৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকল। শ্ৰমিক ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মতে হাপজান গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা বৰ্তমানৰ বিজেপি হাপজান মণ্ডলৰ সভাপতি জিমদাৰ তাঁতীয়ে নিৰ্মাণৰ বাবে আবেদন কৰা ঢেলাঘাট পি ডব্লিউ পথৰ পৰা বেতজান চাহ বাগিছাৰ পথটো আমাক অতিকৈ প্ৰয়োজনীয়তা আছে, কিয়নো নিতৌ উক্ত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়লৈ অহা যোৱা,এম্বুলেন্স সেৱা যাতায়তৰ একমাত্ৰ জৰাজীৰ্ণ পথ ,লগতে বাগিছাৰ ১৮ নং চেক চনলৈ বাগিছাৰ পাত নিয়া টে"ৰ ,পানী টেংকী ইত্যাদি অনা-নিয়া কৰিবলীয়া হয়,আৰু লগতে বেতজান চাহ বাগিছাৰ মুখ্যপথটো জৰাজীৰ্ণ অৱস্থাত আছে যদিও পথটো পকী,যিহেতু পথটো পকী হৈ আছে যেতিয়া সিমান প্ৰয়োজনীয়তা নাই,কিন্তু বেতজান চাহ বাগিছাৰ লাইনৰ ভিতৰৰ জৰাজীৰ্ণ অৱস্থাত থকা পথসমূহ নিৰ্মাণ নকৰিলে সেই লাইনৰ শ্ৰমিক ৰাইজৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হব বুলিও মত প্ৰকাশ কৰে ।ইপিনে জিমদাৰ তাঁতীৰ প্ৰতি উত্থাপিত হোৱা অভিযোগৰ সন্দৰ্ভত প্ৰাক্তন সভাপতি জিমদাৰ তাঁতীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। প্ৰাক্তন সভাপতি জিমদাৰ তাঁতীয়ে তেখেতৰ বিৰুদ্ধে অনা অভিযোগ এক গভীৰ ষড়যন্ত্ৰ থকা বুলি কয় । বিগত কাৰ্য্যকালত হাপজান গাঁও পঞ্চায়তৰ অধীনত থকা চাহ বাগিছা অঞ্চল হওক বা গাঁও অঞ্চলৰ বাবে কি কি উন্নয়ন সাধন কৰিলে সেই উন্নয়নৰ তথ্য সহকাৰে খতিয়ান দাঙি ধৰে প্ৰাক্তন সভাপতি গৰাকীয়ে । উক্ত ঢেলাঘাট পি ডব্লিউ পথৰ পৰা বেতজান বাগিছাৰ পথটো চৰকাৰী নিয়ম অনুযায়ী "জিৰো টেগ" কৰা ইতিমধ্যে হৈছে। "তেনেস্থলত মোৰ ক্ষমতা কি আছে যে এটা পথ কৰ্তন কৰি অন্য পথত নতুনকৈ নিৰ্মাণ কৰিম,এইবোৰ সম্পূৰ্ণ ভুৱা অভিযোগ,তৃতীয় পক্ষ জড়িত হৈ মোক জন মানসত সেও প্ৰতিপন্ন কৰিব বিচাৰিছে বুলিও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে,লগতে বেতজান লাইনৰ ভিতৰৰ জৰাজীৰ্ণ হৈ থকা পথ সমূহ নিৰ্মাণ কৰিবলৈ মই বহুবাৰ উৰ্ধতম কৰ্তৃপক্ষ সকলক আবেদনৰ লগতে মৌখিক ভাৱেও জনাইছিলোঁ,কিন্তু এই ক্ষেত্ৰত কোনোধৰণৰ সঁহাৰি নাপালোঁ বুলি মত প্ৰকাশ কৰে। এতিয়া এই সমস্যা সমূহৰ সমাধানৰসূত্ৰ চৰকাৰে কি ধৰণেৰে উলিয়াই তাৰ প্ৰতি লক্ষ্যণীয় হ'ব।

## জৰাজীৰ্ণ কাঠৰ দলঙেৰে বিপদসংকুল যাতায়ত

## কমলাবাৰী অঞ্চলৰ পোহাৰদিয়া গাঁৱৰ ৰাইজৰ

### যিকোনো সময়তে দলংখন ভাগি পৰাৰ সম্ভাৱনা, কাণসাৰ নাই লোকনিৰ্মান বিভাগৰ

**উজনী মাজুলী, ৯ জুন ঃ** ৰাজ্যত এখনো কাঠৰ দলং নাথাকিব তাৰ ঠাইত সকলো কাঠৰ দলং পকীকৰণ কৰা হ'ব বুলি কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ দিনতে ৰাজ্যৰ লোকনিৰ্মান বিভাগে এক নীতি প্ৰস্তুত কৰিছিল। উক্ত নীতিকে পৰৱৰ্তী বিজেপি নেতৃত্বাধীন সোনোৱাল চৰকাৰ আৰু বৰ্তমানৰ ডং শৰ্মা চৰকাৰেও গ্ৰহণ কৰি আহিছে। উক্ত নীতিৰ অধীনত ৰাজ্যৰ বহু কাঠৰ দলং পকীকৰণ কৰাও হৈছে। কিন্তু শেহতীয়াকৈ উক্ত নীতিক একপ্ৰকাৰে ৰাজ্যৰ লোকনিৰ্মান বিভাগে অনুসৰণ নকৰাৰ দৰে দেখিবলৈ পোৱা গৈছে। এতিয়াও ৰাজ্যৰ এনে কিছুমান গুৰুত্বপূৰ্ণ কাঠৰ দলং পকীকৰণ কৰিবলৈ বাকী আছে যিবোৰ কাঠৰ দলং একাংশ ব্যস্ত ৰাজপথত অৱস্থিত। সমান্তৰালভাৱে মাজুলীৰো কমলাবাৰী অঞ্চলৰ পোহাৰদিয়া গাঁৱলৈ যোৱা বহু ব্যস্ত পথটোত থকা কাঠৰ দলংখন জৰাজীৰ্ণ হৈ পৰাত ৰাইজে এতিয়া দূৰ্ভোগ ভুগিব লগা হৈছে। মাজুলীৰ ব্যস্ত ব্যৱসায়িক স্থান কমলাবাৰী চহৰৰ পৰা প্ৰায় ৪ কিলোমিটাৰ নিলগৰ নাম সোণোৱাল বামুণগাঞ্জঁও সংযোগী পথৰ পৰা কমলাবাৰী গাঁও পঞ্চায়তৰ অধীনৰ পোহাৰদিয়া গাঁওলৈ সোমাই যোৱা পথত থকা উক্ত জৰাজীৰ্ন কাঠৰ দলঙেৰে যাতায়ত কৰি যাতায়তৰ ক্ষেত্ৰত যমৰ যাতনা ভোগাইছে পোহাৰদিয়া গাঁওবাসীক। পূৰ্বে কেইবাটাও দুৰ্ঘটনা সংঘটিত হোৱা উক্ত দলং খনত অনাগত সময়তো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে দৈনিক যাতায়ত কৰা ৰাইজৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। গাঁও খনৰ ৰাইজ তথা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, দৈনন্দিন প্ৰয়োজনৰ হেতু অহা-যোৱা কৰা আৰু বিশেষকৈ যান-বাহন পাৰাপাৰ হোৱাত অসুবিধাৰ সন্মুখীন হৈ অহাৰ পিছতো সংশ্লিষ্ট বিভাগৰ কাণসাৰ নথকাত এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তাৎপৰ্যপূৰ্ণ কথা যে বৰ্তমান উক্ত কাঠৰ দলঙখনৰ তিনিটা খুঁটাৰ গুৰি অংশ চিঙি গৈছে আৰু উক্ত কথা কেইবাবাৰো বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ উপৰিও জিলাৰ আয়ুক্তক অৱগত কৰাৰ পাছতো কোন সুফল লাভ কৰা নাই বুলি গাঁওবাসীয়ে অভিযোগ উত্থাপন কৰিছে। মাত্ৰ ৬ টা বছৰৰ পূৰ্বে নিৰ্মাণ কৰা দলংখন ইতিপূৰ্বে ৰাইজৰ পৰা সংগ্ৰহীত বৰঙনিৰে কেইবাবাৰো মেৰামতি কৰা হৈছে যদিও বৰ্তমান দলঙখনৰ জৰাজীৰ্ণ অৱস্থাত যিকোনো সময়তে সম্পূৰ্ণ দলঙখনেই খহি যোৱাৰ আশংকাত ভুগিছে গাঁওবাসী।

## মাকুম ৰেলৱে জংচনৰ পৰিত্যক্ত অৱস্থাত থকা ৰে'লৱে আৱাসত পুনৰ অচিনাক্ত মৃত দেহ উদ্ধাৰ

### মৃত্যুৰ উপত্যকালৈ পৰিণত হৈছে মাকুম ৰে'লৱে জংচনৰ পৰিত্যক্ত অৱস্থাত থকা ৰেলৱে আৱাস সমূহ

**অসম বাৰ্তা, মাকুম, ৯ জুন ঃ** মাকুম আজি পুনৰ দিনৰ ভাগত মাকুম ৰেলৱে জংচনৰ পৰিত্যক্ত অৱস্থাত থকা ৰেলৱে আৱাসত অচিনাক্ত মৃত দেহ উদ্ধাৰ কৰা হয় । উদ্ধাৰ হোৱা অচিনাক্ত মৃতদেহটো এজন যুৱকৰ আনুমানিক বয়স ৩৫ বছৰ। যুৱক জনৰ মৃত্যুৰ কাৰণ বৰ্তমানলৈ জানিব পৰা হোৱা নাই যদিও মৰণোত্তৰ পৰীক্ষাৰ পাছত মৃত্যুৰ কাৰণ জানিবলৈ পৰা যাব। পৰৱৰ্তী পৰ্যায়ত ঘটনা স্থলীত ৰেলৱে আৰক্ষী আৰু মাকুম থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনা স্থলী নিৰীক্ষণ কৰি তিনিচুকীয়া কাৰ্যবাহী দণ্ডাধীশ ৰুণজুন বৰাৰ উপস্থিতিত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যায়। উল্লেখযোগ্য বিষয় যে বিগত ছয়মাহত উক্ত মাকুম ৰেলৱে জংচনৰ পৰিত্যক্ত অৱস্থাত থকা আৱাস সমূহত তিনিটাকৈ মৃত দেহ এনেদৰে উদ্ধাৰ হৈছিল। ইয়াৰ আঁৰৰ ঘটনা আজি পৰ্যন্ত জানিব পৰা নগল। স্থানীয় লোকৰ মতে সন্ধ্যা হলেই এইটো অঞ্চলত চলে নিচাজাতীয় দ্ৰব্যৰ আড্ডা। বিশৃংখল যুৱকৰ বাইকৰ অতপালি। ৰেলৱে আৰক্ষী হওক বা স্থানীয় আৰক্ষীৰ এই সমূহ কাণ্ড চকুত নপৰাৰ বিষয়টোৱে সচেতন মহলৰ মাজত বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপিত কৰিছে।

### সৰুপথাৰত দিনযোৰা কাৰ্যসূচীৰে আটছাৰ ৩৭সংখ্যক শ্বহীদ দিৱস

## শ্বহীদ সকলৰ ত্যাগক চিৰযুগমীয়া কৰি ৰখাৰ অহোপুৰুষাৰ্থ

**অসম বাৰ্তা ধনশিৰি, ৯ জুন ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতিৰ উদ্যোগত আৰু সৰুপথাৰ, বৰপথাৰ, গোলাঘাট, বোকাখাট, দেৰগাঁও আৰু খুমটাই শাখাৰ সহযোগত আজি সৰুপথাৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গনত দিনযোৰা কাৰ্যসূচীৰে ৩৭সংখ্যক শ্বহীদ দিৱস উদযাপন কৰে। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে আটছা গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিয়ে আৰু শ্বহীদ তৰ্পণ কৰে জিলা সম্পাদক সুশীল কালিন্দীয়ে। লগতে আটছাৰ প্ৰতিষ্ঠাপক সভাপতি চাইমন সিং হৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে আটছা কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক মহেশ্বৰ গোৱালাই আৰু আটছাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক সন্তোষ কুমাৰ তপ্নৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন সাংগঠনিক সম্পাদক ননী তাঁতীয়ে আৰু ৰংঘৰ ৰাজহুৱা ভৱনৰ চৌহদত থকা অসমৰ বীৰ শ্বহীদ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে সৰুপথাৰ আটছঅমাৰ উপদেষ্টা মিলন ৰাজপুতে। উল্লেখিত অনুষ্ঠানৰ পিছতে কেইবাটাও জাতি জনগোষ্ঠীৰ দলে সৰ্বধৰ্মীয় প্ৰাৰ্থনা কৰে। শ্বহীদ দিৱসৰ লগত সঙ্গতি ৰাখি উক্ত অনুষ্ঠানত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। আটছা গোলাঘাট জিলাৰ সম্পাদক সুশীল কালিন্দীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিয়ে। সভাখনিৰ মজিয়াত চাহ জনগোষ্ঠীৰ কণমানি ছাত্ৰী নিহাৰিকা গড়ে শ্বহীদ সকলক সোঁৱৰি এটি গীত পৰিৱেশনেৰে উপস্থিত সকলো ৰাইজৰ অন্তৰ জয় কৰিবলৈ সক্ষম হয়। সভাখনিৰ আদৰণি ভাষণ প্ৰদান কৰি সুশীল কালিন্দীয়ে যথেষ্ট আৱেগপূৰ্ণ বক্তব্য প্ৰদান কৰে আটছাৰ ১২গৰাকী শ্বহীদক গভীৰ শ্ৰদ্ধাঞ্জলি জনাই। উক্ত সভাতে এখনি স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। আটছাৰ উপদেষ্টা তথা স্মৃতি গ্ৰন্থৰ সভাপতি মিলন ৰাজপুত আৰু আটছা সৰুপথাৰ শাখাৰ প্ৰাক্তন সম্পাদক তথা স্মৃতি গ্ৰন্থৰ সম্পাদক উমেশ ঘাটোৱাৰে সম্পাদনা কৰা 'শ্ৰদ্ধাঞ্জলি' নামেৰে এখনি স্মৃতি গ্ৰন্থ উন্মোচন কৰে সৰুপথাৰ সমজিলাৰ বিশিষ্ট সাহিত্যিক, লোক সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাই। অনুষ্ঠানটিৰ মাজতে আটছা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক উপস্থিত হয় আৰু সকলোকে সংগ্ৰামী অভিবাদন জনাই আটছাৰ সকলো মহান শ্বহীদক সোঁৱৰি চাহ জনগোষ্ঠীটোৰ অতীত আৰু বৰ্তমানক লৈ তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়াই। উক্ত অনুষ্ঠানতে কেন্দ্ৰীয় সমিতিৰ সাংস্কৃতিক সম্পাদক মহেশ্বৰ গোৱালাইও ভাষণ প্ৰসঙ্গত চাহ জনগোষ্ঠীটোৰ বিভিন্ন জলন্ত সমস্যাৰ বিষয়ে বিৱৰি কয় আৰু সকলো চৰকাৰেই চাহ জনগোষ্ঠীটোক ভোট বেংক হিচাপে ব্যৱহাৰ কৰি এক প্ৰকাৰৰ শোষণ চলাই আহিছে বুলি মন্তব্য কৰে। চাহ জনগোষ্ঠীটো কিছু কিছু দিশত আগবাঢ়িছে যদিও বৰ্তমানেও বহুতো সমস্যাত ভুগি আছে। এতিয়াও ঠাই বিশেষে বাল্যঞ্চবিবাহ, অন্ধবিশ্বাস, শিক্ষা, স্বাস্থ্যকে ধৰি বিভিন্ন সমস্যাত জনগোষ্ঠীটোৱে সংগ্ৰাম কৰি গৈছে। অসম তথা চাহ জনগোষ্ঠীৰ বাবে নিজকে উছৰ্গা কৰি জাতিৰ বাবে আত্মবলিদান দিয়া অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ শ্বহীদ সকলক স্মৰণ কৰি সৰ্বোচ্চ মৰ্য্যদা দিয়াৰ লগতে নৱপ্ৰজন্মৰ ওচৰত তেওঁলোকৰ পৰিচয় চিৰযুগমীয়া কৰাৰ মহান উদ্দেশ্য আগত ৰাখি অনুষ্ঠানভাগি সফল কৰিবৰ বাবে আটছাৰ প্ৰতিগৰাকী কৰ্মকৰ্তাই বিভিন্ন সময়ত বিভিন্ন সময়ত নানান পদক্ষেপ লোৱাৰ লগতে আজিৰ শ্বহীদ দিৱসটি উদযাপন কৰে। অনুষ্ঠানটিত তেওঁলোকৰ ১২জন শ্বহীদৰ ত্যাগ আৰু তেওঁলোকৰ আদৰ্শৰ বিষয়েও কে'বাজনো বিশিষ্ট অতিথিয়ে বক্তব্য প্ৰদান কৰে। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানটিত গোলাঘাট জিলা সমিতি আৰু সৰুপথাৰ, বৰপথাৰ, বোকাখাট, দেৰগাঁও, খুমটাই ইত্যাদি শাখা আৰু মহিলা সমিতিৰ সকলো বিষয়ববীয়া উপস্থিত থাকে। ইয়াৰ উপৰি অনুষ্ঠানটিত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সূৰ্য গগৈ, সৰুপথাৰ প্ৰেছ ক্লাবৰ সভাপতি দ্বিপেন কুমাৰ বৰা, সদৌ অসম ছাত্ৰ সন্থা গোলাঘাট জিলা সমিতিৰ সভাপতি মিন্টু গগৈ, টাই আহোম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ উপঃসভাপতি অনন্ত গগৈকে ধৰি বিভিন্ন দলঞ্চসংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

# বান বিধ্বস্ত লাইকাবাসীয়ে আশ্ৰয় বিচাৰি উপস্থিত বাঘজানৰ সমীপৰ লোহিত নদীৰ পাৰত

## সংস্থাপন নোহোৱালৈ থকাৰ সিদ্ধান্ত বাতিল, পুনৰ উভতিল লাইকালৈ

**অসম বাৰ্তা, সংবাদদাতা, বাঘজান, ৯ জুন ঃ** তিনিচুকীয়া জিলাৰ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত লাইকাবাসীয়ে পুনৰ সংস্থাপন, ডিব্ৰু-ছৈখোৱাৰ সংৰক্ষণৰ দাবীত বিগত দীৰ্ঘদিন ধৰি প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। ২০২০ৰ ২০ ডিচেম্বৰৰ পৰা TMPK, MMK, TMMK তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত বৃহত্তৰ লাইকা-দধীয়াবাসীয়ে তিনিচুকীয়া জিলা উপায়ুক্ত (বৰ্তমান জিলা আয়ুক্ত)ৰ কাৰ্যালয়ৰ সমীপত চৰকাৰী ভূমিত অস্থায়ী আশ্ৰয় শিবিৰ স্থাপন কৰি ধাৰাবাহিকভাৱে প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰতিবাদৰ ফলশ্ৰুতিত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰে আৰু কেন্দ্ৰীয় চৰকাৰে তিনিচুকীয়া জিলাৰ জাগুন নামফাইৰ টাপু আৰু ডিগবৈ সংমণ্ডলৰ পাহাৰপুৰ নামৰ দুডোখৰ ঠাইত পুনৰ সংস্থাপনৰ বাবে অনুমোদন জনায়। পৰৱৰ্তী জাগুন নামফাইৰ টাপুত লাইকাৰ মুঠ ৫৭২টা পৰিয়ালৰ ভিতৰত ১৬০টা পৰিয়ালক পুনৰ সংস্থাপন দিবলৈ সক্ষম হয় আৰু ৪১২টা পৰিয়ালে আজিলৈকে সংস্থাপন লাভ কৰিবলৈ সক্ষম নহ'ল। লাভ কৰা এক তথ্য অনুসৰি পাহাৰপুৰৰ বিপৰীতে শদিয়া সমষ্টিত লাইকাৰ ৪১২টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে যো-জা চলাইছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন লাভ কৰা পাহাৰপুৰ এলেকাটো অশান্ত বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে আৰু শদিয়া সমষ্টিত সংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতি দিছে। স্মৰ্তব্য যে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ মাজত বসবাস কৰা অসমৰ অন্যতম ভূমিপুত্ৰ মিচিং জনগোষ্ঠী তথা লাইকাবাসীয়ে প্ৰতিবছৰে বান-গৰাখহনীয়াৰ কৱলত পৰি আহিছে। শেহতীয়াকৈ যোৱা কিছুদিনৰ পূৰ্বে অহা প্ৰৱল বানে লাইকাৰ ঘৰ-বাৰী, শিক্ষানুষ্ঠান তচনচ কৰি পেলায়। বানৰ ফলত মানুহ থাকিবলৈ উপযোগী নোহোৱাৰ হেতুকে যোৱা ৪ জুনত আশ্ৰয়ৰ বাবে ওখ ঠাই বিচাৰি বাঘজানৰ সমীপৰ লোহিত (ডাঙৰী) নদীৰ পাৰত অৰ্থাৎ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত এক ঘাঁহনি এলেকাত উপস্থিত হৈ তাতেই থাকিবলৈ সিদ্ধান্ত কৰে আৰু তম্বু, তিৰপাল তৰি শিবিৰ পাতি থকাৰ ব্যৱস্থা কৰে। তিনিদিন ধৰি আশ্ৰয় লৈ থকা দুৰ্ভগীয়া লাইকাবাসীৰ খবৰ ল'বলৈ আহৰি নহ'ল জনপ্ৰতিনিধি কিম্বা জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ। কালি উক্ত স্থানত বাঘজান গাঁও মিলনজ্যোতি যুৱ সংঘৰ তৰফৰ পৰা এটা সজাতি দলে উপস্থিত হৈ পৰিৱেশ-পৰিস্থিতি বুজ লোৱাৰ লগতে লাইকাবাসীক উদ্দেশ্যি তেওঁলোকৰ সংস্থাপনৰ ক্ষেত্ৰত অনাগত দিনত সহায়-সহযোগিতা আগবঢ়াব বুলি সংঘৰ সভাপতি তিলক নেওগে অৱগত কৰে আৰু সংবাদ মাধ্যম যোগে লাইকাবাসীক পুনৰ সংস্থাপন দিবলৈ চৰকাৰ-প্ৰশাসনক দাবী জনায়। কিছু সময়ৰ পাছতে গুইজান, ছৈখোৱা ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ আৰু দীঘলটৰং বিট অফিচাৰৰ তত্ত্বাৱধানত এটা দলে উপস্থিত হৈ আশ্ৰয় শিবিৰ ভংগ কৰি পুনৰ লাইকালৈ উভতি যাবলৈ নিৰ্দেশ দিয়ে। সমান্তৰালকৈ এই স্থান ত্যাগ নকৰিলে সংস্থাপনৰ বাবে ইতিমধ্যে তালিকা প্ৰস্তুত হৈ থকা পৰিয়ালৰ নাম কৰ্তন কৰিব বুলি অৱগত কৰে। আনহাতেদি আজি পুৱাৰ ভাগত তিনিচুকীয়া জিলা আয়ুক্ত, ডিএফঅ, বিভাগীয় কৰ্তৃপক্ষৰে আলোচনাত মিলিত হৈ লাইকাবাসীৰ বাবে আশ্ৰয় স্থাপন কৰাৰ কথা সদৰী কৰে। মুঠৰ ওপৰত কোনো এটা সঠিক সিদ্ধান্ত দিবলৈ সক্ষম নহয় বন বিভাগে। ইপিনে লাইকাবাসীৰ এটাই দাবী তেওঁলোকক যেতিয়ালৈকে সংস্থাপন নিদিয়ে তেতিয়ালৈকে ইয়াতে শিবিৰ পাতি থাকিব। দোধোৰ-মোধোৰ অৱস্থাত পৰি আজি সেই স্থান ত্যাগ কৰি পুনৰ লাইকালৈ উভতি যায় আৰু লাইকাবাসীয়ে জানিব দিয়া অনুসৰি সোমবাৰে ডিএফঅ'ৰ কাৰ্যালয়ত উক্ত বিষয়ৰ ওপৰত মিলিত হ'ব। এতিয়া প্ৰশ্ন হয়, এনেকৈ আৰু কিমান প্ৰতিশ্ৰুতিলৈ বাট চাব? জাতি-মাটি-ভেটিৰ কথা কোৱা, উন্নয়নৰ গংগা বোৱাৰ কথা এইখন চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে? নে কেৱল ভোটৰ সময়ত প্ৰতিশ্ৰুতি দিয়াতেই সীমাৱদ্ধ থাকিব?

## বিদেশীৰ নামত সংখ্যালঘু লোকক শাৰাশাস্তী বন্ধৰ দাবী

### দক্ষিণ বৰপেটা-পূৱ গোৱালপাৰাত আমছুৰ ক'লা বেজ পৰিধান কৰি ঈদৰ দিনা প্ৰতিবাদ

**অসম বাৰ্তা, শিমলীতোলা, ৯ জুন ঃ** অসমৰ বিদেশী সমস্যা সমাধান বিচাৰি ৮৫৫ জন শ্বহীদৰ তেজৰ বিনিময়ত অসম চুক্তি সম্পন্ন হৈছিল যদিও আজিলৈ সেই সমস্যা সমস্যা হৈয়ে থাকিল। প্ৰতিটো ৰাজনৈতিক দলেই সংখ্যালঘু সকলোক কেৱল ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ ফলত ধৰ্মীয় সংখ্যালঘু মানুহখিনিয়ে অকথ্য যন্ত্ৰনা পাবলগীয়া হৈছে। ১৯৫০-ৰ দশকৰ পৰা আৰম্ভ হোৱা ভোটাৰ তালিকা সন্দেহ আৰু 'ডি-ভোটাৰ' (D-Voter) নামত সংখ্যালঘুক সন্দেহৰ চকুত দেখা আৰম্ভ হ'ল কংগ্ৰেছ চৰকাৰৰ দিনত, সেই সময়তেই বহু মিঞা পৰিয়ালক নথি থকা সত্বেও 'বিদেশী' বুলি ঘোষণা কৰা হ'ল। ১৯৬৪-৬৫, ১৯৭১ আৰু ১৯৮৩ চনত লাখ লাখ বাঙালি মুসলিম, বিশেষকৈ মিঞাসকলক ভয় আৰু হুমকীৰ মাজেৰে নিজৰ দেশতে পৰবাসী কৰা হ'ল। বৰ্তমানৰ অসমৰ বিজেপি চৰকাৰে বিদেশী বিতাৰণৰ নামত ধৰ্মীয় সংখ্যালঘু মানুহখিনিক অন্যায় আৰু অসাংবিধানিক ভাৱে বিদেশী ৰাষ্ট্ৰৰ লগত হোৱা প্ৰত্যাৱৰ্তন চুক্তি নকৰাকৈ বলপূৰ্বকভাৱে পুস ব্যাক নীতিৰে ভাৰতৰ সীমান্ত পাৰ কৰাই 'নো মেন জন'ত বাংলাদেশৰ মাটিত এৰি থৈ অহা ঘটনাক লৈ আমছুয়ে জাঙুৰ খাই উঠিছে। আমছুৱে চৰকাৰৰ এনে সংবিধান বিৰোধী নীতিৰ বিৰুদ্ধে সদায় মাত মাতি আহিছে । আমছুৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানৰ প্ৰতি সমৰ্থন জনাই সমগ্ৰ অসমৰ লগতে বৰপেটা জিলাৰ দক্ষিণ বৰপেটা লগতে গোৱালপাৰা জিলাৰ পূৱ গোৱালপাৰাত আজি ঈদৰ দিনা পৱিত্ৰ নামাজ আদায়ৰ আগতে অসমৰ সকলো ঈদ গাতে সংখ্যালঘু সমাজে ক'লা বেজ পৰিধান কৰি সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত চলি থকা অমানৱীয় অত্যাচাৰ বন্ধ কৰক, NRC প্ৰস্তুতকৰন সম্পূৰ্ণ কৰক, ১৯৭১ চনৰ ১৪ মাৰ্চৰ পিছৰ বিদেশীক আইনগত ভাৱে বিতাৰণ কৰক, সংখ্যালঘু ভাৰতীয় নাগৰিকৰ সাংবিধানিক অধিকাৰ সুনিশ্চিত কৰক, সংখ্যালঘু সকলৰ সংবিধানিক অধিকাৰ খৰ্ব কৰা বন্ধ কৰক, বিদেশীৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিকক কৰি অহা শাৰাশাস্তি বন্ধ কৰক, সংবিধান ৰক্ষা কৰক, আইনী শাসন মানি চলক ইত্যাদি শেগানৰ পে কাৰ্ড প্ৰদৰ্শন কৰি মৌন প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী আমছুৰ নেতাই অতি শীঘ্ৰে বিদেশী সমস্যা সমাধান কৰি সংখ্যালঘু ৰাইজক বিদেশীৰ নামত অমানৱীয় অত্যাচাৰ বন্ধ কৰাৰ দাবী উত্থাপন কৰে অন্যাথা পৰৱৰ্তী সময়ত বৃহৎ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ আমছুৱে বাধ্য হব।

## ডিব্ৰুগড়ত শান্তিপূৰ্ণভাৱে ত্যাগৰ উৎসৱ ঈদ উজ্ জোহা উদযাপনৰ অনুষ্ঠান- বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ জুন ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে ডিব্ৰুগড়তো আজি (৭-৬-২০২৫)পৱিত্ৰ উৎসৱ "ঈদ উজ জোহা "পালন কৰা হয়। ইছলামধৰ্মী লোকসকলে ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা "ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ"ত প্ৰায় ৭/৮ হাজাৰ লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহত ঈদৰ নামাজত ইমামতি কৰে ডিব্ৰুগড় কদমনি মছজিদৰ পেচ ইমাম মৌলানা ৰিয়াজুল ইছলাম আল জমি। ঈমাম গৰাকীয়ে ভাষণ প্ৰদান কৰি জাতি ধৰ্ম ভাষা বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত প্ৰেম,সম্প্ৰীতি আৰু ভ্ৰাতৃত্বৰ কথা কোৱাৰ লগতে ত্যাগৰ উৎসৱ ঈদৰ তাৎপৰ্যৰ বহল ব্যাখ্যা দাঙি ধৰে। শেষত তেখেতে সকলোৰে বাবে কুশল কামনা কৰাৰ বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা কৰে। এই অনুষ্ঠানতে ডিব্ৰুগড় ঈদগাহ কমিটিৰ সম্পাদক আলহজ আমানুল্লা আনচাৰিয়ে উপস্থিত সকলোকে ঈদ মোবাৰক আৰু ধন্যবাদ জনোৱাৰ লগতে শলাগৰ শৰাই আগবঢ়ায় কমিটিৰ সম্পাদক আলহজ চৌকত আলিয়ে। লগতে তেখেতে ডিব্ৰুগড় জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন, বিদ্যুৎ বিভাগ, ডিব্ৰুগড় পৌৰসভা, সংবাদ মাধ্যমৰ আৰু ঈদগাহৰ কৰ্মী সকলে তেঁওলোকে আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ডিব্ৰুগড়ত বতৰ ফৰকাল হোৱা বাবে ডিব্ৰুগড়ৰ আমোলাপট্টিত থকা "আলহজ জালালউদ্দিন আহমেদ ঈদগাহ"ত প্ৰায় দুই হাজাৰ লোকে নামাজত অংশ গ্ৰহণ কৰে। ইয়াত ইমামতি কৰে অসম জামিউল মাদ্ৰাছাৰ মৌলানা মঞ্জুৰ আহমেদে। তেওঁ বিশ্ব শান্তিৰ বাবে পৰম কৰুণাময়ৰ ওচৰত দুহাত তুলি দেশৰ দহৰ বাবে প্ৰাৰ্থনা কৰে। ডিব্ৰুগড়ত থকা ৩০(ত্ৰিশ) টা মছজিদটো শান্তিপূৰ্ণভাৱে ঈদৰ নামাজ অনুষ্ঠিত হয়। ঈদ উপলক্ষে বিভিন্ন জনে শুভেচ্ছা বাণী পঠিয়াইছে। ডিব্ৰুগড়ৰ জাকাত এণ্ড ইমদাদ ফাউণ্ডেচনৰ সভাপতি ডাঃ চাজিদ আহমেদ, সম্পাদক নাচিৰ চুলতান,কোষাধ্যক্ষ নেজিব হুছেইন ছাব্ৰী , চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি চেহিৰ আহমদ, সম্পাদক এম হাছিম আলী, উপ-সভাপতিদ্বয় আব্দুল খালেক, ৰফিক আহমেদ, ডিব্ৰুগড় ঈদগাহ সমিতিৰ সভাপতি আলহজ্ব আমানউল্লা আনচাৰি, সম্পাদক আলহজ্ব চৌকত আলি, কাৰ্যকৰি সভাপতি আব্দুল চাজিদ,ডিব্ৰুগড় জিলাৰ হিলাল কমিটিৰ সভাপতি আলহজ মৌলানা আইনান জুবেৰী,সম্পাদক আলহজ্ব নাচিমুল গণি, ডিব্ৰুগড় ইমাম পৰিষদৰ সভাপতি আলহজ্ব মৌলানা ছবিৰ আহমেদ, সম্পাদক আলহজ্ব মৌলানা আতিকুৰ ৰহমান কাচিমী, আলহজ জালাল উদ্দিন আহমেদ ঈদগাহ কমিটিৰ সভাপতি আলহজ ছবিৰ আহমেদ, সম্পাদক জাৱেদ ৰহমান, ডিব্ৰুগড় দাৰুল হাদিছ মাদ্ৰাছাতুল বানাত ছোৱালী মাদ্ৰাছাৰ সভাপতি মনিৰউদ্দিন আহমেদ,সম্পাদক আৰিফ উদ্দিন আহমেদ আদি বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানে ঈদৰ শুভেচ্ছা আৰু ঈদ মোবাৰক জনাইছে।

## ২ নং কমলাবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিৰু বৰা আৰু সহঃ শিক্ষয়িত্ৰী লিলি বৰুৱাক বিদায় সম্বৰ্ধনা

**উজনী মাজুলী, ৯ জুন ঃ** মাজুলীৰ শিক্ষাৰ ক্ষেত্ৰত বাটকতীয়া অগ্ৰণী শিক্ষানুষ্ঠান ২ নং কমলাবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিৰু বৰা আৰু সহঃ শিক্ষয়িত্ৰী লিলি বৰুৱাক বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। পুৱা বিদায়ী শিক্ষয়িত্ৰী দুগৰাকীক আদৰণি জনোৱাৰ পিছতে দুয়োগৰাকী শিক্ষয়িত্ৰী আৰু স্থানীয় পৰিৱেশ কৰ্মী প্ৰফুল্ল বৰাই একোটিকৈ গছ পুলি ৰূপন কৰে বিদ্যালয়ৰ চৌহদত। ইয়াৰ পিছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত সভাপতিত্ব কৰে বিদ্যালয় খনৰ পৰিচালনা সমিতিৰ সভাপতি অমৰজ্যোতি বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষক প্ৰদীপ বৰুৱাই। সভাত বিদ্যালয়ৰ শিক্ষক গোট, পৰিচালনা সমিতি, মাতৃ গোট, ছাত্ৰ-ছাত্ৰী, মাজুলী জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, কমলাবাৰী একাডেমী, শিক্ষা বিভাগৰ কমলাবাৰী মণ্ডলৰ লগতে বহু সক্ষক স্থানীয় লোকে বিদায়ী শিক্ষয়িত্ৰী দুগৰাকীক সম্বৰ্ধনা জনায়।মাজুলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কাকতি , তথ্য ব্যৱস্থাপনা মিচন সমন্বয়ক কল্পজ্যোতি শইকীয়া, মণ্ডল সমন্বয়ক মনোজ্যোতি ৰেগন, শিক্ষক সন্মিলনীৰ সম্পাদক বাবুল শইকীয়া, মাজুলী মহাবিদ্যালয়ৰ অৱসৰী উপধ্যক্ষা আৰতি বৰা, সমাজ কৰ্মী ৰুবী সভাপণ্ডিত বৰা, সুৰেন দত্ত, যুগল চুতীয়া, মাতৃ গোটৰ জুলি বৰাকে ধৰি বহু উপস্থিত ব্যক্তিয়ে বক্তব্য প্ৰদান কৰি অৱসৰী শিক্ষয়িত্ৰী দুগৰাকীক শুভেচ্ছা জনায়। শিক্ষক সকলৰ তফৰ পৰা প্ৰধান শিক্ষক প্ৰদীপ বৰুৱা,চয়নিকা বৰা, আৰু ছাত-ছাত্ৰী সকলৰ তৰফৰ পৰা আদিত্য অয়নাভ বৰা, শুভ্ৰম আকাশ বৰুৱা, আৰ্যনীল চুতীয়া, নীলাক্ষী বৰা, আয়ুস্মিতা বৰা, অনন্যা বৰা, দেবাংগৰাজ ভূঞা আদিয়ে বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে দুয়োগৰাকী অৱসৰী শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ সুদীৰ্ঘ শিক্ষকতা জীৱনৰ অভিজ্ঞতাৰে বক্তব্য প্ৰদান কৰি আবেগিক হৈ পৰা লগতে সকলোকে কৃতজ্ঞতা জনায়। উল্লেখ্য যে ১৯৯০ চনৰ পৰা শিক্ষকতা জীৱন আৰম্ভ কৰি ২০১৬ চনৰ পৰা সুক্ষাতিৰে প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব পালন কৰো নিৰু বৰাই গত ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰিছিল। আনহাতে তেখেতৰ কাৰ্যকালতে বিদ্যালয় খনে সোণালী জয়ন্তী উৎসৱ অনুষ্ঠিত কৰাৰ লগতে বিদ্যালয় খনে বৰ্তমানলৈকে অনুষ্ঠিত সকলো গুণোৎসৱত A+ গ্ৰেড লাভ কৰিছে। আনহাতে ১৯৮৪ চনত শিক্ষয়িত্ৰী হিচাপে যোগদান কৰা লিলি বৰুৱাই গত ৩০ এপিলত অৱসৰ গ্ৰহণ কৰে? এই সভাতে স্থানীয় পৰিৱেশ কৰ্মী প্ৰফুল্ল বৰাক সেউজ বন্ধু উপাধী প্ৰদান কৰি সম্বৰ্ধনা জনায়। শিক্ষয়িত্ৰী তৃষ্ণাৱাণী শইকীয়াই আঁতধৰা সভাখনত ছাত্ৰ-ছাত্ৰী অনন্যা বৰাই ৰাভা সংগীত পৰিৱেশন কৰে।

## নলবাৰীৰ দিপ্তা সুৰাদি মাহখৰীয়া ঈদগাহ ময়দানত পৱিত্ৰ ঈদ-উজ-জোহাৰ সমূহীয়া নামাজ আদায়

**অসম বাৰ্তা, বৰমা, ৯ জুন ঃ** সমগ্ৰ দেশৰ লগতে নলবাৰীৰ দিপ্তা সুৰাদি মাহখৰীয়া ঈদগাহ ময়দানত ইছলাম ধৰ্মালম্বী লোক সকলে পৱিত্ৰ ঈদ-উজ-জোহাৰ সমূহীয়া নামাজ আদায় কৰে। দিপ্তা সুৰাদী মাহখৰীয়া ইদগাহ ময়দানত অৱস্থিত ঈদগাহ ময়দানত পৱিত্ৰ ঈদ-উজ-জোহাৰ সমূহীয়া নামাজ আদায় কৰাৰ বাবে হাজাৰ হাজাৰ ইছলাম ধৰ্মালম্বী লোক উপস্থিত হৈ সমূহীয়া নামাজ আদায় কৰে। এই প্ৰাকখনতেই যাতে সকলো জাতি ধৰ্ম নিৰ্বিশেষে সকলোৰে লগত ভাতৃত্ব ভাৱ জগাই তুলি যাতে মিলা প্ৰীতিৰে থাকিব পাৰো তাৰে কামনা কৰে ইছলাম ধৰ্মালম্বী লোক সকলে। উক্ত নামাজত ইমামতিত্ব কৰে মৌলনা মুফতি আমজেদ আলী চাহেবে। ৰাতিপুৱা ৯ বজাত নামাজ সমাপন কৰাৰ লগতে বিশ্ব শান্তিৰ মানৱ জাতিৰ হৈ দোৱা কৰা হয়।

অসম বাৰ্তা গোষ্ঠীৰ হৈ স্বত্বাধিকাৰ তনয় বৰাৰ দ্বাৰা গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত।
■ ভ্ৰাম্যভাষঃ +৯১-৭০৯৯৪৩৫৪৬২(ম) ■ বিজ্ঞাপন বিভাগ ঃ +৯১-৮৬৩৮১৬২৫০৪
■ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ■ বিজ্ঞাপন বিভাগ ঃ e-mail: info@asombarta.in
■ যোৰহাট কাৰ্যালয় ঃ তৰাজান, যোৰহাট, ৭৮৫০১০, (যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব)
■ মুখ্য সম্পাদক ঃ লীলাধৰ হাজৰিকা
■ সম্পাদক ঃ তনয় বৰা